# শিক্ষাজ্যোতি

বাৰ্তালোচনী

**অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী**

[প্ৰথম বছৰ] [সংখ্যা ২] [জুন] [২০২২ চন]

দ্বি- সংস্কৰণ



**প্ৰবন্ধ**
- নৈতিকতাৰ অৱক্ষয়
- শিশুৰ বিকাশত মাতৃৰ ভুমিকা

**কবিতা**
- শিক্ষকতা
- মই এগৰাকী কৰ্মচাৰী

**ধাৰাবাহিক**
- বিষ্ণুপ্ৰসাদ ৰাভা
- জনগণৰ বাবেই এৰিছিল পুলিচৰ চাকৰিৰ মোহ

**শিশু শিতান**
- চিত্ৰাংকন
- কুইজ
- ফকৰা/প্ৰবচন



## সূচীপত্রঃ


| | |
|---|---|
| 05-09 | প্ৰবন্ধ |
| 10-13 | গল্প |
| 14-17 | ধাৰাবাহিক |
| 18-21 | কবিতা |
| 22-24 | শিশু শিতান |
| 25-26 | চিত্ৰাংকন |
| 27-30 | বিদ্যালয়ৰ কথাৰে |
| 31-33 | শিক্ষকৰ কথাৰে |
| 39 | বা-বাতৰি |

# শিক্ষাজ্যোতি

বাৰ্তালোচনী

ই- সংস্কৰণ

## অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী


আলোচনী কৰ্তৃপক্ষ :- ডিজিটেল উপসমিতি, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী |

মুখ্য উপদেষ্টা:- অখিল চন্দ্ৰ নাথ।

উপদেষ্টা:- চৈয়দ আহমেদ লস্কৰ।

মুখ্য সম্পাদক:- ৰাতুল চন্দ্ৰ গোস্বামী।

কাৰ্যবাহী সম্পাদকঃ- দীপাংকৰ শৰ্মা।

সহঃ সম্পাদকঃ- অৰুণ শইকীয়া।

সম্পাদনা সহযোগীসকল:- গণেশ নেওগ।
নৱনীত হাজৰিকা।

PDF সংস্কৰণ প্ৰস্তুতকৰ্তা:- পূণ্যম বৰা।

বেটুপাত:- মৌচম জ্যোতি খনিকৰ।

মুদ্ৰা লেখন:- চিত্ৰলেখা বৰা।
দেৱাজ্যোতি হাজৰিকা।
দীপাশ্ৰী দত্ত।
প্ৰতিভা কাকতি।



লেখা পঠাবৰ বাবেঃ-
email- asptaassam22@gmail.com
Whatsapp No- 7002867240, 87209 25805

**সম্পাদকীয়**

# লাহে লাহে কমি আহিছে চৰকাৰী প্ৰাদেশিকৃত বিদ্যালয়

ডঃ সুনিত কুমাৰ চট্টোপাধ্যায়ে বিষ্ণু ৰাভা দেৱৰ প্ৰসংগত কৈছে, " বিষ্ণু প্ৰসাদ ৰাভা পূৰ্ণ মানৱ ,চুফি দৰ্শনৰ ইনচাব এ কামিন " । বহু গুণসম্পন্ন বৰেণ্য ব্যক্তি বিষ্ণু প্ৰসাদ ৰাভাক পাতনিতে জনাইছো, সশ্ৰদ্ধ প্ৰণাম । লগতে শিক্ষকতাৰ দৰে মহান বৃত্তিত জড়িত , স্বদেশ আৰু স্বজাতিৰ বাবে কাম কৰি যোৱা যিসকল ব্যক্তিয়ে ইহলীলা সম্বৰণ কৰিলে তেখেত সকলৰ বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰিছোঁ ।

এটা গছপুলিৰ পাতত যদি পোকে ধৰে তেন্তে পোকৰ ভয়ত গছ পুলিটো উভালি পেলাম নে ? সেইটো কেতিয়াও কৰা নহয়, পোকৰ আক্ৰমণৰ পৰা বচাই প্ৰয়োজনীয় সাৰ-পানী যোগান ধৰি গছ পুলিটোৰ শ্ৰী বৃদ্ধিৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হয় ।

এটা সোনালী স্বপ্ন আগত ৰাখি কোনোৱে মাটি, কোনোজনে খেৰ- কাঠ, বাহ -বেঁত যোগান ধৰি শাৰীৰিক-মানসিক শ্ৰমৰ ফচল হিচাবে গঢ়ি তোলা আজি তাৰিখৰ প্ৰাদেশিকৃত বিদ্যালয় সমূহ বন্ধ হৈ যাবলৈ ধৰিছে বা বন্ধ কৰা হৈছে । ফল স্বৰূপে এখন সুন্দৰ সমাজৰ সপোন দেখা বহু লোকৰ স্মৃতি জড়িত হৈ থকা সোনালী সপোনে কালৰ কুটিল গহ্বৰত নিঃশেষ হৈ গৈছে আৰু যাবলৈ ধৰিছে । সংকুচিত হৈ পৰিছে ৰাজহুৱা শিক্ষাৰ পৰিসীমা । দূৰৈত অৱস্থান কৰি দীঘল দীঘল হুমুনিয়াহ পেলাইছে সচেতন বৌদ্ধিক মহলে । পোনপটীয়া ভাবে স্থানীয় সচেতন ব্যক্তি সকল চৰকাৰী প্ৰাদেশিকৃত বিদ্যালয়খনৰ লগত জড়িত হব নোৱাৰে, কাৰণ তেওঁলোকৰ সন্তান বিদ্যালয়খনত নাই । দূৰৈৰ পৰা মৰা ফৰ্মুঠি জেগাত নালাগে ।

আন্তঃগাঁথনি সমস্যাৰ পৰা আৰম্ভ কৰি সময়োপযোগী পৰিকল্পনাৰ অভাৱ, শ্ৰেণী অনুপাতে শিক্ষক বিহীন, শিক্ষা অধিকাৰ আইন ২০০৯ ত থকা ৩০:১ সমানুপাতৰো অভাৱ পৰিলক্ষিত হয় । বাহিৰে ৰং-চং ভিতৰি ধোবাং বাং বুলি শুনি থকা বাক্য শাৰীৰ দৰে ভিতৰত থকা অনেক সমস্যা আৰু চৰকাৰ তথা বিভাগৰ সদিচ্ছাৰ অভাৱে চৰকাৰী প্ৰাদেশিকৃত বিদ্যালয় সমূহ বন্ধ হৈ যোৱাৰ অন্যতম কাৰণ হব পাৰে ।

শেহতীয়া ভাৱে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য সমূহত স্থাপন কৰিব খোজা ছয় হাজাৰ আৰ্দশ বিদ্যালয় সিদ্ধান্তক কাৰ্যকৰী কৰিবলৈ গৈ অসম চৰকাৰে ৰাজ্য খনৰ এশ ছাব্বিশ টা সমষ্টিত স্থাপন কৰিব খোজা আৰ্দশ বিদ্যালয়েও চৰকাৰী প্ৰাদেশিকৃত বিদ্যালয়লৈ শুভ সংকেত দিছে বুলি ভাবিবলৈ টান । চৰকাৰী প্ৰাদেশিকৃত বিদ্যালয়ৰ বাবে সময়ে দিছে এক ডাঙৰ প্ৰত্যাহ্বান । দৰিদ্ৰ সীমা ৰেখা তলৰ ছাত্ৰ-ছাত্ৰীৰ পৰা সকলো স্তৰলৈকে মুক্ত স্থানীয় চৰকাৰী অনুষ্ঠানটি জীয়াই ৰখা আৰু অধিক গতিশীলতা প্ৰদান কৰা আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য । নহ'লে হয়তু সময়ৰ ওচৰত আজিৰ বৌদ্ধিক সমাজে জবাবদিহি হব লাগিব । লাখ লাখ ছাত্ৰ ছাত্ৰীৰ সপোনৰ গতি ৰুদ্ধ হৈ স্তব্ধ হৈ যাব পাৰে, শিক্ষাৰ গতি । হাজাৰ হাজাৰ জনৰ ত্যাগ আৰু শ্ৰম মাটিৰ লগত মিলি যাব পাৰে । সময় অতীত হৈ যোৱা নাই,আহক আমাৰ স্থানৰ পৰা আমি দিব পৰা খিনি দি, কৰিব পৰা খিনি কৰি চৰকাৰী প্ৰাদেশিকৃত বিদ্যালয়ক প্ৰদান কৰো, অধিক গতিশীলতা ।

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ডিজিটেল কোষৰ উদ্যোগত প্ৰকাশিত ই আলোচনী "শিক্ষাজ্যোতি " দ্বিতীয় সংস্কৰণ প্ৰকাশ কৰি উলিয়াবলৈ শাৰিৰীক-মানসিক ভাৱে ত্যাগ স্বীকাৰ কৰা, দিহা পৰামৰ্শ প্ৰদান কৰা, লিখনি, বেটুপাত আদি দি মহৎ উপকাৰ কৰা আৰু সম্পাদনা সমিতি, ৰাজ্যিক সন্মিলনীৰ সভাপতি-সম্পাদক তথা সমিতিৰ বিষয় ববীয়া সকলোলৈ মান্য অনুসৰি মৰম আৰু শ্ৰদ্ধা জনাইছোঁ ।

শেষত, ই আলোচনী "শিক্ষাজ্যোতি " ৰ দ্বিতীয় সংস্কৰণত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল ত্ৰুটি মাৰ্জনা বিচাৰিছো ।

**দীপাংকৰ শৰ্মা**
**কাৰ্যবাহী সম্পাদক**




# প্রবন্ধ

# নৈতিকতাৰ অৱক্ষয়

লীলাধৰ হাজৰিকা
অৱসৰ প্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক,
গুৱাহাটী বিশ্ববিদ্যালয় আদৰ্শ হাইস্কুল।
লোক সংস্কৃতি বিশেষজ্ঞ।

নৈতিক শিক্ষাই মানুহক সদাচাৰী হ'বলৈ শিকায়।পূৰ্বতে স্কুলীয়া পাঠ্যক্ৰমত নৈতিক শিক্ষা নামৰ এটা বিষয় আছিল। বিদ্যালয়ৰ নিম্ন শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ এই নৈতিক শিক্ষাৰ পাঠ পঢ়ি অন্ততঃ শতকৰা দহজন ছাত্ৰ-ছাত্ৰীয়ে এই আদৰ্শৰে বাট বুলিছিল। আজিকালি এই শিক্ষাৰ কোনো মূল্য নাই বুলি ভাবিয়েই হয়তো পাঠ্যক্ৰমৰ পৰা এই পাঠ উঠাই দিছে। সমাজত দেখা দিয়া অশান্তিৰ বাবে এই পাঠ্যক্ৰমৰ নিশ্চয় প্ৰয়োজনীয়তা আজিও আছে।



বৰ্তমানৰ সমাজ ব্যৱস্থা আৰু শিক্ষা গ্ৰহণৰ পদ্ধতিয়েও নৈতিকতাৰ অৱক্ষয় ঘটাত সহায় কৰিছে। শিক্ষা মানে পৰীক্ষাত কেইটামান নম্বৰ পোৱাটোৱেই সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰী অভিভাৱকে শিক্ষাৰ সফলতা বুলি ভাৱে।পৰীক্ষাত নম্বৰ পাবই লাগিব। কিন্তু পৰীক্ষাত পোৱা নম্বৰেই শিক্ষাৰ একমাত্ৰ মাপকাঠি নহয়। "শিক্ষাই সমাজত নৈতিকতাৰ পোহৰ বিলায়" বোলা কথাষাৰ চাগৈ আজিকালি ধোঁৱাচাঙত উঠিল। বঁটা বা পুৰস্কাৰে ছাত্ৰ-ছাত্ৰীৰ মনত উদ্‌গনি যোগায়। বৰ্তমানৰ চৰকাৰে হাইস্কুল হাইমাদ্ৰাছা শেষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা সকলক 'লেপটপ' একোটিৰে আনন্দৰাম বৰুৱা বঁটা প্ৰদানৰ যি ব্যৱস্থা হাতত লৈছে সেয়া প্ৰশংসনীয় যদিও 'লেপটপ' বিতৰণে শিক্ষাৰ নৈতিকতা কিমান বৰ্তাই ৰাখিব পাৰিছে সেয়া কিন্তু বিচাৰ্য বিষয়। 'লেপটপ' হাতত পৰাৰ পিছত চাইবাৰ ক্ৰাইমৰ দৰে অপৰাধৰ কাম নকৰি ছাত্ৰ-ছাত্ৰীসকলে দেশৰ দহৰ উন্নতিৰ দিশত মনোযোগ দিলেহে আনন্দৰাম বৰুৱাৰ নামত দিয়া বঁটাৰ মূল্যায়ন সাৰ্থক হ'ব। ছাত্ৰ-ছাত্ৰীসকলক আনন্দৰাম বৰুৱা সম্পৰ্কীয় এখন গ্ৰন্থ দিব পাৰিলেও (বটাঁ প্ৰদানৰ দিনা উপহাৰ হিচাপে) বেয়া নহয়।

বৰ্তমান আমাৰ সমাজখনত সৎ আৰু নিষ্ঠাৱান লোকৰ অভাৱেও নৈতিকতাৰ অৱক্ষয়ত সহায় কৰিছে।আমাৰ বৰ্তমান শিক্ষা ব্যৱস্থাই সততা আহৰণ কৰিবলৈ দিয়াৰ পৰিৱৰ্তে আমাক বাণিজ্যিকীকৰণ হ'বলৈ উৎসাহ যোগোৱাতহে সহায় কৰিছে। কোনো কোনো কাৰ্যালয়ৰ মুৰব্বীজনেই যদি পলমকৈ আহে তেখেতৰ সহকাৰীসকল পলমকৈ নাহিব কিয় ? এপি.এচ.চিৰ পৰা বিদ্যালয়ৰ পৰিদৰ্শকৰ কাৰ্যালয়লৈকে,ঠিকাদাৰৰ পৰা গাঁৱৰ গাওঁবুঢ়াজনলৈকে,জিলা পৰিবহন কাৰ্যালয়ৰ পৰা বিশ্ববিদ্যালয়ৰ অধ্যাপক গৰাকীলৈকে (কোনো কোনো ব্যক্তি) গৱেষক পণ্ডিতৰ পৰা
কোষাগাৰৰ পিয়নজনলৈ কোনো কোনো লোক অনৈতিক কামত নিমজ্জিত হৈছে।



পূৰ্বৰ "উপদেশতকৈ আৰ্হি ভাল" শীৰ্ষক কথাষাৰৰ দিন উকলিল। কিয়নো সকলোতে কেৱল অনৈতিক কাৰ্যই সংঘটিত হৈ আছে। বিদ্যালয়ৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ কথাই ধৰি লওকচোন। পঁচিশ বছৰ শিক্ষকতা কৰা এগৰাকী শিক্ষকৰ ককায়েক ঢুকাল অলপতে। ঘৰখনৰ দায়িত্ব উক্ত শিক্ষকজনৰ ওপৰতে পৰিছে। পোন্ধৰ দিনৰ ছুটি ল'লে শিক্ষকজনে। অতি পৰিতাপৰ কথা উক্ত পোন্ধৰ দিনৰ ছুটি গ্ৰাহ্য কৰিবলৈ শিক্ষকজনে কাৰ্যালয়ত এহেজাৰ টকা ভেটি দিব লগা হৈছে। আমি জানিবলৈ পাই অতি দুখ অনুভৱ কৰিছো যে মাহিলী দৰমহা অথবা অন্যান্য বকেয়া ধন পাবলে হ'লেও কৰ্মচাৰী সকলে এনেকৈ উৎকোচ দিবলগীয়া হয়।


শেহতীয়া ভাৱে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ কাৰ্যসূচীৰ প্ৰমাণ পত্ৰ সংগ্ৰহ কৰিবলৈ যোৱা দুখীয়া দৰিদ্ৰলোকৰ পৰাও গাওঁবুঢ়াকে আদি কৰি কিছু সংখ্যকলোকে ধন সংগ্ৰহৰ দৰে অনৈতিক যি কাৰ্য সংঘটিত কৰিছে - সঁচাকৈয়ে লজ্জাজনক ঘটনা। অনৈতিক কাৰ্যকলাপ যে অকল গ্ৰামাঞ্চলতেই ঘটিছে এনে নহয়,- কলেজ,বিদ্যালয় চৰকাৰী কাৰ্যালয়টো অলেখ ঘটনা ঘটিছে। অনুসূচীত জাতি ,জনজাতিৰ বাবে যিবোৰ জাতিগত প্ৰমাণ পত্ৰ থাকে - সেইবোৰতো অনৈতিক কাৰ্যকলাপ সংঘটিত হৈছে। সদৌ অসম অনুসূচীত জাতি যুৱ ছাত্ৰ পৰিষদৰ মুখপাত্ৰ এজনে এই নিৰন্ধকাৰক জনাইছে যে অসমৰ বিভিন্ন চৰকাৰী বিদ্যালয় ,মেডিকেল কলেজ ,ইঞ্জিনিয়াৰিং কলেজ,চৰকাৰী কলেছ ,বিশ্ববিদ্যালয় পৰ্যায়তো নকল জাতিগত প্ৰমাণ পত্ৰৰে নিজকে উচ্চ জাতিৰ বুলি জাহিৰ কৰি থকা বহুতো ব্যক্তিয়ে চাকৰি কৰি আছে। প্ৰকৃততে অনুসূচীত জাতিৰ অতি দৰিদ্ৰ লোকসকল উক্ত সুবিধাৰ পৰা বঞ্চিত হৈছে।শিক্ষাই মানুহক জ্ঞান দিয়ে।কিন্তু এচাম শিক্ষিত লোকেও জাতিগত নকল প্ৰমাণ পত্ৰৰে চাকৰি কৰি থকাৰ ফলত প্ৰকৃতাৰ্থত সঁচা অনুসূচীত লোকৰ (জাতিটোৰ) একো উন্নতি হোৱা নাই। চৰকাৰে অৰ্থনৈতিক ভাৱে নিশকতীয়া সকলৰ বাবেহে এনেবোৰ সংৰক্ষণ ব্যৱস্থা ৰাখিব লাগে।



শিক্ষাই মানুহক মানুহ কৰি গঢ়ি তোলাৰ ব্যৱস্থা কৰিব লাগে। সৰ্বশিক্ষাৰ নামত চৰকাৰী যি ভেকোভাওনা শিক্ষা প্ৰদানৰ সৃষ্টি কৰিছে - যাৰ ফলত বেছিভাগ ছাত্ৰ ছাত্ৰীয়ে ( সৰ্বশিক্ষা) জীৱনৰ বুনিয়াদ গঢ়িবলৈ উপযুক্ত পৰিৱেশ পোৱাত বাধাপ্ৰাপ্ত হৈছে। হাইস্কুল শেষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণ হোৱাৰ লক্ষ্য আগত ৰাখি বিদ্যালয়সমূহৰ পৰিদৰ্শকে বিদ্যালয়বোৰত যি অধ্যাদেশ দিছে - তাৰ ফলত কি হ'ব? পৰীক্ষাত এশ শতাংশ পোৱাজনহে উপযুক্ত নাগৰিক নেকি? মানুহ গঢ়াৰ কমাৰশালত ভাল ছাত্ৰ-ছাত্ৰী গঢ়িবলৈ হ'লে ভাল মানুহ হোৱাৰ - নৈতিকভাৱে চহকী হোৱা, দেশৰ শিক্ষা সমাজ-সাংস্কৃতিক বিশ্বায়নৰ পৰ্যায়ত প্ৰদৰ্শন কৰা আৰু চিন্তা-চৰ্চা গৱেষনাৰে নতুন নতুন উদ্ভাৱন আদিত গুৰুত্ব দিয়াৰ কথা ভাৱিবৰ সময় সমাগত। বিশ্ববিদ্যালয় পৰ্যায়ত নৈতিক শিক্ষাৰ পুনৰ প্ৰচলনত গুৰুত্ব দিব লাগে।যোৱা কিছু দিনৰ পৰা আমি অনুভৱ কৰিছো যুৱক-যুৱতী আৰু বিভিন্ন পৰ্যায়ৰ ব্যক্তিসকলৰ কিছু অংশই সহজলভ্য ধনৰ পিছে পিছে দৌৰি আছে। বিশেষকৈ যুৱ চামৰ কোনো কোনোৱে অতি জঘন্য কাম কিছুমান সংঘটিত কৰি সমাজখনক বিপথে পৰিচালিত কৰিছে।এয়া নিতান্তই অতি দুখলগা কথা। কৰ্মসংস্কৃতিৰ প্ৰতিও মানুহৰ নেতিবাচক দিশটোহে প্ৰতিফলিত হৈছে। এজন ভাল মানুহে গেলি পচি যোৱা সমাজখন ভাল কৰিব নোৱাৰে। এজনৰ ঠাইত বহুজন হ'ব লাগিব।ৰাজনৈতিক নেতাসকলৰ টুলুঙা মন্তব্যবোৰে সমাজখনক বিপথে পৰিচালিত কৰিছে। সমাজৰ নেতৃস্থানীয় সকলৰো সৰহ সংখ্যকেই নিৰৱ ভূমিকা পালন কৰিছে।

সাপেহে সাপৰ ঠেং দেখাৰ দৰে আমাৰ সমাজ ব্যৱস্থাত এনে অনৈতিক কাৰ্যকলাপে নৈতিকতাৰ অৱক্ষয় ৰোধত কেনেকৈ সহায় কৰিব।

মানৱ উন্নয়নৰ প্ৰধান আহিলা হৈছে শিক্ষা ব্যৱস্থা। প্ৰকৃততে শিক্ষাক ৰাষ্ট্ৰীয় নীতিৰ সুবাদত নানান প্ৰকাৰে পৰিচালিত কৰিব বিচৰা হৈছে যদিও চিন্তাবিদসকলে  ওপৰত উনুকিওৱা সৰু সৰু কথাবোৰতো গুৰুত্ব দিয়া ভাল। শিক্ষা বৰস্থাই নৈতিকতাৰ দুৱাৰখন সদায়ে যুগজয়ী কৰি ৰাখিবলৈ যত্নপৰ হওক। শিক্ষাইহে মানৱীয় প্ৰমূল্য বৰ্তাই ৰাখিব পাৰিব। নহ'লে নৈতিকতাৰ অৱক্ষয়ে আমাৰ সমাজ ব্যৱস্থাক কোঙা কৰিব আৰু মানৱ গঢ়াৰ কমাৰশালখনত ঘূণে ধৰিব।







# শিশুৰ বিকাশত মাতৃৰ ভুমিকা

হৰেন শইকীয়া, প্ৰঃ শিঃ,
কমাৰবন্ধা বালিকা প্ৰাঃ বিঃ,
গোলাঘাট পূৱ শিক্ষাখণ্ড।

(১)

জীৱনক আমি ভাল পাওঁ। নিজৰ জীৱনক ভাল পোৱা পিছতে আটাইতকৈ বেচি ভাল পাওঁ আমাৰ নিজৰ সন্তানক। যেতিয়া পিতৃ-মাতৃয়ে ভবামতে বা নভবাকৈয়ো সন্তানে পঢ়া-শুনা কৰি সকলো দিশতে সফলতাৰে কৃতকাৰ্যতা লাভ কৰে তেতিয়া পিতৃ-মাতৃৰ হিয়া আনন্দৰে উপচি পৰে।

এগৰাকী মাতৃৰ গৰ্ভত সন্তানে স্থান লোৱা দিনৰ পৰাই সন্তানৰ ওপৰত মাতৃৰ ভুমিকা নিৰ্ভৰ কৰে। খাদ্য, পৰিবেশ, আচৰণ, আবেগ, সৌন্দৰ্য প্ৰিয়ৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰে। সন্তানৰ গালৈ পিতৃ-মাতৃৰ দুয়োৰে পৰা জিনীয় প্ৰভাৱ কঢ়িয়াই আনে যদিও এই লিখাটোত কেৱল সন্তানক কি দৰে এগৰাকী মাতৃয়ে সু-সন্তান গঢ়িব পাৰে সেই বিষয়ে আলোচনা কৰিম।

মাতৃ গৰাকী সন্তানৰ পথ প্ৰদৰ্শক। আপোনাৰ সন্তানটোৱে বহু শক্তি আৰু সম্ভাৱনা লৈ পৃথিৱীলৈ আহিছে। সেই শক্তি আৰু প্ৰতিভাময় সম্ভাৱনাবোৰ সম্পূৰ্ণ বিকাশ আৰু প্ৰস্ফুটিত হোৱাত মাতৃৰ হিচাবে মাকৰ প্ৰধান আৰু প্ৰথম কৰ্তব্যৰ লগতে এৰাব নোৱাৰা দায়িত্ব। কেৱল খাবলৈ আৰু পিন্ধিবলৈ দি খেলা-ধূলা কৰোৱা বা বিদ্যালয়লৈ পঠোৱাতে সীমাবদ্ধ নহয় ।

সৰুতে সকলো শিশুকে, যেতিয়া তাৰ চকু , কাণ, চুলি. আঙুলি আদি কোনটো শোধা হয়। লগে লগে নিৰ্ভুল ভাবে উত্তৰ দিয়ে কিন্তু ডাঙৰ হোৱাৰ পিছত সম বয়সৰ ল'ৰা বা ছোৱালীতকৈ পুথিগত শিক্ষা আৰু অন্যান্য সাধাৰণ জ্ঞানত বহু ক্ষেত্ৰত পিছ পৰে । ইয়াৰ মূলতে মাক-দেউতাক আৰু ঘৰুৱা পৰিবেশেই মূলত দায়ী।

শিশুৱে যিকোনো বিষয় জানিবলৈ যথেষ্ট উদগ্ৰীৱ হৈ থাকে । শিশুৱে শোধা প্ৰতিটো কৌতূহলী প্ৰশ্নৰে যথাসাধ্য উত্তৰ দিব লাগে। নোৱাৰিলে ভেকাহি মাৰিব নালাগে। পিছত আনৰ পৰা জানি হ'লেও শুদ্ধ উত্তৰ দিয়া উচিত। সাধাৰণতে শিশুৱে তাৰ চাৰিওফালে দেখা জগত খনৰ বিষয়ে মাত ফুটাৰ পৰাই শোধিবলৈ আৰম্ভ কৰে। শিশুৰ চিন্তাশক্তি এজন প্ৰাপ্ত বয়স্ক ব্যক্তিতকৈ বহুত বেচি। সিহঁতে প্ৰতিটো কথাই খৰচী মাৰি জানিব বিচাৰে। বহু ক্ষেত্ৰত দেখা যায় প্ৰশ্ন কৰি কৰি শেষত এটা জটিল প্ৰশ্ন কৰে যাৰ উত্তৰ পিতৃ-মাতৃৰ ওচৰত নাথাকে। উত্তৰ নাথাকিলেও শিশুৰ যুক্তিৰ পৃথিৱীখনৰ পৰা পলাব নালাগে বা ভুল উত্তৰ দিব নালাগে।



(২) শিশুৰ শিক্ষাত মাতৃৰ ভূমিকা-------

বাৎসল্য প্ৰেমৰ শুদ্ধ প্ৰতিমূৰ্তি মাতৃৰ মমতা-মৰমৰ মহত্ত্ব অসীম আৰু অনন্ত। যিটো শিক্ষা পিতৃ বা শিক্ষা গুৰুৱে বহু চেষ্টা কৰিও দিব নোৱাৰা শিক্ষা, মাতৃয়ে তেওঁৰ অকৃত্ৰিম মৰম স্নেহেৰে এবাৰতে শিকাই দিব পাৰে। মাতৃ সন্তানৰ কাৰণে কেৱল মৰম ভালপোৱা অক্ষয় ভাণ্ডাৰেই নহয়। মাতৃ হ'ল সন্তানৰ বাবে প্ৰথম শক্তি অভিজ্ঞতাৰ ভঁৰাল। মাতৃৰ অভিজ্ঞতা জ্ঞানৰ ভঁৰালৰ পৰা এপদ এপদকৈ জ্ঞানৰ শক্তিৰ জৰিয়তে শিক্ষা লৈ আগবাঢ়ি যোৱাত সহায় কৰে। বুকুৰ অমৃত পান কৰাই বুকুৰ উম, হাতৰ আঙুলিত ধৰি খোজৰ কঢ়াৰ অভ্যাস, মৰমৰ মিঠা মাতে মুখত শব্দ আৰু ভাষা দিয়ে। প্ৰতিজন মানুহৰ বাবে প্ৰথম আৰু প্ৰধান ঈশ্বৰ মাতৃৰ লগতে পিতৃয়েই।

এই বিশ্বত বেলেগকৈ ক'তো ঈশ্বৰ আৰু ধৰ্ম নাই। একমাত্ৰ ঈশ্বৰ 'মা'। মাতৃয়ে সন্তানক দেখুৱাব লাগে শিক্ষাৰ জৰিয়তে সু-নিৰ্দিষ্ট পথ আৰু সন্তানে মাতৃৰ লগতে পিতৃৰ প্ৰতি থকা কৰ্তব্য আৰু দায়িত্ব পালন কৰাই মানুহৰ প্ৰথম আৰু প্ৰধান স্বত্বত মানৱ ধৰ্ম। 'মা' মানেই শিশু, কিশোৰ, ডেকা-ডেকেৰী, বুঢ়া-বুঢ়ীৰ সকলোৰে মাতৃ।

শিক্ষকে শিশুক কিতাপৰ শিক্ষা দিয়ে। মাতৃয়ে জীৱনৰ। জীৱনৰ মৰম,ভাল পোৱা, প্ৰেম, আবেগ,ধৈৰ্য, সাহস, বুদ্ধিমৰ্তা, ক্ষমা,দয়া,আৰু সৃষ্টিশীলৰ বহল এটা মন। অৰ্থাৎ মাতৃয়ে পৃথিৱীৰ শিক্ষা দি জীৱনৰ ভেটি গঢ়ে। যি ভেটিত উঠিয়েই শিক্ষক-শিক্ষয়িত্ৰীয়ে দেখুওৱাই আকাশ মহাকাশলৈ উৰা সপোনৰ বাট। যি দৰে ভেটি নবন্ধাকৈ পকাঘৰ সাজিব নোৱাৰে সেইদৰে মাতৃ আৰু ঘৰখনৰ শিক্ষাৰ অবিহনে সন্তানেও প্ৰকৃত শিক্ষা ল'ব নোৱাৰে। বৰ্তমান কেৱল কিতাপৰ শিক্ষাই মানুহৰ জীৱিকা জীৱন নিৰ্বাহৰ আহিলাহে। সেই কাৰণে বৰ্তমান সমাজত সকলো দিশতে স্বচ্ছন্দ্য জীৱন যাপন কৰা পিছতো নিজ পিতৃ-মাতৃক এৰি চলাৰ প্ৰয়াস কৰে।

বৰ্তমান সমাজ একক পৰিয়াল । পৰিয়ালত কেৱল মাক-পিতাক আৰু কিছু কিছু পৰিয়ালত ককাক আইতাকৰ বাহিৰে আন নাথাকে। আগৰ দিনত এটা পৰিয়ালত ককাক-আইতাকৰ বাহিৰেওঁ বৰদেউতা, দদায়, বৰমা, খুড়ী ,পেহী আৰু তেওঁলোকৰ সন্তান আদিৰে ভৰপুৰ আছিল। পৰিয়ালৰ সকলো সদস্য-সদস্যাৰ মৰম-স্নেহত শিশুৱে শিক্ষা গ্ৰহন কৰি সামাজিক ক্ষেত্ৰৰ বহু কথাই শিকি আগবাঢ়িব পাৰিছিল।

বৰ্তমান পৰিয়ালত কিন্তু মাকেই সন্তানৰ গুৰু দায়িত্ব বহন কৰিব লাগে। মাতৃ সকলে পিতৃৰ সহযোগত সন্তানক গঢ়ি সুস্থ-সবল নাগৰিক হিচাবে গঢ়ি তুলিব লাগিব। মানুহৰ যি ভাল-বেয়া লাৱন্যই সমাজক আগুৰি আছে । সেই ভাল-বেয়া "পৰিবেশৰ বাবে শিক্ষা" দি যি কোনো পৰিবেশত খাপ খাব পৰাকৈ সন্তানক চিনাকী কৰাব লাগিব মাতৃৰ লগতে পিতৃয়ে।

সন্তানক সময় দিব নোৱাৰাকৈ যদি পিতৃ-মাতৃয়ে কৰ্ম সংস্থাপন (চাকৰি) কৰে । প্ৰয়োজন হ'লে যিকোনো এজনে অন্ততঃ সন্তানৰ দহ বছৰ বয়সলৈকে চাকৰি পৰা অব্যাহতি ল'লেহে সন্তানৰ মংগল হয়। মনত ৰাখিব লাগিব আমি আমাৰ সন্তানৰ বাবেহে কৰিছোঁ। বহল অৰ্থত আমি প্ৰত্যেকেই এটা প্ৰজন্মই পিছৰ প্ৰজন্মৰ বাবে এটা সুন্দৰ পথ নিৰ্মান কৰি থৈ যোৱাতোৱে মানুহ জন্মৰ সাৰ্থকতা।

মাকৰ অলক্ষিতেই সন্তানে তেওঁৰ পৰা সকলো প্ৰকাৰৰ শিক্ষা গ্ৰহন কৰে। গতিকে সন্তান জন্মৰ পিছতে মাতৃৰ ভূমিকা অপৰিহাৰ্য হৈ পৰে। ইন্দিয় জ্ঞানযুক্ত শিক্ষা --যাক কোৱা হয় জ্ঞানৰ আধাৰ। চকু মেলি হাঁহিবলৈ লোৱাৰ পৰাই শিশুৱে মাকৰ পৰা শিকে। মাকে পাকঘৰত আহাৰ প্ৰস্তুত কৰে আৰু সন্তানে মাকৰ লগত থাকি নিৰীক্ষন কৰে। এই নিৰীক্ষনৰ জৰিয়তে শিশুক আলু, পিয়াঁজ, দাইল, কুকাৰ স্তভ' চিলিণ্ডাৰ, বিলাহী, নিমখ, হালধী আদি চিনাকী লগত চিনাকী হয়। ৰঙৰ ধাৰণা, সংখ্যা জ্ঞান আদি শিকে । মাকৰ লগত বস্তুবোৰৰ আদান-প্ৰদান কৰোতে শৰীৰ সঞ্চালন, মাংসপেশী সঞ্চালনৰ জৰিয়তে সূক্ষ্মপেক্ষী আৰু স্থূলপেক্ষী বিকাশ হয়। কামৰ মাজতে মাকৰ মৌৰ দৰে গুণ গুণাই থকা গানৰ কলিৰ গুণ-গুণ শুনি, কনমানি মগজুত একোটা সুৰৰ সৃষ্টি কৰে । শিশুৰ কনমানিৰ পৃথিৱীখনৰ আৱেগিক জগতখনৰ লগতে মানসিক জগতখনো শক্তিশালী কৰে।

সময় আৰু মানুহৰ জীৱন প্ৰণালীৰ উত্তৰণত কালিৰ মানুহে যিটো বিষয় ওপৰত গুৰুত্ব দিছিল। আজি মানুহে জীৱন দৰ্শন আৰু ভাব-চিন্তা বহুত সলনি হ'ল। কালিলৈকে আমি বিদ্যালয়ৰ শিক্ষাৰ বাবে বিদ্যালয়লৈ যাবই লাগিব বাধ্যতামূলক আছিল । আজি শিক্ষা ল'বলৈ বিদ্যালয়লৈ নোযোৱাকৈয়ে অন লাইন , দূৰ শিক্ষা আদিৰ জৰিয়তেও ল'ব পাৰি। আজিৰ পৰা কেইবছৰ মানৰ আগতে কল্পনা কৰা বহু বস্তু বৰ্তমান আমাৰ অত্যাৱশ্যকীয় সম্পদৰ লগতে জীৱন যাপনৰ এৰাব নোৱাৰা দেহ আৰু মনৰ আংগিক সম্পদ হৈ পৰিছে।

আজি পৃথিৱীত বিজ্ঞানেই ত্ৰানকৰ্তা ঈশ্বৰ। আজি সন্তান জন্মৰ আগতে পিতৃ-মাতৃৰ তেজ , জিন পৰীক্ষা কৰা লগতে আন বহুতো পৰীক্ষা কৰাৰ পিছতহে সন্তান জন্ম দিয়া হয়। নি-সন্তান সকলেও চিকিৎসাৰ বিজ্ঞানৰ সহায়ত সন্তান জন্ম দিয়াতো সহজ লভ্য হৈ পৰিছে। জীৱনৰ প্ৰতিখোজতে বিজ্ঞানৰ অৱদানৰ ওপৰত নিৰ্ভৰশীল।

প্ৰত্যেক মাতৃৰে জীৱনত শিশু এক অপৰিহাৰ্য আৰু অবিচ্ছেদ অংগ। প্ৰতি গৰাকী মাতৃয়ে নিজৰ সন্তানক ঈশ্বৰ বিশ্বাসৰ বিপৰীতে আত্মবিশ্বাস আৰু যুক্তিবাদী হ'বৰ বাবে সত্যৰ সন্ধান দেখুৱাব লাগিব। ঈশ্বৰে দিব, ঈশ্বৰৰ ওচৰত শৰণাপন্ন হ'বলৈ দিয়াৰ পৰা বিৰত ৰাখি মানৱতা আৰু প্ৰকৃতিৰ নিয়মৰ ওপৰত নিৰ্ভৰ কৰিব পৰাকৈ সৰুৰে পৰা মাতৃৰ লগতে পিতৃয়েও সহযোগ কৰি শিশুক আগুৱাই নিব লাগিব।

এবাৰ এখন বিদ্যালয়ত শিক্ষকে ছাত্ৰ এজনৰ মাকক মাতি আনি ছাত্ৰজনৰ বিষয়ে এখন চিঠি দিলে। চিঠিখন পোৱা পিছত মাকে নিজৰ ল'ৰাটোক বিদ্যালয় নিবলৈ এৰি, ঘৰতে যি পাৰে পঢ়োৱা লগতে জীৱন সম্পৰ্কে দৈনিক কামৰ মাজতে পাঠ দিবলৈ ধৰিলে। ল'ৰাজনে মাকক প্ৰশ্ন কৰিলে, তাক কিয় বিদ্যালয়লৈ যাবলে দিয়া নাই। তেতিয়া মাকে অতি মৰম আৰু আবেগেৰে কৈছিল , " সোনটো তুমি বিদ্যালয়ৰ ভিতৰতে আটাইতকৈ বেছি চোকা ছাত্ৰ। সেই বিদ্যালয়ৰ ছাৰ সকলে তোমাক পঢ়াব নোৱাৰে । সেইবাবে এইবছৰ তোমাক ঘৰতে পঢ়াই ,এইখন বিদ্যালয়ৰ ছাৰ সকলতকৈ চোকা ছাৰ থকা বিদ্যালয়ত নাম লগাম। ছাত্ৰজনে শিক্ষা লৈ এদিন প্ৰতিস্থিত হ'ল। সন্তান প্ৰতিস্থিত হোৱাৰ পিছত মাকলৈ শিক্ষকে দিয়া চিঠিখন নিজৰ প্ৰতিস্থিত সন্তান জনক দেখুৱালে। চিঠিত লিখা আছিল। "তোমাৰ ল'ৰাটো পঢ়া-লিখাত বহুত গাধা এনে এটা মূৰ্খ ল'ৰাক পঢ়াবলে আমি আমাৰ সময় খৰছ কৰিব নোৱাৰো।" কেনেদৰে শিক্ষকে গাধা আৰু মূৰ্খ বুলি কোৱা সন্তানকো কি দৰে মাকে মেধা কৰিছিল ।নিশ্চয় মমতাময়ী মাতৃৰ স্নেহেৰে।



ভাগৱত পুথিত দানৱ আৰু দেৱতাৰ মাজত সমুদ্ৰ মন্থনৰ কথা উল্লেখ আছে। সেইয়া কেৱল কল্পনা এক ৰসাল কাহিনী । সেই সময়ৰ হোজা সহজ-সৰল নিৰক্ষৰ মানুহক এক কাল্পনিক জগতলৈ নি দানৱ আৰু দেৱতা সমুদ্ৰ মন্থন কৰি কি দৰে অমৃত আৰু বিষ দুয়োটাই উৎপাদন কৰি কোনটোৱে কি কৰে সুন্দৰ বৰ্ননা দিছে। আচলতে অমৃত মন্থন হৈছে মানুহৰ মন মগজুৰ মন্থনহে। মানুহ মন আৰু দেহ লৈ গঠিত। মনৰ অবিহনে মানুহৰ দেহৰ কোনো গুৰুত্ব নাই। তেনেদৰে দেহৰ অবিহনে মনৰ অস্তিত্ব নাই। মানুহৰ মগজুৱেই হ'ল মনৰ বাসস্থান। মন এক দ্ৰুতবেগী ব্যৱস্থা। মনৰ সমান বেগী দ্বিতীয় এটা বস্তু নাই। সেই মনকে মাতৃ সকলে অমৃত মন্থনৰ দৰে মন্থন কৰি নিজৰ সন্তানক অমৃতৰ পথ প্ৰদৰ্শক কৰাব লাগিব। অমৃত মানে কেৱল সন্তানক শিক্ষিত কৰি ভাল উপাৰ্জন থকা চাকৰী ব্যৱসায় কৰা অমৃত নহয়। ই জীৱনৰ ভাল-বেয়া সুন্দৰ অ-সুন্দৰ আবেগ
সমাজক ভাল পোৱা আদি গুণ সমুহ আয়ত্ব কৰাহে মূল বিষয়। ড° বাসুদেৱ শৰণৰ মতে, "মানুহৰ আন এটা নাম সমুদ্ৰ।" গতিকে সুন্দৰ জীৱন যাপনৰ বাবে মাতৃ সকলে সন্তানক অমৃত মন্থন কৰি বিষখিনি আতৰাই অমৃত পান কৰালেহে আমাৰ ভবিষ্যত সুন্দৰ হ'ব। দেহৰ তৃপ্তি ভোগ উপভোগ কেৱল আসুৰিক চিন্তন। আসুৰিক চিন্তনৰ পৰাই সৃষ্টি হয় ব্যক্তি কেন্দ্ৰীক লোভ, মোহ আৰু কামনা। মনৰ তৃপ্তিৰ পৰা সৃষ্টি হয় সুখ ,শান্তি আবেগ আৰু সামাজিক দায়বদ্ধতাৰ লগতে মানুহৰ প্ৰতি ভাল পোৱা প্ৰেম আত্মবিশ্বাস আৰু আত্মসন্তুষ্টি।

এবাৰ এজন বিখ্যাত চিত্ৰকৰে নিজৰ মাতৃৰ বিষয়ে কৈছিল, মোৰ মাই যেতিয়া, মোৰ প্ৰথম আক-বাক কৰা ছবিখন দেখি মৰম আৰু প্ৰেৰণা দি বুকুত সাবটি দুগাল চুমাৰে ওপচাই দিছিল। সেইদিনাই মই এজন চিত্ৰকৰ হোৱাৰ সপোন দেখিছিলো। আজি এজন চিত্ৰকৰ হিচাবে নাম হোৱা মানুহ জন 'মা'ৰ কৃপাধন্য। মাতৃ পুতলী বাঈৰ বাবে মোহনদাস কৰমচাদ্ গান্ধী, "সত্য অন্বেষণ" পূজাৰী 'মহাত্মা গান্ধীলৈ' ৰূপান্তৰ হৈছিল। মাতৃ নান্সি এডিছনৰ বাবে টমাছ আলভা এডিছন যুগান্তৰ কাৰি বিজ্ঞানী আৰু আবিষ্কাৰক হৈছিল। মাতৃ জীৱিত কাললৈকে প্ৰতিটো সফলতাৰ আনন্দৰ ভাগ প্ৰথমে মাতৃক দিছিল।

(৩) শিশুৰ অপৰাধ প্ৰৱনতাৰ আৰু পিতৃ-মাতৃৰ দায়বদ্ধতা-----

শিশুৰ বিকাশপ্ৰাপ্ত মানসিক দিশত, পিতৃ-মাতৃ আৰু অভিভাৱকৰ মানসিক দিশৰ একো একোটা নক্সা বুলি ক'লেও বঢ়াই কোৱা নহয়। মাতৃ আৰু পিতৃৰ দৈনিক চাল-চলন আচৰণে শিশুক প্ৰতি মুহূৰ্ততে আকৰ্ষিত কৰে। আনকি এটা সৰু শব্দয়ো মাত ফুটা পিছত ভাষা আকাৰে প্ৰকাশ ঘটে। সাধাৰণতে শিশুৱে মাক-দেউতাকৰ মাজতে থাকি উঠা-বহা,খোজ কঢ়া, কথা কোৱা আৰু অন্যান্য আচৰণ সমুহ অনুকৰণ কৰি শিকে। মাক-দেউতাকৰ উদ্ধত আচৰণ আৰু নীতিহীন আদৰ্শ আঁত ধৰি শিশুৱে বিপথগামী আচৰণ কৰিবলৈ শিকে। মাক-দেউতাকৰ আচৰণ শিশুৰ গাত প্ৰতিফলিত হয় । অথচ পিতৃ-মাতৃয়ে সেই বিলাক নিজৰ আচৰণ বুলি নাভাবি শিশুটোৰ পৰা আতৰাবলৈ বিচাৰে। শিশুটিৰ পৰা আতৰোৱা আগতে নিজৰ আচৰণ পৰিবৰ্তন কৰি ল'ব লাগিব।

শিশুৰ আনন্দ-উল্লাস , খেল প্ৰৱনতা, কৌতূহ'ল, নিৰাপত্তাৰ মনোভাৱ আদিক আওকান কৰি কেৱল শাসন কৰি নিৰ্দেশ দি শিশুক ভাল পথলৈ আনিব নোৱাৰে। সন্তানক পুৱা একতা-মৰমৰ উপদেশ দিব আৰু গধূলী মাক-বাপেকৰ মাজত কাজিয়া কৰা দেখিব। বাপেক সন্ধিয়াৰ ৰাগিত অকলসৰে শুই থাকিব। মাক- বাপেক দুয়ো মোবাইল ফোনত ব্যস্ত থাকিব। সেই পিতৃ-মাতৃৰ পৰা শিশুৱে শিকাৰ সলনি আত্মদন্দত ভুগিব লগা হয়। ফলশ্ৰুতিত মাক-পিতাকৰ অলক্ষিতে সন্তান বিপথগামী হ'বলৈ এদেও-দুদেও চেও ধৰি আগবাঢ়ে।

মাতৃৰ ওপৰত পিতৃৰ অনুশাসন যৌন সম্ভোগ আদি ভিন্ন কাৰকে ল'ৰা আৰু ছোৱালীৰ ওপৰত বিপৰীত ক্ৰিয়া কৰে। অথাৎ ল'ৰাই নাৰীৰ ওপৰত লুলুপ দৃষ্টি আৰু ছোৱালীয়ে পুৰুষৰ ওপৰত প্ৰেম প্ৰতাৰণা কাৰক সমুহ নিদিষ্ট সময়ত অৱচেতন মনত হোৱা চিন্তন সমুহে বাস্তৱ ৰূপত প্ৰকাশ ঘটিলেও আচৰিত হ'ব লগা কাৰণ নাথাকে।

এই সমস্যা সমুহৰ পৰা শিশুক আতৰাই ৰাখিবলে হ'লে পিতৃৰ লগতে মাতৃৰ কৰণীয় বহুত থাকে। শিশুটোক কাৰো লগত তুলনা কৰিব নালাগে। তুলনা কৰিলে শিশু মানসিক অৱস্থা ভাগি যায়। আনকি বয়স্ক ব্যক্তিৰেও তুলনা সহ্য কৰিব নোৱাৰে। বহুতো মাকে নিজৰ সন্তান ভাল আৰু মেধা হোৱা আশাৰে , সন্তানক কয়, " তোমাতকৈ আমুক বহুত চোকা তুমি তেওঁৰ নিছিনা কিয় হ'ব পৰা নাই। প্ৰতি গৰাকী মাকে জানিব লাগে সন্তানটো তেওঁৰ। কোনো সন্তানেই আন এজন শিশুৰ নিছিনা নহয়। প্ৰতিটো শিশু বা প্ৰতিজন মানুহেই একক আৰু নিজস্ৱ গতিৰে আগবাঢ়ে। তুলনা কৰাতো অৰ্থহীন। এটা শিশুৱে ওচৰৰ আন এটা শিশুৰ লগত লগ ললে । সেই শিশুটো বেয়া তাৰ লগ নল'বা আদি ক'ব নালাগে। কেৱল তাৰ লগৰীয়া জনৰ বেয়া গুণখিনিহে লোৱাত বাধা দিব লাগে। শিশুৱে যাতে তাৰ লগৰীয়া কোন ভাল-বেয়া সৰুৰ পৰাই নিৰ্নয় কৰিব পৰা হয় বা চিনিবলে শিকাব লাগে। এই চিনাকী জৰিয়তে যাতে নিজৰ মনে ভাল পোৱা এজন বন্ধু গঢ়িব পাৰে।

(৪) শিশুৰ মানসিক বিকাশত নিচুকনি গীত আৰু সাধু কথাৰ প্ৰভাৱ----

নিচুকনি গীত শিশুৰ কোমল মনৰ পৰিচয়। কোমল সুৰীয়া গীতে শিশুৰ স্বভাৱজাত কল্পনা প্ৰৱনতাক নিচুকনি গীতে সুদৃঢ় কৰি তাৰ শ্ৰীবৃদ্ধিত সহায় কৰে। মাতৃৰ মৰমৰ গুণ-গুণ বা মোবাইলৰ কোমল স্বৰৰ কোমল সুঁৰীয়া গীতে শিশুৰ কল্প জগতৰ নান্দনিক মাধুৰ্য।

" আমাৰে মইনা শুব এই
বাৰীতে বগৰী ৰুব এই
বাৰীৰে বগৰী লাগি পকি সৰিব
আমাৰে মইনাই বুটলি খাব"

কি যে নান্দনিক এক মধুৰ সুৰৰ সুবাসত শিশুটোৰে শুনি কল্পনা ৰাজ্যত প্ৰৱেশ কৰি টোপনি যায় ।

কল্পনাৰ পক্ষী ঘোঁৰা দৌৰাবলৈ গীতত সুৰ ঢালি গায় "ৰ'দালি এ ৰ'দ দে
আলি কাটি জালি দিম
বৰপীৰা পাৰি দিম
তাতে বহি ৰ'দ দে'
ৰ'দালি মাকৰ তিনিডাল চুলি
ৰ'দালি পালেগৈ বিৰিণাৰ তলি।"

কি যে কল্পনা বিলাসনন্দন। ৰ'দালি মাকৰ আকৌ তিনিডালি চুলি। কল্পনা মনে পৃথিৱী ভেদি সূৰুজকাই ওচৰ পাবগৈ। মাতৃৰ মৰমসনা গীতত শিশুটি ভাঁহি ফুৰিব তাৰ সৰু সপোন ৰাজ্যত।

একেদৰে সাধুকথাই চিন্তন ক্ষমতা আৰু কল্পনাশক্তিৰ বিকাশৰ উপৰিও আত্মিক সম্পৰ্ক ৰক্ষা কৰাত সহায় কৰে।

(৫) শিশুৰ বয়স অনুযায়ী আচৰন-----

গৰ্ভত স্থিতি লোৱাৰে পৰাই শিশুৰ বিকাশ কাল আৰম্ভ হয় যদিও মাকে যদি কোনো প্ৰতিক্ৰিয়া নহয় বা পৰিবেশত সাধাৰণ ভাবে থাকে তাত বাহিৰৰ পৰিবেশৰ কোনো প্ৰভাৱ নপৰে। পিতৃ-মাতৃৰ উমহতীয়া চৰিত্ৰ বহন কৰি (কিছু ক্ষেত্ৰত মেন্দেলৰ সূত্ৰ প্ৰয়োগ হয়) সন্তান জন্ম হয়। মানুহৰ যি জিনেটিক চৰিত্ৰ তাক বহন কৰি প্ৰৰ্যায় ক্ৰমে আচৰণ সমুহ বিকাশ হয়। সুস্থ শিশু এটিয়ে নিদিষ্ট সময়ত নিজৰ আচৰন বিকাশ ঘটাবই। " এটা সুস্থ শৰীৰতহে সুস্থ মন থাকে।

(সাধৰণীকৰণ কৰি শিশুৰ বিকাশ স্তৰ থুলমূলকৈ ডাঙি ধৰা প্ৰয়াস কৰা হৈছে। মেধা বা অতি মেধা আৰু আসোঁৱাৰ যুক্ত শিশুৰ আচৰণ নহয়)

(ক) প্ৰথম বছৰতে শিশুটিয়ে খোজ কাঢ়িবলৈ শিকে। দুই এটা বৰ্ণযুক্ত শব্দ কয়। তাতকৈ সৰু কেঁচুৱা নিলে 'ৰ' লাগি চায়। মাক-পিতাকক অনুকৰণ কৰে। দ্বিতীয় বছৰত শিশুৱে ফুল পখিলা ৰং চাবলৈ শিকে। নিজৰ আত্মকেন্দ্ৰীকতা বিকাশ হয়। বাক্য ক'ব পৰা হয়। নিজৰ অংগ-প্ৰত্যঙ্গবোৰৰ লগত চিনাকী হয়। তৃতীয় বছৰত নিভুৰ্ল ভাবে নিজৰ নামটো চিনি পোৱাৰ লগতে ক'ব পৰা হয়। ফুল পখিলা ৰং আদি চিনিব পাৰে। সৰু উমলা নিচুকনি গীত লগে লগ সুৰ দি গাব পৰা হয় আৰু পদ্য আদি আবৃত্তি কৰি চতুৰ্থ বছৰত সলসলীয়াকৈ গাব পৰা হয়।

পুথিগত বৰ্ণ শব্দৰ লগত চিনাকী হ'লেও স্থায়ীত্ব নাথাকিবও পাৰে। সংখ্যা জ্ঞানৰ লগতে বৌদ্ধিকতা বিষয়ত ছুটি ছুটি উত্তৰ দিব পাৰে। পাঁচ বছৰত শিশুৱে ৰংৰ পাৰ্থক্য ধৰিব পৰা ওপৰিও কম অনুসাৰে যিকোনো বস্তুৰ সাজোন কৰিব পাৰে।

এবছৰৰ পৰা পাঁছ বছৰলৈকে শিশুক কেৱল খেল-ধেমালি আৰু হাতে-কামে খেলনা পুতলা আদিৰ জৰিয়তে শাৰিৰীক মানসিক আৰু বৌদ্ধিক বিকাশ কৰিব লাগে। নাম মাত্ৰও অনুশাসনৰ প্ৰয়োজন নাথাকে। কেৱল মৰম অনুকৰণৰ দ্বাৰা শিক্ষা দিব লাগে।

আজি শিশু কালিলৈ দেশৰ নাগৰিক। মাতৃৰ লগতে সমাজৰ সকলোৱে শিশুৰ উত্তৰণত সহায়-সহযোগ কৰিব লাগিব। মাতৃৰ লগত পিতৃ আৰু বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগত সমাজে হাতত হাত ধৰি আগ বাঢ়িলে শিশুৰ পৃথিৱীখন সুন্দৰ সৌন্দৰ্যৰে ভৰপুৰ হ'ব।






# The challenges of digital learning in school during COVID 19 led lockdown in India

**Rama Kant Rai.**
**National Convener at National Coalition for Education (NCE) India.**
**Academic Advisory Board Member at Politeknik, TÜRKISCHE ZEITUNG Germany**

India declared nationwide lockdown on March 24, 2020 and continued in phases, to contain the spread of the virus. As per the latest reports the Covid-19 has infected globally 5.8 Million people as confirmed infected cases and also claimed the lives of over .352 million people as on 27th May 2010. India too is facing the challenge of Covid-19 drastically. By latest reports the confirmed infected cases in India has reached to 158 K out of which 67692 cases have recovered and 4531 cases died due to Covid 19 till 28th May 2020.

It is assumed that India is not likely to lift its nationwide Covid-19 lockdown on even on 31st May 2020; rather the restriction could be extended further, according to a new study by American consulting firm Boston Consulting Group (BCG). As per the BCG report India will start lifting COVID-19 lockdown only between the fourth week of June and the second week of September
The delay in lifting the restrictions was attributed to challenges faced by India in terms of health system preparedness and record of public policy effectiveness. The report also suggested that India might witness a peak in the number of coronavirus cases by the third week of June.

Although India is helping more than 90 countries by medical supplies and other help and has been honoured the top rank in containing the Covid 19 menace by an American company yet everything is not out of doubt to cope up the challenge of school education for marginalized children of India .

The challenges of digital learning for children of marginalized sector during lockdown
Like many countries in the world started lockdown due to Covid-19, India also has closed all educational institutions, to contain the Covid-19 virus as a consequence of which, learners ranging from school going children to postgraduate students, are being adversely affected. The uncertainties surrounding the lockdown situation are likely to affect more than 320 million children in India. (UNESCO estimates that about 320 Million students are affected in India, including those in schools and colleges.)

Govt of India, Ministry of Home Affairs issued a notification on April 15, 2020, with guidelines to be followed during the lockdown period. As a result India started moving towards developing an online mode of education –a stop-gap arrangement. National online education platform SWAYAM and other digital initiatives have been introduced. The education portals of NCERT like Diksha, e-pathshala, NROER and NIOS and other ICT initiatives like online education, Videos like SWAYAM Prabha, DTH TV channels are introduced for online teaching purposes. And this initiative is not out of challenges for marginalized children of India.

India is also considered to be the biggest market for Massive Open Online Course (MOOCs) in the world after the USA. Since the population of India is huge, massive open online course (MOOC) is said to open gateways for lot of private companies to invest in digital education under MOOC in the name of distant education for Indian children. And this is likely to deprive the children from conventional school education programme and Right to Education.

(1) Digital learning a distant dream, for marginalized children in India.

As per the Economic Survey of 2019, 93 percent of the total workforce of the country is from the employed in the unorganized sector. However, government think tank NITI Aayog, (replacement of earlier Planning Commission) in a report released in 2018 said that 85 percent of the total workforce was a part of the unorganized sector. The Periodic Labour Force Survey 2017-18 showed that 71 percent of the regular/ salaried employees in the informal sector (non-agriculture) do not have a written job contract. 49.6 percent of them do not even apply for social security schemes and 54.2 percent do not get paid leave.

A halted business with no guarantee of a quick revival after the lockdown stares many in the face. Wedding planners, florists, tailors, washer men, fishermen, coal loaders, security guards, folk artistes, salon owners, among other small business owners and artisans, and those in seasonal employment are bracing themselves for the impact of the pause in their livelihoods.

The 75th report of the National Sample Survey Office (NSSO) for 2017-18 highlights some of the major issues that this new model would have to address. All India percentage of households having internet facilities stands at 23.8% with rural availability at 14.9% and urban at 42%.

In most of these unorganized sector workers the children are accompanied with their parents for some seasonal employment for more than six months. While the parents work in the unorganized units their children take care of new born siblings or do some supporting work.

In case where such children are enrolled in local private schools become drop out, once their parents go back to their native place. There no facility for such children to suit their schooling requirements as they are migrants. Thus a massive number of such children remain out of schools and are deprived of Right to Education. So the option of digital learning becomes a distant dream for them.

(2) Access of power supply and Internet connection:

The NSSO survey, quoted highlights that 26.1% of the population above 15 years of age is 'not literate', while a further 18.9% have attended formal education up till primary school, 16.2% each have attended middle (Class V) and secondary (until Class VIII). This constitutes a whopping 77.4% of total India's population – who may not have the adequate level of education needed to teach children in the house. The situation at the rural level is even direr, with 69.6 % of the population being in the spectrum of 'not-literate' to 'middle school'.

The Parliamentary Standing Committee of the Ministry of Electronics and Information Technology in its 2019 report suggested that the much-acclaimed digital literacy drive had touched only 1.67 per cent of the population even though at least three major flagship programmes were being run together.

Simply having smart phone or laptop doesn't mean that children have access to internet. The percentage of people who were able to use the internet (all-India) stood at 20.1% with rural at 13% and urban at 37.1%. Additionally, only 10.8% of people in India had used the internet in the last 30 days. It is important to note that these statistics vary vastly among different states across the country.

(3) Lack of digital infrastructure in schools:
The digital divide is evident across class, gender, region or place of residence. Among the poorest 20% households, only 2.7% have access to a computer and 8.9% to internet facilities. In case of the top 20% households, the proportions are 27.6% and 50.5%. Despite initiatives from the Central and state governments, there has not been enough expenditure on improving the digital infrastructure for remote learning. In fact, in 2020-'21, the Ministry of Human Resource Development budget for digital e-learning was reduced to Rs 4690 Million from Rs 6040 Million in 2019-'20.

(4) Preparedness of teachers:
The teachers training and orientation in most of the public schools is for conventional teaching. The schools have hardly sufficient infrastructure to extent the digital teaching and learning by teachers. All of sudden the instructions were executed among teaches to follow the digital classes. The teachers without proper training and orientation find it difficult to teach in digital mode.

The much awaited the government's Saubhagya scheme to provide electricity to every households shows that almost 99.9% of homes India have a power connection, the picture is less luminous if we look at the quality of electricity and the number of hours for which it is available every day.

Mission Antyodaya, a nationwide survey of villages conducted by the Ministry of Rural Development in 2017-'18, showed that 16% of India's households received one to eight hours of electricity daily, 33% received 9-12 hours, and only 47% received more than 12 hours a day.

While a computer would be preferable for online classes, a smart phone could also serve the purpose. However, the phone might be convenient for apps, but not for carrying out lengthy assignments or research. While 24% Indians own a smart phone, only 11% of households possess any type of computer, which could include desktop computers, laptops, notebooks, netbooks, palmtops or tablets.

Even the penetration of digital technologies in India has been haphazard and exclusionary. In fact, only 8% of all households with members aged between five and 24 have both a computer and an internet connection. It is also useful to note that as per the National Sample Survey definition, a household with a device or internet facility does not necessarily imply that the connection and devices are owned by the household.

(5) Digital learning mars the very basic purpose of social values
The National Education Policy talks; (4.23.) students must have a large amount of flexibility in choosing their individual curricula, certain subjects and skills should be learned by all students to become good, successful, innovative, adaptable, and productive human beings in today's rapidly-changing world. .... skills include.... physical education, wellness, fitness and sports; collaboration and teamwork; problem solving and logical reasoning; vocational exposure and skills; digital literacy, coding and computational thinking; ethical and moral reasoning; including knowledge and practice of human and Constitutional values gender sensitization; etc.
It also talks to avoid rote learning of students.These objectives are mostly activity based and peer group learning with socialization and interaction with other children from different class and social background. The digital learning in present context is nothing but rote learning.

Simply initiating the digital education from class room education would mar the social value based learning of collective togetherness among students. One-to-one interactions among peers and teachers are very important for learning. On a digital platform, how students learn and communicate with others is largely dependent on the readiness of both teachers and students to accept digital learning. In the case of distance education, the onus of learning is more on students, which requires discipline.

(6) Extreme poverty compels marginalized children to go for bread earning:

The poverty is one of the detrimental factors affecting the school education in marginalized and unorganized sector families. Here is a case which is self explanatory. In one of the govt aided schools in Allahabad district children were supposed to attend digital learning classes. While I asked the teacher as to how the digital learning is going one. She said," Children are not able to attend the digital classes as they either don't have smart phones or cannot afford the internet data connection.

(7) Out of school children and SDG 4:

The UNESCO published Global Education Monitoring Report, 2014 (GEM) states that 37% of the world's non-literate individuals are in India. The report also suggests that 280 millions of these are just women. Literacy rates among the marginalized sections of the society are abysmally low. The literacy rate of 15+ years of rural women among Muslim women is 47.25%, 43% for SC women and a mere 37.05% for ST women. These children need special attention in school education.

Also Stefania Giannini , UNESCO's Assistant Director-General for Education, told PTI in an interview that shutting down of schools due to the Covid-19 pandemic comes with a warning of "potential for increased drop-out rates which will disproportionately affect adolescent girls, further entrench gender gaps in education and lead to increased risk of sexual exploitation, early pregnancy and early and forced marriage".

UNESCO has called for policy-makers and practitioners to look into lessons from the past crises to address the challenges faced by girls as the governments of various counties prepare for "indefinite" school closures.

As per Ms Protiva Kundu's article "The gender divide in internet usage is also stark." As per the Internet and Mobile Association of India report, in 2019, while 67% men had access to internet, this figure was only at 33% for women. The disparity is more prominent in rural India, where the figures are 72% and 28% for men and women, respectively".

What is the way out?

1. It is a pity the unorganized migrant workers and their children (mostly out of schools) are neither enumerated in their home state nor in the working state. Hence, no one knows as to how many children of migrant nature are out of school that needs education. The policy makers should immediately and strictly adhere to the provision of identification of such children with age wise, sex wise and disability wise data for the enrollment of such children in schools.
2. Management of a local database on children possibly maintained at the Panchayat level and cross-verified with the school would help greatly in tracking children's school participation.
3. Related to the above, birth registration records need to be strictly maintained. Registering births must be made mandatory and Panchayat officials charged with updating their records.
4. Education as a Human Rights and the right to education should remain at the centre of all COVID19 crisis response and recovery plans.
5. The UN System should promote gender and rights sensitive crisis and post-crisis evaluation plans looking closely at the role that education plays during and after emergencies.
6. The UN System should play its role in organizing a global response to the COVID19 crisis, including supporting mitigation measures, financing, social and economic re-organization, in partnership with governments and civil society.
7. My Education My Right- Even in times of crisis, education must remain free for all and no additional fees should be introduced for school materials, lunch, or transport.
8. No Going Backwards Governments should plan now for the safe reopening of schools and university systems with a focus on groups at higher risks of not returning, including girls and children with disabilities.
9. During the COVID19 crisis, governments should guarantee the continued provision of school services, including meal distribution, and ensure protection from violence and abuse to out-of-school children.

# গণিত আৰু গণিত শিক্ষকৰ কিছু অনুভৱ

জীনামণি ভূঞা
প্ৰধান শিক্ষয়িত্ৰী
নাওজান চাৰিআলি প্ৰাথমিকবিদ্যালয়



আজিৰ বিজ্ঞানৰ নতুন নতুন আৱিষ্কাৰৰ সাফল্যই গণিতৰ সাফল্যৰ কথাকে সকিয়াই দিয়ে। সকলোবিলাক আৱিষ্কাৰৰ মূলতে আছে গাণিতিক হিচাপ- নিকাচ আৰু এটা সুক্ষ্মতম দৃষ্টিভংগী। সেইদৰে গাণিতিক দৃষ্টিভংগী নহলে কোনো কামতে কৃতকাৰ্য্যতা আশা কৰিব নোৱাৰি। প্ৰাথমিক স্তৰৰ পৰাই গণিতৰ মৌলিক কৌশল সমূহৰ জৰিয়তে ছাত্ৰ- ছাত্ৰীৰ মনত এই গাণিতিক দৃষ্টিভংগীৰ বিকাশ সাধন কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। সেয়েহে গতানুগতিক ভাৱে গণিত নিশিকাই নতুন চিন্তাচৰ্চা আৰু গৱেষণামূলক মনোবৃত্তিৰে ইয়াক শিকোৱাৰ সময় আহি পৰিছে।

বৰ্তমান সময়ত গণিতৰ প্ৰাধান্যতা আৰু সাফল্যতাৰ স্বত্বেও বহু কম সংখ্যক ছাত্ৰ-ছাত্ৰী বা শিক্ষকেহে গণিত বিষয়টো ভাল পায়। আকৌ বিষয়বস্তুৰ স্পষ্ট ধাৰণা আৰু বিষয়বস্তুৰ প্ৰতি স্বাভাৱিক ৰাপ নথকা শিক্ষকক সৰ্বসাধাৰণতে আমাৰ বিদ্যালয়সমূহত বিশেষকৈ প্ৰাথমিক স্তৰত গণিত শিকাবলৈ দিয়া হয়। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে গণিতৰ মৌলিক ধাৰণা সমূহ নিখুঁতভাৱে আয়ত্ব কৰিব নোৱাৰে আৰু গণিতৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মনত ভীতিভাৱৰ সঞ্চাৰ হয় আৰু সৰহভাগ ছাত্ৰ ছাত্ৰীৰ গণিত অধ্যয়ন কৰাৰ পথত হেঙাৰৰূপে থিয় দিয়ে। ছাত্ৰ -ছাত্ৰীৰ গণিত অধ্যয়নত
সহায় কৰিবলৈ হলে সিহঁতৰ মনত বিষয়টোৰ প্ৰতি থকা ভীতিভাৱ দূৰ কৰি ৰাপ বহুৱাবলৈ যত্ন কৰিব লাগিব। এই কাম সফলতাৰে সমাধা কৰিবলৈ হলে শিক্ষকৰো নিজৰ বিষয়টোৰ প্ৰতি ৰাপ থাকিব লাগিব আৰু শিক্ষাদানৰ লগত জড়িত থকা বিভিন্ন তথ্যপাতি আৰু কাৰ্যক্ৰমণিকাৰ বিষয়ে সঠিক আৰু সম্পূৰ্ণ জ্ঞান থাকিব লাগিব ।

গণিত মানুহৰ জীৱনৰ সংখ্যা সম্বন্ধীয় আৰু গণনা সম্বন্ধীয় জ্ঞানৰ এটি অতি লাগতিয়াল বিষয়। মানুহৰ বিভিন্ন ধাৰণা আৰু সিদ্ধান্ত সমূহৰ সঠিক ব্যাখ্যা দিয়াত গণিতে সহায় কৰে। চকুৰ আগত সদায় দেখি থকা বিভিন্ন বস্তুৰ গঢ় আৰু আকৃতিৰ সঠিক ধাৰণা দিয়ে কেৱল গণিতেই। সৰু-ডাঙৰ, দীঘল- বহল, চুটি-চাপৰ, কম-বেছি আদি ধাৰণা সমূহ গণিতেই দিয়ে। গণিত মানুহৰ জীৱনৰ অবিচ্ছেদ্য অংগ। ৰাতিপুৱাৰ পৰা গধুলিলৈকে খাওঁতে, শোওঁতে , উঠোতে বহোঁতে সকলো সময়তে মানুহৰ বিভিন্ন ক্ৰিয়াকলাপত গণিত সোমাই আছে। গণিত যুক্তি আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত। গতিকে গণিতৰ অধ্যয়নে মানুহক যুক্তিবাদী, সত্যবাদী, ধৈৰ্য্যশীল আৰু অনুসন্ধিৎসু কৰি তোলে। মানুহৰ মনৰ শক্তি বৃদ্ধি কৰাত,মানুহৰ চিন্তাধাৰাক নিয়মানুৱৰ্তিতাৰ পৰ্যায়লৈ অনাত গণিতে যথেষ্টখিনি সহায় কৰে।

গণিত বিষয়টো বিদ্যালয়ত আমি কিয় শিকাওঁ এই বিষয়ে গণিতৰ শিক্ষকজনে জনাটো নিত্যান্তই প্ৰয়োজন। কিয়নো আমি কোনো এটা কাম কৰিবলৈ যাওঁতে সেই কামৰ উদ্দেশ্যৰ বিষয়ে ভালদৰে জনা নাথাকিলে তাৰ পৰা সুফল আশা কৰিব নোৱাৰি। শিক্ষকে নিজে বিষয়টোৰ উপকাৰিতাৰ সম্বন্ধে ভালদৰে জানিব লাগিব আৰু ছাত্ৰ -ছাত্ৰীৰ আগত স্পষ্টভাৱে ব্যাখ্যা কৰি ইয়াৰ উপকাৰিতাৰ কথা উপলব্ধি কৰাব পাৰিব লাগিব। গণিতৰ প্ৰয়োজনীয়তাৰ সম্বন্ধে , গণিতৰ বিস্তৃত পৰিসৰৰ বিষয়ে ল'ৰা -ছোৱালীয়ে কিছু উপলব্ধি কৰিব পাৰিলে বিষয়টোৰ প্ৰতি সিহঁতৰ আপোনা-আপুনি আগ্ৰহ বাঢ়িব আৰু আয়ত্ব কৰাৰ কাৰণে ই নিজেই সহজ হৈ পৰিব।

শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ -ছাত্ৰীক গাইগুটিয়া ভাৱে মনোযোগ দিয়াটো একান্ত বাঞ্চনীয়। কিন্তু শ্ৰেণীত অধিক সংখ্যক ছাত্ৰ -ছাত্ৰীক একেলগে গণিত শিকাবলগা হ'লে শিক্ষকে গাইগুটিয়াভাৱে ছাত্ৰ -ছাত্ৰীৰ যত্ন লব নোৱাৰে । তাৰ ফলত মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে খৰখেদাকৈ কৰিব লগা কাম শেষ কৰি কথা বতৰা পাতিবলৈ আৰম্ভ কৰি দিয়ে আৰু একেবাৰে পিছপৰা ছাত্ৰ ছাত্ৰীয়ে গণিতৰ যাৱতীয় ধাৰণা আৰু কৌশল আয়ত্ব কৰিব নোৱাৰি মনে মনে বহি থাকে। এনে পৰিৱেশত মেধাৱী আৰু অতি পিছপৰা এই দুয়োটা স্তৰৰ ছাত্ৰ -ছাত্ৰীৰ ক্ষতি সাধন হয়। এনে পৰিৱেশৰ উন্নতি সাধন কৰিবলৈ শিক্ষকে আৰম্ভণিৰে পৰা বিশেষ যত্ন লোৱা উচিত ।

ল'ৰা-ছোৱালীয়ে খেল ধেমালি ভাল পায়। গণিত এটা বস্তু নিৰপেক্ষ বিষয়। তথাপিটো ইয়াত খেল - ধেমালিৰ যথেষ্ট স্থান আছে । কিন্তু দুখৰ বিষয় যে গণিত শিক্ষা সদায় শ্ৰেণীৰ মাজতে সীমাবদ্ধ থাকে। শিশুৰ জীৱনৰ লগত সম্বন্ধ ৰাখি , অভিজ্ঞতাৰ লগত সম্বন্ধ ৰাখি শিক্ষা দিবলৈ চেষ্টা কৰা নহয়। শিক্ষকৰ ক্ৰিয়াকলাপে ছাত্ৰ- ছাত্ৰীৰ ৰাপ বঢ়াব পাৰিব লাগিব আৰু শিক্ষকে সেইখিনি সিহঁতৰ দৈনন্দিন কামৰ লগত সম্বন্ধ ৰাখি ব্যাখ্যা কৰিব পাৰিব লাগিব। এবাৰ যদি শিক্ষকে ছাত্ৰ -ছাত্ৰীৰ ৰাপ বহুৱাই দিব পাৰে তেতিয়াহ'লে সিহঁতে যথেষ্ট পৰিমাণে আগ্ৰহ আৰু উৎসাহ দেখুৱাব।

শিশুৰ কাৰণে শিক্ষক হ'ব লাগিব এজন পৰিচালক আৰু এজন বন্ধু। শিশুৱে কেনেদৰে তাৰ মাজত সোমাই থকা গুণসমূহ বিকাশ কৰিব তাক শিক্ষকে নিৰ্ধাৰণ কৰি সেইমতে পৰিচালনা কৰি লৈ যাব লাগিব আৰু শিশুক পৰিচালনা কৰি লৈ যাওঁতে শিক্ষকজন এজন সহায়ক আৰু বন্ধু হিচাপে ধৰা দিব লাগিব। শিশুৰ যিকোনো প্ৰশ্নৰ উত্তৰ দিবলৈ শিক্ষক সদায় প্ৰস্তুত থাকিব লাগিব। শিক্ষকে শিশুক ভাল দৰে বুজি পাব লাগিব । বিষয় জ্ঞানৰ দৰেই শিশুৰ মন সম্পৰ্কীয় ধাৰণা শিক্ষকৰ বাবে অতি প্ৰয়োজনীয়।

মুঠৰ ওপৰত এজন প্ৰতিভাৱান শিক্ষকে নিজৰ বুদ্ধি প্ৰৱণতা, সুপৰিকল্পিত চিন্তা আৰু অধ্যৱসায়েৰে এই সকলোখিনি কাম নিয়াৰিকৈ সম্পাদন কৰিব পাৰে। প্ৰকৃতপক্ষে যিজনে শিক্ষকতাক জীৱনৰ পৰম কৰ্তব্য হিচাপে নিষ্ঠা আৰু আগ্ৰহেৰে আঁকোৱালি লব পাৰিছে তেওঁ গণিত নালাগে অন্য বিষয়সমূহৰো শিক্ষাদানৰ ক্ষেত্ৰত আৱশ্যকীয় সকলোখিনি কথা হৃদয়ংগম কৰি সেইমতে শিক্ষাদান দি সফল হ'ব পাৰিছে।

শেষত শিক্ষকৰ আটাইতকৈ ডাঙৰ গুণ হ'ল মৰমীয়াল , সহানুভূতিশীল , কৰ্তব্যপৰায়ণ আৰু অনুপ্ৰাণিত । এজন মৰমীয়াল , সহানুভূতিশীল , অনুপ্ৰাণিত শিক্ষকৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে অতি সহজতে বিষয়বস্তু আয়ত্ব কৰি ল'ব পাৰে। আৰু বিষয়টো তেতিয়াই সিহঁতৰ কাৰণে সহজ, ৰসাল আৰু ভাললগা হৈ পৰে। প্ৰকৃতপক্ষে , বিষয়টোৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ ভালপোৱা ভাৱ আনিব পাৰিলেই শিক্ষকে শিক্ষাদানত কৃতকাৰ্য হৈছে বুলি ধৰি লব পাৰে। সৰ্বশেষত, শিক্ষকৰ শিক্ষাদানৰ প্ৰতি যথেষ্ট আগ্ৰহ ,আস্থা আৰু ভালপোৱা ভাৱ থাকিব লাগিব আৰু ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে তেখেতে কোনো চেষ্টাই কৰিবলৈ বাকী থাকিব নালাগিব।



# গল্প



# কৃতিত্ব.....অন্য এক পৃষ্ঠা।

আজি মঞ্জুৰ মনটো বৰ সেমেকা।যোৱা ৰাতি ও তাইৰ ভালকৈ টোপনি নাহিল।ছাৰে বাৰু তাইক বেয়া পাইয়ে আছে নেকি ? তাইৰ ছোৱালীজনী এইবাৰ চৰ্তুথ শ্ৰেণীৰ ছাত্ৰী। তাই পঢ়াটো বহু ভাল ছাত্ৰী । অহাবাৰ এইখন বিদ্যালয়ৰ পৰাই বৃত্তি পৰীক্ষাৰ বাবেও তাইক সাজু কৰিব কৈছে। কেনেকৈ বাৰু তাইক আন এখন বিদ্যালয়লৈ লৈ যায় । ছোৱালী জনীয়ে জানো এইখন বিদ্যালয়ৰ পৰিৱেশ এৰি আন এখন বিদ্যালয়ত এই পৰিৱেশ পাবনে? মাজতে মাথো এটাই বছৰ। তাতে আকৌ সৰু ল'ৰাটোও প্ৰথম শ্ৰেণীত নাম লগাই দিছে। আকৌ সকলো বিদ্যালয়ে একেই। এইখনত পঢ়া আৰু আন এখনত পঢ়া একেই কথা চোন। বস্তি পেহীৰ ছোৱালী জনীও চোন যোৱা বাৰ এই বিদ্যালয়ৰ পৰা লৈ গ'ল। এতিয়া সৰু ল'ৰাটোও নাম লগাই দিছে চোন। দিয়াটো বাৰু বেলেগ বিদ্যালয়তেই নাম ল'গাই দিম। কিন্তু অনা-নিয়া সদায় কোনে কৰিব!

তেনেতে হঠাৎ সভাগৃহৰ পৰা হাত চাপৰিৰ শব্দ শুণি মঞ্জু উচপ্ খাই উঠিল।
ৰান্ধনি বাইদেৱে ক'লে -"মঞ্জু কি হ'ল। মিটিংৰ ভাষণ নুশুনা নেকি?"

-"ইয়াৰ পৰাই শুণি আছো। সভাগৃহলৈ নাজাও নেকি। মনটো বৰ ভাল লগা নাই।"

- " কিয় ! কি হ'ল আকৌ।"

-"নাই এনেই যোৱা-কালি টোপনিও পূৰ নহ'ল ভালকৈ।"

-"কি হ'ল নো ক'চোন।,মোক হে কবি।"

-"ভাৱিছো এইবাৰ শিল্পীক বেলেগ এখন বিদ্যালয়লৈ লৈ যাম। ছাৰ-বাইদেউ হঁতক বৰ সহজ নালাগে। পঢ়াখিনি বাৰু ঠিকেই তথাপি কিন্তু এইখন বিদ্যালয়ৰ পৰাই বৃত্তি পৰীক্ষাটো দিয়াবলৈ বৰ ইচ্ছা আছে। এইখন বিদ্যালয়ত এই সুবিধা পাইছো। ই খন বিদ্যালয়ত বা কি হ'য়।"

-"চোৱা মঞ্জু , মই ৰান্ধনি হ'ব পাৰো। তথাপি তোমাক কওঁ ছাৰ-বাইদেউ লগত সহজ হ'ব কিয় নোৱাৰিবা নো। চেষ্টা কৰা । কিন্তু ছোৱালী জনীক এইখন সেইখন বিদ্যালয় ঘূৰাই ফুৰাটো ভাল হ'ব জানো। আৰু ছোৱালী জনীৰ মনত জানো শিক্ষাগুৰুৰ প্ৰতি সদ মনোভাৱ থাকিবনে? শুনা শিক্ষাগুৰু সদায় শিক্ষাগুৰুৱে হ'য়। তেখেত সকল যদি শিক্ষাগুৰু হয় তেন্তে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি তেখেতসকলৰ দায়বদ্ধতা সদায় বজায় ৰাখিব।"

এনেতে ৰান্ধনি বাইদেৱে সভাগৃহত  চাহ দিবলৈ ওলায় যায়।
বৰষুণৰ বতৰ । এতিয়া অলপ অলপ বৰষুণ পাতল হৈছে। প্ৰাক্তন শিক্ষয়িত্ৰী বাইদেৱে বক্তব্য দাঙি ধৰিছে। ৰান্ধনিঘৰৰ পৰাই বাইদেউৰ কথা কেইটা  মঞ্জুৰ কাণত স্পষ্টকৈ ভাহি পৰিছে-   "এই বিদ্যালয় খন বহু কষ্ট কৰি জীয়াই ৰাখিলো। বৰ্তমান বিদ্যালয় খন বহুখিনি ভাল পৰ্যায় পাইছে। এইটো আমাৰ অঞ্চলটোৰ গৌৰৱৰ বিষয়। আজি সভাখনিত মই মোৰ এই মনোভাৱ প্ৰকাশ কৰি বহুখিনি আনন্দিত হৈছো।আমি যিকোনো কাম কৰি যাব লাগে । সকলো  কাম ফলাফলৰ ওপৰতেই নিৰ্ভৰ কৰি কৰিব নালাগে। আমি  এদিন মহান কাম কৰাৰ বাবে নোখোজা কৈয়ে কৃতিত্ব পাম। কৃতিত্ব পোৱাটোৱে আমাৰ লক্ষ্য হ'ব নালাগে। মই কেতিয়াও কোনো কামৰ কৃতিত্ব বিচৰা নাছিলো। বিদ্যালয় খন আমাৰ । ইয়াত আমাৰ প্ৰতিটো দৰিদ্ৰ পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰি ভৱিষ্যত দিনৰ সু-নাগৰিক হওক। তাৰ বাবে আমি সকলোৱে সহযোগ কৰাৰ প্ৰয়োজন ।আমাক কৃতিত্ব নালাগে।"

বাইদেউৰ কথাখিনি মঞ্জুৰ কাণত পৰাৰ পাছত তাইৰ চকু কেইটা জলজলীয়া হৈ পৰিছিল। কাৰণ তাইৰ এদিন এই বিদ্যালয় খনৰ পৰা সামান্য কৃতিত্ব নোপোৱাৰ মনোভাৱত ছাৰ-বাইদেউৰ প্ৰতি ঘিণা উপজিছিল। সেই প্ৰভাৱ মঞ্জু ৰ ল'ৰা-ছোৱালীৰ ওপৰত পৰিবলৈ লৈছিল। তাইৰ ভয় হৈছিল যে আজি সভা যদি বৰষুণৰ পৰিমাণ কম নোহোৱা হ'লে। বাইদেউ বক্তব্য বোৰ নুশুনা হ'লে,কথাবোৰ বুজি নোপোৱাকৈয়ে সেই কু-প্ৰভাৱৰ ভাৰ তাইৰ ভুলৰ বাবে কণ কণ লৰা-ছোৱালী দুটিয়ে ভোগ কৰিব লগীয়া হ'ল হেতেন।
তেনেতে ৰান্ধনি বাইদেউ আহি তাইক ক'লে- "মঞ্জু ব'লাচোন পাচলি কেইটা কাটি দি'বা"
- "বাইদেউ মোৰ ল'ৰা-ছোৱালী কেইটা ইয়াতেই পঢ়োৱাম।"

বুলি কৈ মঞ্জুৰ দুধাৰি চকুলো বৈ আহিল। সিফালে সভাগৃহৰ পৰা ছাত্ৰ এজনৰ কণ্ঠৰে  সুধাকণ্ঠ ড' ভূপেন হাজৰিকা দেৱৰ সংগীত তাইৰ কাণত ভাহি পৰিল "মানুহৰ মানুহৰ বাবে,যদিহে অকণো নেভাৱে............।"

শ্ৰীযুত ৰঞ্জন শইকীয়া (সহ:শিক্ষক )
জেৰাই ম'হমৰা প্ৰাথমিক বিদ্যালয়
ডিব্ৰুগড় (পানীতোলা)

# মই বৰ্তমান কৰ্মৰত বিদ্যালয়ৰ কাহিনী।





বি, টি, আৰ, চিৰাং জিলাৰ বড়োবাজাৰ শিক্ষা খণ্ডৰ অন্তৰ্গত ৬০৭ নং দৈলংঝাৰ প্ৰাথমিক বিদ্যালয়ত যোৱা ১৭ আগষ্ট ২০১৬ চনত উক্ত বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে যোগদান কৰোঁ। মই যোগদান কৰাৰ পূৰ্বে শূন্য শিক্ষক আছিল। বিদ্যালয় খনত কোনো শৈক্ষিক পৰিৱেশ নাছিল, বিদ্যালয়ৰ চৌহদৰ ভিতৰত চৰনীয়া পথাৰ আছিল বুলি কলেও ভূল নহব। ফলত অভিভাৱক সকলে নিজৰ লৰা ছোৱালীক ব্যাক্তি গত খন্ড বিদ্যালয়ত নামভৰ্তি কৰিছিল। তেতিয়া এই বিদ্যালয়ত ছাত্ৰ ছাত্ৰীৰ সংখ্যা আছিল ৪৫ জন। বিদ্যালয় খনত নথিপত্ৰ, ছাত্ৰ ছাত্ৰীৰ বহাৰ আসন নাছিল। এক প্ৰকাৰ মই হতাশ হৈছিলোঁ। ভাবিলো মই শিক্ষক হিচাপে কিবা কৰিবই লাগিব বুলি নিজকে প্ৰস্তুত হলোঁ। লাহে লাহে ৰাইজক, শিক্ষাবিদ, সমাজ কৰ্মী সকলক লৈ শৈক্ষিক পৰিৱেশ ও দিশৰ ওপৰত সভা আহ্বান কৰি কিছু সফলতা অৰ্জন কৰিছোঁ। এই বিদ্যালয়ৰ মাটি মুঠ ২০ বিঘা। তাৰে ১০ বিঘা মাটিত বিভিন্ন গছ পুলি যেনে, চেগুন, তিতাচপা, গমাৰী, শিলিখা, আম, কঠাল আদি ২০০ ডাল গছ ৰোপন কৰাই নহয় ইতিমধ্যে সকলো গছ ডাঙৰ দীঘল হৈছে। পুস্প কানন নামেৰে এখন ফুল বাগিচা খনেও ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছো। তাৰোপৰি ফল মূলৰ বাগিচাত, মধুৰিআম, আমলখি, মালভোগ কল, জাহাজী কল, লগতে শাক পাচলিৰ খেতি, যেনে :জলকীয়া, বেঙেনা, জিকা ভোল, ৰঙালাও, আদিৰ পাচলিৰে মধ্যাহ্ন ভোজনৰ যোগান ধৰা কাৰ্যই ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছোঁ।

বিদ্যালয় খনত অকনিৰ পুথিভঁৰালত শিশু উপযোগী কিতাপৰ যোগান ধৰা হৈছে। বিদ্যালয়ত বৰ্তমান শ্ৰেনী কোঠাত বিজুলী পাংখাযুক্ত কৰা হৈছে। বিদ্যালয়ত শনিবাৰীয়া চৰা ছাত্ৰ ছাত্ৰীয়ে বিহু গীত বিভিন্ন গীত মাত আদি সমাজৰ শিক্ষাবিদৰ উপস্থিতিত পৰিচালনা কৰা হয়। আজিৰ তাৰিখত বিদ্যালয় খনত মুঠ ছাত্ৰ ছাত্ৰীৰ সংখ্যা ১৭০ জনৰ বিপৰীতে ৩ জন শিক্ষকে পাঠদানৰ কাৰ্য চলাই আছোঁ। আজি আমাৰ বিদ্যালয় খন খন্ড প্ৰাথমিক শিক্ষা কাৰ্যালয়ৰ ভিতৰত আমাৰ বিদ্যালয়খন অদ্বিতীয় কলেও বঢ়াই কোৱা নহব।

শেষত এই খিনিয়েই কব পাৰি যে সদ ইচ্ছা, একাগ্ৰতা থাকিলে, এখন ভাল বিদ্যালয় হিচাপে গঢ় দিব পাৰি।

মুকুল ৰায়
প্ৰধান শিক্ষক, ৬০৭ নং দৈলংঝাৰ প্ৰাথমিক বিদ্যালয়।
শিক্ষা খণ্ড :বড়োবাজাৰ
জিলা :চিৰাং (বি, টি, আৰ)

# শিক্ষকৰ মৰম




নিৰঞ্জন চৌধুৰী এখন মধ্য ইংৰাজী বিদ্যালয়ৰ আদৰ্শ শিক্ষক। চাকৰিৰ দিন কেইটা একপ্ৰকাৰ শেষ হৈ আহিছে।অৱসৰ গ্ৰহণ কৰিবলৈ মাথোঁ ছয় মাহ বাকী আছে। সুদীৰ্ঘ চল্লিশ বছৰীয়া চাকৰি জীৱনত নিষ্ঠা আৰু সততাৰে শিক্ষকতা কৰি আহিছে।আজিৰ দিনতো তেওঁৰ কৰ্মৰাজিৰ বিষয়ে সকলোৱে প্ৰশংসা কৰে। শিক্ষকতা জীৱনৰ ব্ৰত হিচাপে লৈছে।সময়ে সময়ে বিভিন্ন নতুন নতুন নীতি-নিয়ম আহি থাকে। বহুতো শিক্ষকে নিজৰ সুবিধা অনুসৰি অফিচৰ লগত যোগাযোগ কৰি বদলি হৈ গৈছে। কিন্তু নিৰঞ্জনে বিদ্যালয়ত যোগদান কৰা দিনৰেপৰা একেখন বিদ্যালয়তে পাঠদান কৰি আহিছে। এই ক্ষেত্ৰত আত্মীয় কুটুমৰ কোনো কথাই নুশুনে। হাকিম লৰিলেও হুকুম নলৰে । তেওঁ একেখন বিদ্যালয়তে শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰাৰ চিন্তা কৰিছে।

সুদীৰ্ঘ চল্লিশ বছৰীয়া চাকৰি জীৱনত তেওঁ পাঠদান কৰা বহুতো ছাত্ৰ ছাত্ৰীয়ে বিভিন্ন বিভাগত চাকৰি কৰি আছে। তেওঁ শিক্ষাদান কৰা বহুতো ছাত্ৰ-ছাত্ৰী ভাৰতীয় সেনা-বাহিনী, অসম পুলিচত চাকৰি কৰি আছে। বহুতে ভাল দৰে ব্যৱসায়, বাণিজ্য কৰি গজগজীয়া হিচাপে চলি আছে। বৰ্তমান নিৰঞ্জনে,নিজে পঢ়োওৱা প্ৰাক্তন ছাত্ৰ ছাত্ৰীৰ সন্তানক পাঠদান কৰি আছে। তেওঁলোকে শিক্ষাদান কৰা বহুতো মেধাৱী ছাত্ৰয়ে ছাত্ৰী সকলে ভাৰতৰ বিভিন্ন বিভাগত চাকৰি কৰি আছে। তেওঁৰ চাকৰি জীৱনত কেৱল মেধাৱী ছাত্ৰ ছাত্ৰীয়েই নহয়, সকলো ধৰণৰ ছাত্ৰয়ে ছাত্ৰীক পাঠদান কৰাৰ সুযোগ লাভ কৰে।নিৰঞ্জনৰ দৰে শিক্ষকে ছাত্ৰ ছাত্ৰীৰ উন্নতি, প্ৰগতি শুনিলে নিজকে গৌৰৱ অনুভৱ কৰে। নিজৰ সন্তানতকৈও অধিক মৰমেৰে পাঠদান কৰাৰ বহুতো উদাহৰণ আছে।নিৰঞ্জনৰ ছাত্ৰ আনকি বিদেশৰ ভাল ভাল কোম্পানীত কৰ্মৰত হৈ আছে। আনহাতে অতি সাধাৰণ, দুখীয়া,নিচলাৰ সন্তানক শিক্ষা দান কৰি আহিছে।

নিৰঞ্জনে গাওঁৰ পৰা শিক্ষা গ্ৰহণ কৰি কৰ্ম জীৱনৰ পাতনি মেলিছিল। পিছলৈ তেওঁ নগৰীয়া ছোৱালী নিজ পছন্দমতে নগৰৰ মন্দিৰত বিয়া পাতি ললে।নিৰঞ্জনৰ ঘৈণীয়েক নিৰ্মালী নগৰীয়া ছোৱালী। ক'বলৈ গ'লে সৰুৰে পৰা নগৰৰ সম্ভ্ৰান্ত পৰিয়ালত জন্মগ্ৰহণ কৰি ডাঙৰ দীঘল হৈছিল।তাই জীৱনত কোনোদিনে দুখীয়াৰ দুখ বুজি নাপালে। অভাৱ কি অনুভৱ কৰিব পৰা নাছিল।নিৰঞ্জনে নৰ্মাল প্ৰশিক্ষণ লবলৈ এবছৰ কাল নিৰ্মালীহঁতৰ ঘৰৰ কাষতে ঘৰ ভাড়ালৈ আছিল।এদিন দুদিনকৈ সিহঁতৰ চাৰিচকুৰ মিলন ঘটিল।পিছত চৰকাৰী চাকৰি কৰা ল'ৰা বুলি নিৰ্মালীৰ মা দেউতাকে তাইক নিৰঞ্জনৰ সৈতে বিয়া পাতি দিছিল।

নিৰ্মালী গাঁৱলৈ বিয়াহৈ আহি বেছিদিন নাথাকিলে।ছলে বলে কৌশলে নিৰঞ্জনক লৈ নগৰমুখী হৈছিল।তাই নিৰঞ্জনৰ চাকৰিটো নগৰৰ বিদ্যালয়লৈ বদলি কৰাৰ বাবে মানুহ লগাইছিল। কিন্তু এই ক্ষেত্ৰত নিৰঞ্জনে কোনোপধ্যেই ৰাজি নহয়। তেওঁ গাঁৱৰে বিদ্যালয়ত শিক্ষকতা কৰি ভাল পায়। আচলতে আজিও পবিত্ৰ হৃদয়ৰ লোক গাঁৱত বাস কৰে।গাঁৱবোৰত শিক্ষক এজন নমস্য ব্যক্তি। তাতে আকৌ নিৰঞ্জনৰ কথা সুকীয়া। তেওঁৰ দৰে নিষ্ঠাবান আদৰ্শ শিক্ষক বিৰল। তেওঁ সৰ্ব্বোচ্চ উজাৰি শিক্ষকতা কৰে। কিন্তু নিৰ্মালী তাৰ সম্পূৰ্ণ ব্যতিক্ৰম।তাই কেৱল নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণেহে লাগি থাকে।নিৰঞ্জনে আঠুৱা চাই ঠেং মেলিব নাজানি দুখৰ ওপৰি দুখ পাইছে। বৰ্তমান চৰকাৰে সহজলভ্য কৰি তোলা আপোন ঘৰৰ ঋণে নিৰঞ্জনক জ্বলা কলা খুৱালে। সহজতে পালোঁ বুলি শকত অঙ্কৰ ঋণ লৈ নগৰত প্ৰকাণ্ড অট্টালিকা নিৰ্মাণ কৰিবলৈ ল'লে। কিন্তু তেওঁৰ ঋণৰ পৰিমাণ আৰু ঘৰখনৰ নক্সাৰ কোনো মিল নাই। আকাশ পাতাল প্ৰাথৰ্ক্য দেখা যায়।নিৰঞ্জনে মাহৰ মূৰত পোৱা দৰমহাৰ শকত অঙ্ক বেংকে কাটি লয়। তেওঁৰ হাতত সামান্য ধনহে থাকে।তাৰে মিলাই মিলাই চলিব লগীয়া হয়।নিৰঞ্জনৰ একপ্ৰকাৰ "বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰীৰ" দৰে হৈছে।ঋণৰ অতিৰিক্ত বোজাৰ বাবে বিদ্যালয়ৰ বাহিৰে কলৈও যাবলৈ সাহস নকৰে।

নিৰঞ্জনে বিদ্যালয় ছুটিৰ পিছত আহি এখন চাহৰ দোকানত সোমায়।সি য'তে ত'তে চাহ নাখায়। তেওঁক বিনা চেনিৰ চাহ লাগে। সকলোৱে এই সুবিধা কৰি  দিবলৈ টান পায়। সেয়ে নিৰঞ্জনে এইখন দোকান বান্ধা কৰি লোৱাৰ দৰে হৈছে।নিৰঞ্জন অহাৰ লগে লগে দোকানীজনে ধুনীয়াকৈ বিনা চেনিৰ চাহ কৰি দিয়ে।নিৰঞ্জনে নিমকি নাইবা চিঙৰাৰ বাকলিৰ লগত চাহৰ জুতি লয়। এদিনাখন নিৰঞ্জনে বিদ্যালয় ছুটিৰ পিছত চাহৰ দোকানত আহি সোমায়। তেওঁক দেখা মাত্ৰকে এজন ত্ৰিশৰ ডেওনা অতিক্ৰম কৰা  যুবকে ছাৰ, ভালে আছেনে বুলি মাত লগালে।নিৰঞ্জনে থতমত খালে। মানুহজনক ভালদৰে চালে, কিন্তু  চিনিব নোৱাৰিলে। তেতিয়া হি, মই ইব্ৰাহিম বুলি ক'লে।নিৰঞ্জনৰ  বয়স বাঢ়ি অহাৰ লগে লগে  উচ্চ ৰক্তচাপ আৰু ডাইবেটিচে কোঙাল কৰা দেহা। স্মৃতি শক্তি হেৰুওৱাৰ উপক্ৰম হৈছে। চিনাকি লোক দেখিলেও নাম পাহৰি যায়।নিৰঞ্জনে ইব্ৰাহিম,ফজল, হাকিম উদ্দিন, নাছিৰুদ্দিন,গিয়াছউদ্দিন, ফাতেমা,মুন্নি, বিজুলী,  বৰ্ণালী আৰু কিমান ল'ৰা ছোৱালী পঢ়াইছে। কেনেকৈ নামবিলাক মনত ৰাখিব পাৰে? বৰ্তমান সিহঁতৰ ল'ৰা ছোৱালীক পঢুৱাই আছে।নিৰঞ্জনে ইব্ৰাহিমক চাহ যাচিলে। কিন্তু সি ওলোটাকৈ ছাৰক চাহ,চিঙৰা খুজি খুৱালে।নিৰঞ্জনে ইব্ৰাহিমৰ সকলো খবৰ ল'লে। বৰ্তমান সি এজন ৰাজমন্ত্ৰী হিচাপে দৈনিক পাঁচশ টকা আয় কৰি তিনিজনীয়া পৰিয়াল পোহপাল দি আহিছে। বৰ্তমান এই ৰাজমিস্ত্ৰী সকলৰ এক প্ৰকাৰ ৰমৰমীয়া বেহা বুলি ক'লে ভুল কৰা নহয়। কাৰণ বৰ্তমান সকলোৱে পকী, অট্টালিকা নিৰ্মাণ কৰিবলৈ ধৰিলে। আজিকালি কাঠমিস্ত্ৰী সকলৰ লাহে লাহে মুধা মৰিবলৈ ধৰিলে। মানুহে কাঠ,টিনৰ পৰিবৰ্তে পকীঘৰ নিৰ্মাণ কৰিবলৈ ল'লে। নিৰঞ্জনে ইব্ৰাহিমৰ ব্যৱহাৰত অতি সুখী হৈ তাক আকৌ ভালদৰে আগুৱাই যোৱাৰ পৰামৰ্শ দিয়ে। আচলতে নিৰঞ্জনৰ দৰে প্ৰকৃত শিক্ষকে বিদ্যালয়ত শিক্ষকতা কৰাৰ বাদেও আনক পৰামৰ্শ দি ভাল পায়।নিৰঞ্জনে ছাত্ৰ ছাত্ৰীৰ পৰা পাই অহা মৰম, শ্ৰদ্ধাৰ বাবে নিজকে সুখী আৰু সফল যেন অনুভৱ কৰে। আচলতে প্ৰকৃত শিক্ষকে বৰ বেছি নিজৰ বাবে আশা নকৰি ছাত্ৰ ছাত্ৰীৰ উন্নতি  হোৱাটো বিচাৰে। ইব্ৰাহিমৰ দৰে ছাত্ৰ ছাত্ৰীৰ পৰা এষাৰ মাত, ভাল ব্যৱহাৰ আশা কৰে।নিৰঞ্জনৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে  ওচৰৰে পৰা পাৰ হৈ যাওঁতে মাত এষাৰ নলগালে মনে মনে দুখ  পায়।আজিও ইব্ৰাহিমৰ দলে বহুতো প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে শিক্ষকৰ মৰম পাহৰি নাযায়।শিক্ষকক শ্ৰদ্ধা জনায়। আজিকালি ইব্ৰাহিমৰ দলে বহুতো প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে(Alumni) লগ লাগি অতীতৰ স্মৃতি ৰোমন্থন কৰি প্ৰাক্তন শিক্ষকক সম্বৰ্ধনা জনোৱা দেখা যায়। তেওঁলোকে একেলগে গোটখাই অতীতৰ স্মৃতি ৰোমন্থন কৰি আনন্দ উপভোগ কৰে। ইয়াৰ চিন স্বৰূপে স্মৃতিগ্ৰন্থ প্ৰকাশ আৰু উন্মোচন কৰাও শুনা যায়। তেওঁলোকে শিক্ষকৰ মৰম পাহৰি নাযায়।

দুল বাহাদুৰ ছেত্ৰী। বিজনী, চিৰাং।

# অংক মাষ্টৰ



পিয়নে দি যোৱা খামটো ফালি সি জোৰেৰে চিঞৰি দিলে মা ... । আশাৰ বতৰা কঢ়িয়াই অনা কাগজ খন লৈ চিঞৰটো মাৰিয়েই সি চকী এখনত বহি পৰিল । পিছফালে দানাৰ চৰুৰ তলত জুইকুৰা জ্বলাবলৈ জুইশলাৰ কাঠিটো খেৰমুঠিত দিওঁতেই পুতেকৰ চিঞৰ শুনি য'ৰে কাম ত'তে এৰি উপলা উধাতু খাই পুতেকৰ ওচৰ পাই সুধিলে কি হ'ল অ' ধনটি ?? সি কোনোমতে তাৰ চাকৰি হোৱা খবৰটো মাকক দি আৱেগিক হৈ পৰিল ।

উপলাৰ চকুৰ আগেৰে চিনেমা ৰিলৰ দৰে কথাবোৰ আহি আহি আঁতৰি গ'ল । গাৱঁৰ গাঁওবুঢ়াই হালোৱা কাম কৰি দিয়া অতনুৰ দেউতাকক কৈছিল , কি অ' মনাই তোৰ ল'ৰাই বোলে মেট্ৰিকৰ দেউনা পাৰ কৰিলে ? ভালেই হ'ল দে মোৰ ঘৰতে মানুহৰ দৰকাৰ । সি ভালদৰে মোৰ হিচাপ নিকাচ খিনিকে কৰি দিব পাৰিব । ৰাতিলৈ তিনিওৰে মাজত হিচাপ নিকাচ সকলো সামৰি আলোচনা চলিল । তিনিও এটা সিদ্ধান্তত উপনীত হৈ আলোচনা সামৰণি মাৰিলে । দেউতাকে গাওঁ বুঢ়াৰ পৰা পোৱা মাহেকীয়া ধনেৰে অতনুৱে কলেজত নাম লিখাব । উপলাই যিমান পাৰে ঘৰৰ খোৱা বোৱাৰ খৰচ কমাই ঘৰগন টানি টুনি চলাব । বৈ কাটি যি দুপ ইচা পাব তাৰে ফিজ ফাইন হৈ যাব । কষ্ট তিনিওৰে হ'ব , কিন্তু ভৱিষ্যত সুন্দৰ হব ।

এটা ডাঙৰ সপোন বুকুত বান্ধি তিনিও জীৱন যুদ্ধত নামি পৰিল । অতনু পঢ়িবলৈ ঘৰৰ পৰা ওলাই যোৱাৰ দিনা মাক দেউতাকক মনবোৰ বান্ধি লৈ ভাল চিন্তাৰে কাম কৰি যাবলৈ সি পৰামৰ্শ দিলে ।

দিনবোৰ দ্ৰুত গতিৰে আগবাঢ়িল । অভাৱে ঘৰখন জুৰুলা কৰিছে । হাত পাতিলেও সহায় কৰোতা নাই । গাওঁবুঢ়াই টকা খুজিলেই সাত জাপ মাৰে । মাহেকৰ পাওনা টকা কেইটা দিয়াৰ পৰতো কেৰজেৰ কৰে । মাজতে উপলাই মহিলাৰ গোট এটাত সোমাই ললে । বৈ কাটি পোৱা টকা কেইটা দেউতাকে মাহৰ মূৰত দিবলৈ যাওঁতে এবাৰ অতনুৱে দেউতাকক কৈ পঠালে । দেউতা, অহা মাহৰ পৰা তোমালোকে মোক কমকৈ টকা দিলেও হ'ব । ৱাৰ্ডেনৰ ল'ৰাটোৰ লগতে চাৰিটা ল'ৰাক পঢ়ুৱাই পোৱা টকাৰে মোৰ চলি যাব । মোলৈ দিয়া টকাৰে মা আৰু তুমি ভালকৈ খোৱা বোৱা কৰিবা ।

মনবৰ দম্পতিয়ে সেইদিনা বৰ উশাহ এটা পালে । ইতিমধ্যে গোটবোৰৰ মহিলা সকলক স্বাৱলম্বী কৰি তুলিবৰ বাবে চৰকাৰে দহজনীয়া গোটবোৰক একলাখ টকাকৈ দুই টকাৰ সুতত অনুদান আগবঢ়োৱাত উপলাই উশাহ সলালে। মনবৰৰ লগত আলোচনা কৰি পাঁচ হাজাৰ টকা অতনুলৈ থৈ দুহেজাৰ টকাৰে গাই এজনী , বাৰশ টকাৰে ছাগলী এজনীৰ লগতে আঠশ টকাৰে হাঁহ কুকুৰা কেইটামান কিনি ঘৰখন গজগজীয়া কৰি পেলালে । পশুধন কেইটি চপাই লোৱাৰ পিছৰে পৰা তেওঁলোকৰ ব্যস্ততাৰ সীমা নোহোৱা হ'ল । সেয়েহে উপলাৰ কথামতেই খেতি উঠাৰ পিছতে পাওনাখিনি গাওঁবুঢ়াৰ পৰা আদায় কৰি মনবৰ ঘৰুৱা কামত লাগি গ'ল । বি এছ চি ফাইনেল পৰীক্ষা দি যিদিনা অতনু ঘৰলৈ ঘূৰি আহিল সেইদিনা ঘৰখনত জোনাকী মেলা বহিল । পৰিবৰ্তনৰ স্পষ্ট আৱহাৱা এটা ঘৰখনৰ চাৰিওফালে বিয়পি পৰিছিল । ল'ৰাটো ছয়মাহৰ পিছত ঘৰলৈ আহিল , মনবৰ আৰু উপলাই ছয়মাহৰ মনোকথন বিৱৰি ক'লে পুতেকক । গাওঁ খনৰ ধনী চামটোৱে মনবৰৰ দৰে সাধাৰণ হালোৱা এটাৰ পুতেকে কলেজত পঢ়াটো সহিব নোৱাৰিলেও পেটে ভাতে খাই থকা মানুহ খিনিৰ কাৰণে মনবৰৰ ঘৰখন আদৰ্শ হৈ পৰিল । ল'ৰা ছোৱালীক পঢ়ুৱাবলৈ সাহপীত গোটাব পাৰিছে । হালোৱা কামটো এৰিব খোজাৰ দিনা গাওঁ বুঢ়াই তাক কম কথা শুনালেনে ! আনকি পাওনা টকা কেইটাও মনবৰৰ গালৈ দলিয়াই হে দিছিল । উশাহ টো ডাঙৰকৈ লৈ মনবৰে কৈছিল , কামটো এৰি ভাল কৰিলো বুজিচ পুতাই । বাৰীখন ভাল হ'ল । ঘৰৰ মাটিকেইডৰা ভালকৈ চহাই খেতিটো চপাব পাৰিলো । পিতায়ে থৈ যোৱা এবিঘা মাটিতে বছৰৰ দ , বাম দুয়োবিধ খেতি কৰি দুপইচা পাইছো ।

ঘৰখন চলিছে। মাৰৰ বুধিমতে গৰু ছাগলী , হাঁহ কুকুৰা খিনি লৈ বৰ সকাহ পালো। ঘৰতে মাছে মঙহে , কণীয়ে কোণায়ে এমুঠি ভালকৈ খাব পৰা হ'লো। ৰাতিৰ ভাতসাজ খোৱাৰ পিছতো মাক বাপেকহালে যে শুবলৈকে মন কৰা নাই ! সি দেখিলে , বিছনাৰ পৰিৱৰ্তে মাটিতে মাকে শুৱাৰ ব্যৱস্থা কৰিছে ! বিছনা খন তাৰ বাবে ঠিক কৰি দি খৰি দুডাল মান জুইত জাপি দি দুয়ো শুই পৰিল।

বহু ৰাতিলৈকে তাৰ টোপনি নাহিল। মাজতে উঠি আহি জুইকুৰাত খৰি জাপি দি গভীৰ টোপনিত পৰা মানুহ হাললৈ তাৰ মমতা উথলি উঠিল। তাৰ ভৱিষ্যতৰ বাবে নিজৰ বৰ্তমানক বিসৰ্জন দিয়া , ভোগ বিলাস ত্যাগ কৰা মানুহ হালৰ কথাই তাৰ দুচকু সেমেকাই তুলিছে আৰু এটা সময়ত মাকৰ কম্বলখন টানি সিও তাতেই শুই পৰিল। পিছৰাতিলৈহে তাৰ হয়তু টোপনি ধৰিছিল। কাৰণ সি সাৰ পায় মানে কৰ্মী মানুহ হালে নিজৰ প্ৰায়বোৰ কামেই কৰি অঁটালে । দুয়ো চাহপানী কণ বাপু উঠিলে খাবলৈ ৰৈ থাকিল।

বাৰীখনলৈ সোমাই তাৰ মনটো ভাল লাগিল। একঠা মান ঘাঁহেৰে পৰিপূৰ্ণ মাটিত চৈধ্যতা ছাগলী চৰি আছে। কাষতে কটা ঘাঁহ খাই থকা দুজনী খিৰতী গাই। ককাকে দি যোৱা দুবিঘা মাটিতে জীৱন জীওৱাৰ প্ৰয়াস। এচিকুট মাটিও এনেয়ে পৰি থকা নাই।

সি মনতে হিচাপ এটা কৰিলে আৰু দেউতাকৰ চাইকেলখন লৈ ওলাই গ'ল। বাপুকণ ঘূৰি নহালৈকে দুয়ো উচপিচাই থাকিল। দূৰৈত ঠেলা দুখনমানৰ লগত খোজ কাঢ়ি আহি থকা পুতেকক দেখিহে মনবৰৰ মনটো মুকলি লাগিল। ঠেলা দুখন দেখোন আমাৰ ঘৰলৈকে আহিছে হয়নে ! উপলাৰ কথাষাৰ শুনিহে পদূলিলৈ চাই দুয়ো থৰ লাগিল। দুয়ো মাথো পুতেকৰ কামবোৰ, ঠেলা কঢ়িওৱা দুটাৰ সৈতে কৰি যোৱা চাই ৰ'ল। এঘন্টামানৰ ভিতৰতে কাম শেষ কৰাতে আটায়ে খাবলৈ বহিল। " বজাৰত বেচা বস্তু আছে যদি এওঁলোককে দিয়া মা "। মনবৰে তাক পঢ়াত দৰকাৰ হ'ব বুলি ৰাখি থোৱা খাঁহী ছাগলী দুটা সদ্যহতে বিক্ৰীৰ বাবে দিলে। সি আকৌ ওলাই গ'ল।

বাপুকণ যোৱাৰ পিছতহে দুয়ো এফালৰ পৰা ঘৰখন চাই গ'ল। দুখন বিছনা লেপ তুচকৰ সৈতে পাৰি সজাইছে। বাহিৰৰ কোঠাত প্লাষ্টিকৰ চাৰিখন চকী ,টেবুলৰ লগতে মাজৰ কোঠাটোতো এখন ডাঙৰ টেবুলৰ লগত চকী ছখন তৰি থৈছে। এইবাৰ ঘূৰি আহোঁতে সি এখন নতুন চাইকেলত দুমোনা বস্তু লৈ আহিল ! মাকৰ সন্মুখত বস্তু বোৰ এটি এটিকৈ সি উলিয়াই কৈ গ'ল। এইয়া চাহখোৱা কাপ , এইটো পানী থোৱা জাৰ , মাগ ইত্যাদি। মাকক ছাহ বাকিবলৈ কৈ সি কাপ কেইটা ধুই আনিলে । নতুন চকী টেবুলত বহি তেওঁলোকে জীৱনত পোন প্ৰথম বাৰৰ বাবে পুতেকৰ লগত চাহৰ কাপত চুমুক দিলে।

... দহ হাজাৰ টকা মাকৰ হাতত দি সি ছাগলী দুটাত চৈধ্য হাজাৰ টকা পোৱা বুলি কওঁতে মনবৰে কৈ উঠিল, "তোৰ হাততে থ বাপু "। এইবোৰ তোৰ কাৰণেহে আমি কৰিছো। মাকে ক'লে, " চাৰিহাজাৰ টকাতে অতবোৰ বস্তু পালিনে "? মোৰ হাতত অলপ আছিল । দেউতাই ৰাতিপুৱা বিশ হাজাৰ টকা দিছিল। এতিয়াহে উপলাৰ মনত পৰিল। দমৰা হাল বিক্ৰী কৰি পোৱা ধনখিনি তাৰ পঢ়া খৰচৰ বাবে সাঁচি থৈ দিয়াৰ কথা ! মনবৰ - উপলাই পুতেকে কৰি দিয়া সুবিধা খিনি ভাল পালে যদিও পঢ়াৰ বাবে ৰখা টকাবোৰ এনেকৈ খৰচ কৰাত পেটে পেটে সুখী হব পৰা নাই। তেওঁলোকৰ ভাৱবোৰ ধৰিব পাৰিয়েই যেন অতনুৱে ক'লে, আৰু পাঁচ ছয়মাহ ঘৰতে থাকিম। বিএচ চি ৰিজাল্ট দিলেহে পঢ়িবলৈ যাম। এইবাৰ দুটাবছৰ পঢ়িব পৰাকৈ সমল আছে যেতিয়া দৰকাৰী বস্ত কেইপদ আনি ললো। টিউচন কৰিলেও এডমিছনৰ টকা যোগাৰ হ'ব। বাকীখিনি আগৰ দৰেই ওলাই থাকিব। " তোৰ পঢ়াৰ কাৰণে মোৰ পাছবুকতো টকা আছে "। উপলাৰ কথা শুনি মনবৰে ক'ল, মাৰে গোটৰ পৰা ঋণ লৈ টকাখিনি পাচবুকত থৈ দিছে। তোৰ দৰকাৰ হলেই দিব পৰাকৈ। উপলাৰ পাচবুকটো চাই অতনুৱে হাঁহি পেলালে। অজলা মাকজনীয়ে নাখাই নবৈ তালৈ বুলি জমা থোৱা ধনৰ পৰিমান প্ৰায় চল্লিশ হাজাৰ টকা। এইখিনি টকাৰে এটা বছৰলৈ হবই। বাকী বছৰটো আগৰদৰেই চলাই যাম দে। আবেলি সি গাঁৱৰ জ্ঞাতীৰ ঘৰলৈ এপাক ওলাই গ'ল। আৰু পিছ দিনালৈ চাৰিটা মানুহক ঘৰত কাম কৰিবলৈ মাতি আহিল। ঘৰখন শুৱনি হৈ পৰিল।

চকুৰ পচাৰতে অতনুৰ পঢ়াৰ দুটা বছৰ শেষ হ'ল। ইন্টাৰভিউবোৰ দি আছিল। আজি হঠাতে পোৱা নিযুক্তি পত্ৰখনে মাক পুতেকক মুক বধিৰ কৰি পেলাইছে। পিছ মুহূৰ্ততে চলচলীয়া চকুৰে দীঘল পদূলিলৈ চাই সুখৰ বতৰাটো মনবৰক দিবলৈ উপলা অস্থিৰ হৈ পৰিল।

অতনুলৈ আঙুলিয়াই দহে কয় , পঢুৱাব পাৰিলে কিমান উন্নতি হয় চা। অতনুৰ ঘৰখনত এতিয়া নথকা বস্তু নাই। ঘৰত টিনপাত লাগিল। পুতেকৰ চাকৰি হ'ল ,হালোৱা এটাই ইমান খিনি কৰি দেখুৱাইছে ! তেওঁ আমাৰ আদৰ্শ।

স্থানীয় যুৱসমাজে আদৰ্শ কৃষক হিচাপে সম্বৰ্দ্ধনা জনোৱা সভাত মনবৰে ক'লে, কষ্টৰ মিঠা ফল পাইছো । মন বান্ধি ল'ৰা ছোৱালীক পঢুৱাওক। তেওঁ সজোৰে ক'লে , ৰাইজ , আমি সকলোৱে জানোৱেই , "মন কৰিলেই চন, বাকৰি মাটিতে ধন " !
সাহস বুকুত বান্ধি আগ বাঢ়িলে আপুনি এদিন সফল হবই ... ।


ৰাণু ফুকন-সাপেখাতী

# ধাৰাবাহিক

## খণ্ড ২

## "বিষ্ণুপ্ৰসাদ ৰাভা

## জনগণৰ বাবেই এৰিছিল পুলিচি চাকৰিৰ মোহ।।




তোমালোকৰ ভালনে?
আজি বাৰু আমি কাৰ সতে' চিনাকি হ'ম? ঠিক, যোৱা শুক্ৰবাৰে আধৰুৱা হৈ ৰোৱা বিষ্ণুৰাভাৰ বৰ্ণিল জীৱনৰ আৰু এটি অধ্যায় আমি আলোচনা কৰিম।। আচলতে কি জানা বিষ্ণুৰাভাক বুজিবলৈ আমাক বহু দিন লাগিব।। হ'লেও খৰখেদাকৈ ভুৰুকাত হাতী নভৰাও।। কি বুজা নাই।। মানে বিশাল জীৱনটোৰ কথা এদিনতে চমুৱাই নকও।। নহ'লে তোমালোকৰ জ্ঞান খণ্ডিত হ'ব। খণ্ডিত জ্ঞান বৰ ভয়ঙ্কৰ।।

বাৰু তোমালোকৰ নিশ্চয় আগৰ কথাখিনি মানে ৰাভাদেৱৰ শৈক্ষিক যাত্ৰা সম্পৰ্কে কোৱা কথাখিনি মনত আছে।। ভাৰতীয় স্বাধীনতা আন্দোলনত সংক্ৰিয় অংশ লৈ ৰংপুৰৰ পৰা '১৯৩১ চনত পলাই গৈ কলিকতা পাইছিল। সেই সময়চোৱা যেন কলিকতা হৈ পৰিছিল ভাষা সাহিত্য সংস্কৃতিৰ এক জীৱন্ত সাধনা ক্ষেত্ৰ। ৰাভা আছিল আজন্ম শিল্পী। স্বাধীনতা সংগ্ৰামতৰ সক্ৰিয়তাই লুপ্ত হ'বলৈ বাধ্য কৰাইছিল।। কলিকতা পোৱাৰ পিচতে ৰাভাৰ মনৰ গহনত সুপ্ত হৈ থকা শিল্পী প্ৰাণটোৱে সাৰ পাই উঠিল। সাহিত্য সংস্কৃতিৰ কাম কৰাৰ দূৰ্বাৰ হাবিয়াসে উত্ৰাৱল কৰি তুলিলে। কথাছবি আৰু সাহিত্য দুয়োটা ক্ষেত্ৰতে ৰাভা হৈ পৰিল অগ্ৰণী।।

তোমালোকে জানি থোৱা ভাল, উনবিংশ শতিকাত কলিকতাত হোৱা নৱজাগৰণৰ পৰিপ্ৰেক্ষিতত সেই সময়ত কলিকতাত অধ্যয়ন কৰি থকা সমূহ অসমীয়া ছাত্ৰই ১৮৮৫ চনত অসমীয়া ভাষা উন্নতি সাধিনী সভা গঠন কৰি জোনাকী আলোচনীৰ প্ৰকাশ কৰিছিল। জোনাকী আলোচনীয়ে অসমীয়া সাহিত্যত নৱন্যাস যুগৰ সূচনা কৰে। ১৯০৭ চনত পদ্মনাথ গোহাঞি বৰুৱাৰ সম্পাদনাত উষা নামৰ আলোচনীখন প্ৰকাশ হৈছিল। প্ৰকাশৰ সময়ৰে পৰা লক্ষ্মীনাথ বেজবৰুৱাই উষাত 'কৃপাবৰ বৰুৱা' ছদ্মনামত প্ৰবন্ধ ৰচনা কৰে। উষাৰ তৃতীয় ভাগ, তৃতীয় সংখ্যাত 'কৃপাবৰ বৰুৱাৰ প্ৰত্যাগমণ' নামৰ প্ৰবন্ধৰ তলত প্ৰকাশ হোৱা 'এংলো ইণ্ডিয়ান' নামৰ প্ৰবন্ধটিক লৈ হোৱা সমস্যাৰ বাবে জোনাকীৰ গতি কিছু স্তব্ধ হৈ পৰে।।

১৯০৯ চনৰ আগষ্ট মাহত কলিকতাত অধ্যয়নৰত ছাত্ৰ আৰু কেইজনমান প্ৰৱাসী অসমীয়াই মীৰ্জাপুৰ ষ্ট্ৰীটৰ লায়েক জুবিলী ইনষ্টিটিউটৰ এটা কোঠাত ছাত্ৰসকলৰ মাজত পুনৰ যোগাযোগ স্থাপনৰ বাবে গোট খায়। এই সভাত তেওঁলোকে জোনাকী কাকতৰ পুনৰ প্ৰকাশ কৰিবলৈ ঠিক কৰে। কিছুদিন পিছত সভাত উপস্থিত থকাসকলে লক্ষ্মীনাথ বেজবৰুৱাক কথাখিনি কোৱাত তেওঁ কয় যে কলিকতাত প্ৰবন্ধ গোটাই সম্পাদনা কৰি যোৰহাটলৈ পঠিয়াই তাত ছপা কৰি পুনৰ কলিকতাত বিতৰণ কৰাটো দুৰূহ কথা হ'ব। তাতকৈ বেজবৰুৱাই নিজেই এক কাকত উলিয়াম বুলি তেওঁলোকৰ পৰা প্ৰবন্ধ বিচাৰে। সেইমতে তেওঁলোকে প্ৰবন্ধ লিখি বেজবৰুৱাৰ হাতত অৰ্পণ কৰে। এই কথাত যতীন্দ্ৰনাথ দুৱৰাৰ সমৰ্থন পাই তেওঁ আলোচনীখনৰ নাম বাঁহী ৰাখে। লক্ষ্মীনাথ বেজবৰুৱাৰ হাওড়াৰ আৱাসৰ ওচৰতে 'সলকিয়া প্ৰিণ্টিং ৱৰ্কছ' নামৰ এক ছপাখানা আছিল। ১৮৩১ শকৰ আঘোন মাহ অৰ্থাৎ ১৯০৯ চনৰ নৱেম্বৰ মাহত লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত বাঁহী আলোচনীৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যা প্ৰকাশ হৈ ওলায়। প্ৰথম বছৰৰ প্ৰথম সংখ্যা বাঁহীৰ প্ৰথম পিঠিত এগৰাকী মহিলাই গছৰ তলত বাঁহী বজোৱা ছবি এখনৰ তলত লক্ষ্মীনাথ বেজবৰুৱাৰ বাঁহী কবিতাটি প্ৰকাশ কৰা হৈছিল। তোমালোকে জানি  আচৰিত হ'বা  ৩২ পৃষ্ঠাৰ বাঁহীৰ মূল্য আছিল এটকা আঠ অনা। এই বাঁহী আলোচনীৰ "চিত্ৰলেখা" নামৰ শিতানটি পৰিচালনাৰ দায়িত্ব লৈছিল বিষ্ণুৰাভাই।  সেই সময়তে শাস্ত্ৰীয় সংগীতৰ অনুশীলন চলাইছিল।। কি যে আচৰিত, সেই সময়তে ৰাভাই  কলিকতাত অনুষ্ঠিত এক প্ৰদৰ্শনীত ভিক্টৰ হিউগ নামৰ ইংৰাজ লেখক এজনৰ চৰিত্ৰৰ মেকআপ কৰি সকলোৰে প্ৰশংসা পাইছিল।। ৰাভাই নিজকৈ এটা "অৰ্গো পিকচাৰ্চ কৰপোৰেচন" খোলাৰ কাম কৰিব লৈছিল, কিন্তু দুখৰ বিষয় সেই সময়ত আকৌ ইংৰাজ পুলিচৰ নজৰত পৰিল। চট্টগ্ৰামত হোৱা এক সংঘৰ্ষত ৰাভাকো সন্দেহ কৰি তালাচি কৰে। চিনেমা কৰা আশা মনতে সামৰি ৰাভা গৈ ঢাকা পালে।। ৰাভাৰ ককায়েক নন্দলাল  ৰাভাই বিষ্ণুক পুলিচৰ চাকৰিত মকৰল কৰাৰ চেষ্টা কৰে। ৰাভাক চাকৰিৰ বাবে শ্বিলঙলৈ যাবলৈ দিয়ে, কিন্তু ৰাভা ওলালগৈ ভিনিহিয়েক ধাবাৰাম মেচৰ বৰপেটাৰ বাসভৱন। সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ বৰপেটাত ৰাভা হৈ পৰিল তন্ময়। পুলিচৰ চাকৰি পিঠি দি গায়ন হৰমোহনৰ তলত বৰগীতৰ অনুশীলনহে আৰম্ভ কৰিলে।  কিছুদিন পাচত এই কথা ককায়েকো গম পালে। ভিনিহিয়েকে ৰাভাই চাকৰিৰ কামৰ ঠাই শ্বিলং নগৈ বৰগীত শিকি থকা গম পাই পিচদিনাই শ্বিলঙলৈ পঠাই দিলে। বৰগীতৰ শিক্ষা আধৰুৱা কৰি ৰাভা শ্বিলং পালে।  হাতত নিয়া কৰ্ণেল ডি স্মিথৰ চিঠি নি শ্বিলঙৰ বিষয়া মিঃ কালাঘণক দিলে। কেইদিনমানৰ ভিতৰতে ডি এচ পি পদত নিযুক্তি পালে। কিন্তু পুলিচ বিষয়া হৈ ইংৰাজৰ বাবে সেৱা কৰি নিজৰ মানুহক লাঠি চলাব, তেনে কাম কৰিবলৈ ৰাভাক অন্তৰাত্মাই অনুমতি নিদিলে। পুলিচ চাকৰিৰ মোহ এৰি শ্বিলং ত্যাগ কৰিলে।। গুছি আহিল তেজপুৰ।।

নবীন, উৎপল আজি তোমালোকক ৰাভাৰ পুলিচ চাকৰিৰ আঁৰৰ কথা খিনি কলোঁ। অহা সপ্তাহত তেজপুৰৰ আলোকময় সাংস্কৃতিক পৰিক্ৰমাৰ কিছু ঘটনা জনাম।। আজিলৈ এৰো---

ৰাতুল চন্দ্ৰ গোস্বামী, প্ৰধান সম্পাদক,
অঃ ৰাঃ প্ৰাঃ শিক্ষক সন্মিলনী

# কবিতা

# আহা আমি গাই যাওঁ "
# অ আ ক খ" শিকি যাওঁ

অ আহিল অকলে
অমিতাটো লৈ,
আ আহিল আনিচৰ লগত
আম এটি লৈ।
ই আহিল ইটা লৈ
সাজিব পকীঘৰ,
ঈ আহিল ঈগলত উঠি
হৈছে হেনো জ্বৰ।
উ বোলে উৰাজাহাজত
উজনিলৈ যাব,
ঊ বোলে ঊণসূতা
বজাৰত কিনিব।
এ কয় এৰাপাত
এৰী পলুৱে খায়,
ঐ যায় ঐৰাৱতত
গান গায় গায়।
ও বোলে ওলকবি
খৰালিৰ পাচলি,
ঔ বোলে ঔ টেঙা
মাছৰ সৈতে খাবি।
ক য় কলে কনকক কাম এটা কৰা,
কল আৰু কমলাৰ পাচি দুটা আনা ।
খ য় কলে খালৈটোত কি আছে চোৱা?
খলিহনা, খালৈভাঙীক লগে ভাগে থোৱা ।
গ য় চালে গছৰ তলত কোনে গান গায়?
গগনে গৰু চৰায় আছে গান গায় ।
ঘ য় কলে ঘৰটোত ঘড়ীটো আছে,
ঘপহকৈ চাই আহা কিমান বাজিছে?
ঙ য় বোলে নাঙলেৰে কি কৰে জানা?
নাঙলৰ বিষয়ে দেউতাক গৈ সোধা ।
চ য় বোলে চৰাইজনী চালত পৰি আছে,
চাউল অলপ আনি তুমি দিয়া চোতালতে ।
ছ য় বোলে ছোৱালীৰ ছয় বছৰ হ'ল,
ফুলাম ছাতি হাতত লৈ পঢ়াশালিলৈ গ'ল ।
জ য় বোলে জাহাজত জাঁজীলৈ যাব,
জগমোহনৰ দোকানত জিলাপী খাব ।
ঝ য় বোলে ঝক ঝক ৰেলগাড়ী যায়,
ঝুমুৰ নাচি মইনাই বাঃ বাঃ পায় ।
ঞ য় বোলে জিঞাজনী উৰি আছে ৰঙত,
কেঞা আঙুলি কাণ খজুৱাই বৰ মনোযোগত ।
ট য় বোলে টোপোলাটোত বহু টকা আছে,
টনা-টনি নকৰিবা আহা পাছে পাছে ।
ঠ য় বোলে ঠিকনাটো পালিনে ঠাকুৰৰ,
ঠেলা-গাড়ীত উঠি ভাইটিৰ কিমান যে ৰং ।
ড য় বোলে ডালিমী ডালিমটোকে কাটা,
ডৰিকনা মাছখিনি আদাৰে বনোৱা ।
ঢ য় বোলে ঢেকীশালত ঢাৰিখন আছে,
ঢুলীয়াই ঢোল বায় নাচনীয়ে নাচে ।
ণ য় বোলে কাণফুলি কাণত দেখোন নাই ?
পাণ আনি আইতাক কিয় দিয়া নাই?

ত য় বোলে তৰাঁহতে কি কৰি আছে?
তগৰ ফুলৰ তলত বহি মালা গাঠি আছে।
থ য় বোলে থৈ দিয়া আইতাৰ থুৰীয়া,
থাপনাৰ ওচৰত গৈ নমো কৰি দিয়া।
দ য় বোলে দৈ গাখীৰ বৰ ভাল পায়,
দৰা হৈ দাদাই দলগাঁওলৈ যায়।
ধ য় বোলে ধুনুমা ধাই-নাম গোৱা,
ধন-ধান লৈ তুমি ধেমাজীলৈ যোৱা।
ন য় বোলে নিশানে নাৰিকল খায়,
নিয়ৰক লগত লৈ নলবাৰীলৈ যায়।
প য় বোলে পানীজাহাজ পানীতহে চলে,
পাখি মেলি পখিলাই পদুমত বহিলে।
ফ য় বোলে ফুলেনক ফাকুৱা লাগে,
ফৰিঙৰ ফকৰা ফৰিদাই ভাঙিলে।
ব য় বোলে বহাগত বিহুৱান লব,
বাইদেউৰ লগত বিহু খাব যাব।
ভ য় বোলে ভায়লিনাই ভায়লিন বজায়,
ভাইটিয়ে হাঁহি হাঁহি ভুট ভুটিত যায়।
ম য় বোলে মামনীয়ে মামাৰ ঘৰত যায়,
মাহীৰ কোলাত বহি মাছ-মাংস খায়।
য য় বোলে যতীনে যোৰহাটত যায়,
যঁতৰ আনিব যদি কম দামত পায়।
ৰ য় বোলে ৰবিনা ৰজা-ৰাণী খেলা,
ৰঙা ৰঙা ফুলবোৰ খৰাহিটোত থোৱা।
ল য় বোলে ল'ৰাটোৱে লতা কাটি আছে ,
ললিতাই লাৰু বনাই লগৰীয়াক দিছে।
ৱ য় বোলে শিলায়ে কয় হোৱা হোৱা,
মালপোৱা, গাখীৰ খাই ফলি-পুথি লোৱা।
শ য় বোলে শৰতে শদিয়ালৈ যাব,
শাল গছৰ পুলি আনি শাৰী শাৰীকৈ ৰুব।
ষ য় বোলে ষড়ানন ষাঠী টকা লোৱা,
ষাঁড়টোৰ কাৰণে দানা-পানী আনা।
স য় বোলে সবিতাই সাধু কথা শুনে,
সিংহৰ সাধু কলে কিন্তু বৰ ভয় কৰে।
হ য় বোলে হৰিণে বনত চৰি ফুৰে,
হেঁপা দেখি হাঁহজাকে পেক পেক কৰে।
ক্ষ য় বোলে ক্ষুৰধৰ ক্ষীৰ অলপ খোৱা,
দীক্ষুৰ দাড়িবোৰ খুৰাই পেলোৱা।
ড় য় বোলে ধনুকাড় মাৰি ভাল পায়,
ল'ৰাহঁতে গঁড়টো জুমি জুমি চায়।
ঢ় য় বোলে মুঢ়াটোত অলপমান বহ,
বুঢ়া-বুঢ়ীৰ সাধুটো আকৌ এবাৰ ক'।
য় য় বোলে এতিয়া কি কৰা যায়?
তিয়হ বেছি ৰিয়ানে কিয় অহা নাই?
ৎ য় বোলে হঠাৎ আহিল বৰষুণ জাক,
তৎক্ষণাত ছাতিটো আনি দিয়া তাক।
ং ৰে বোলে দলং খন ৰং কৰিব,
ৰংমনে টং টং কৈ বেল বজাব।
ঃ য় বোলে বাঃ বাঃ চাৰ্কাচ চাব যাম,
কেনে মজা হ'ব হাঃ হাঃ হাঃ।
ঁ য় বোলে মই এনেই নাথাকোঁ,
ক'তনো কি পাওঁ বিচাৰি ফুৰোঁ।

বিচিত্ৰা বৰুৱা।
(৯৪৩৫৭-১৪১০১)
প্ৰধান শিক্ষয়িত্ৰী,
২১৫ নং ছত্ৰা প্ৰাথমিক বিদ্যালয়,
৩ নং ঘগ্ৰাপাৰ সমল কেন্দ্ৰ।
বড়িগোগ, বনভাগ শিক্ষাখণ্ড (নলবাৰী)।

# শিক্ষকতা

কণ - কণ হৃদয়ৰ নিষ্পাপ ভাৱনাৰে
থুনুক - থানাক খোজেৰে বিদ্যালয়লৈ
বুলি যাত্ৰা যাৱ
শিক্ষকৰ শিক্ষকতাৰ আৰম্ভণিয়েই তাত।
    সাৰ - পানী যোগান ধৰি
    ফল - ফুলেৰে জাতিষ্কাৰ
    কৰি
প্ৰকৃত মানৱলৈ ৰূপান্তৰ যাৰ
সেয়াই হৈছে শিক্ষকৰ শিক্ষকতাৰ মূল অহংকাৰ।
  বিদ্যালয়ৰ এই জ্যোতিষ্মান সৌৰমণ্ডলত
শিক্ষকতাৰ তপ্ত পোহৰত
দশোদিশ জিলিকাই তুলা
এই কণ - কণ শিশুবোৰৰ
আশাৰ ৰেঙণিয়েই হ'ল
আমি শিক্ষকৰ শিক্ষকতা।
   মানৱ গঢ়াৰ প্ৰকৃত চানেকি আমি
ঘোৰ অমানিশাৰ প্ৰতিচ্ছবি আঁতৰাই
পূৰ্ণিমাৰ জোনৰ আভা জিলিকাই
জ্ঞানৰ উচ্চতম সৌধ বিলাই
শিক্ষকতাৰ বৃত্তিত জড়িত শিক্ষক আমি।

ৰাবিয়া বেগম, ২ নং মঠঘৰীয়া প্ৰাথমিক বিদ্যালয়
গুৱাহাটী ব্লক

# মই এগৰাকী কৰ্মচাৰী ।

মই এগৰাকী কৰ্মচাৰী,
অসম চৰকাৰৰ বেতনভোগী ।
মোৰ দায়িত্ব বহুত বেছি
আনৰ তুলনাত মই সদাব্যস্ত ।
মই দুটি সন্তানৰ মাতৃ
ঘৰৰ বোৱাৰী,এজনৰ পত্নী
ঘৰৰ সমস্ত দায়িত্ব মোৰ কান্ধত ।
ৰ'দ বৰষুণক নেওচি কৰ্তব্য পালন
কৰা এগৰাকী মই কৰ্মচাৰী ।
মোৰ হাতত অৰ্পণ কৰিছে শত শত শিশুৰ ভবিষ্যৎ গঢ়াৰ দায়িত্ব
কাৰণ মই যে মানুহ গঢ়াৰ যন্ত্ৰ
মোৰ হাততে আছে মূলমন্ত্ৰ
কৰ্মস্থলীখন মোৰ পবিত্ৰ মন্দিৰ
য'ত ওমলে এজাক নিস্পাপ শিশু ।
বৰ্ণমালাৰে আৰম্ভ কৰো সিহঁতৰ
আনুষ্ঠানিক শিক্ষা,নৱ নিত্য কৌশলেৰে ।
আৰ্কষিত কৰো পাঠগ্ৰহনৰ প্ৰতি ।
বিদায়তনিক,সহবিদায়তনিক দিশৰ
উত্তৰনেই মোক দি যায় কৰ্ম জীৱনৰ সফলতা কিম্বা বিফলতা ।
সম দৃষ্টিৰে বিলাই যাওঁ
জ্ঞানৰ সফুঁৰা ।
সিহঁতক লৈ মই সৰগ ৰছো
কাৰণ মই এগৰাকী কৰ্মচাৰী
অন্তৰেৰে বিশ্বাস কৰো কৰ্মই ধৰ্ম ।

কৃপালী মহন্ত ।
মহকুমা---গহপুৰ ।
শিক্ষাখণ্ড---ছয়দুৱাৰ ।
জিলা---বিশ্বনাথ ।


শিশু শিতান

কবিতা

# আমাৰ পঢ়াশালি

বিতোপন আমাৰ পঢ়াশালিখনি
নানা গছ-গছনিৰে ভৰা,
বহু সাদৰে সজাই ৰাখিছোঁ
সঘনাই মাৰিছো বেৰা।
নানা গছ আৰু ফুলৰ নাম জানো
কি গছ কি কামত লাগে,
সকলো গছতে ফলক আঁৰি থৈছো
কেৱল পঢ়ি যাব লাগে।
সকলো গছৰ যতন কেনেকৈ লওঁ
হাতে কামে শিকো আহঁা,
সকলোৱে মিলি চাফচিকুণ কৰি
পৰিৱেশ নিকা কৰোঁ আহঁা।

শ্ৰী পাপৰি নাথ।
পূৱ চাউলখোৱা প্ৰাথমিক বিদ্যালয়
শ্ৰেণী- চতুৰ্থ
জিলা-ধেমাজি
খণ্ড- বৰদলনি

## কবিতা

# আগতে নিজে সঠিক হোৱা

আনক ঠগালে নিজে ঠগ খায়
ভাবি চালে মনৰ মাজত,
সকলোৰে বাবে সৎ চিন্তা থাকিলে
কঁহুৱা ফুলে মন আনন্দত।
আনক বেয়া কোৱাৰ আগতে
নিজকে শুধৰাই লোৱা,
আনৰ সমালোচনা কৰাৰ আগতে
নিজৰ বাটত নিজে সঠিক হোৱা।

আগবাঢ়ি যোৱা জীৱনৰ বাটত
নৰৱা থমকি কোনো কালে,
তেহে পাবা তুমি আনন্দ সদায়
জীৱন যুদ্ধত জয়ী হ'লে ।

নাম- শ্ৰী নিতা ৰামচিয়াৰী
শ্ৰেণী- পঞ্চম(খ)
ৰোল নং- ১
বিদ্যালয়- বাঘৰবড়ী প্ৰাথমিক বিদ্যালয়

কবিতা

# মৰমৰ ভনী

মোৰ এজনী ভনী আছে
নাম তাইৰ কুহী,
তাই খাই ভাল পাই
চকলেট চুহি।
স্কুললৈ যাবলৈ তাই
বৰ বেয়া পাই,
মাৰ লগত ঘৰত থাকি
বৰ মজা পাই।
মাইনা হ'ল সকলোৰে
অতি মৰমৰ,
মোৰ একমাত্ৰ ভনী
আছে মোলৈও আদৰ।

ধনজিত দাস
৫ ম শ্ৰেণী
বঙৰা তালুকদাৰপাৰা বালিকা প্ৰাথমিক বিদ্যালয়
ৰামপুৰ শিক্ষাখণ্ড
কামৰূপ

# কবিতা

## মা



মা “অ” মা মোক কিয়
ইমান মৰম কৰা
তোমাৰ মুখত মোৰ
মুখখন কেনেকৈ যে
ধৰি ৰাখিছিলা
আজি মই ডাঙৰ হৈছো
সৰুতে চুমা খোৱা
মুখখনৰ চিনাকী মনত পৰিছে ।

নাম ঃ শ্ৰী মামন হাজৰিকা
শ্ৰেণী ঃ ৩য়
লাওখোৱা বনগাঁও প্ৰাথমিক বিদ্যালয়

# গল্প



# আঁহত গছজোপা

ৰাহুল আৰু ৰীমাই সদায় খোজকাঢ়ি বিদ্যালয়লৈ অহা-যোৱা কৰে। সিহঁতৰ অহা-যোৱা ৰাস্তাটোত এডাল প্ৰকাণ্ড আঁহত গছ আছে আৰু গৰম দিনত সিহঁতে গছজোপাৰ তলত জিৰণি লয়। পিছে বিদ্যালয়ৰ পৰা ঘৰলৈ আহোঁতে দেখিলে যে গছজোপাৰ ওচৰত বহুত মানুহ জুম বান্ধি আছে। ইফাল-সিফাল চাই সিহঁতে গম পালে যে কাইলৈ এই গছজোপা কাটি দিব। কথাটো গম পাই দুয়োটাই মনত বৰ আঘাত পালে।

দুখ মনেৰে সিহঁত ঘৰলৈ ঘূৰি অহাৰ ৰাস্তাত সিহঁতৰ গাওঁৰে বিদান দাদাকক লগ পালে আৰু সকলো কথা বিৱৰি ক'লে। বিদান দাদাকে সিহঁতৰ কথা শুনি নিজৰ বাইকতে ৰাহুল আৰু ৰীমাক বহুৱাই লৈ গৈ গছজোপাৰ ওচৰ পালেগৈ। বিদান দাদাকে সকলোকে খুব সুন্দৰ আৰু আকৰ্ষণীয়ভাৱে সকলোকে সচেতন কৰি তুলিলে যে,গছ কটাতো বেয়া কথা। বিদান দাদাকৰ নেতৃত্বত স্থানীয় ৰাইজে গছডাল কটাৰ পৰা বছালে। পিছদিনা স্কুলত হেড্ বাইদেউৱে কথাটো গম পাই ৰাহুল আৰু ৰীমাক প্ৰশংসাৰে উপচাই পেলালে আৰু সকলোকে বুজাই দিলে যে,গছ কাটিব নালাগে আৰু এজোপা গছ কাটিলে দহজোপা গছ ৰুৱ লাগে।

**শ্ৰী মতী দিক্ষা বড়ো**
**পঞ্চম শ্ৰেণী**
**পূব চাউলধোৱা প্ৰাথমিক বিদ্যালয় ।**



# দুই বন্ধু





এখন হাবিত দুই বন্ধুৰে বাস কৰাছিল।বন্ধু দুজনৰ নাম আছিল বিকু আৰু মিকু। এজনে আনজনক নেদেখাকৈ এদিনো থাকিব পৰা নাছিল।পুৱা দুয়ো একে সময়তে একে ঠাইতে লগ হৈছিল।দুয়ো ৰং ধেমালিৰে দিনবোৰ।পাৰ কৰিছিল।আন এদিনৰ কথা ।দিনটো দুয়ো বহু কথা পাতি বহি আছে।এনেতে মিকুৰ কথা এটা মনত পৰিল।আৰু সি বন্ধু বিকুক ক'লে,আমি দুয়ো বন্ধু কিন্তু ইজনে আনজনৰ ঘৰখনৰ সৈতে চিনা চিনি হোৱা নাই।সেয়েহে মোৰ ঘৰলৈ আমন্ত্ৰণ জনালো যাবানে?জাপ মাৰি বিকুৱে ক'লে কিয় নেযাম!নিশ্চয় যাম।তেন্তে পুৱা ন বজাত এনেদৰে গলেই মোৰ ঘৰ পাবাগৈ। সময়মতে বিকুৱে বন্ধু মিকুৰ ঘৰ ওলালগৈ।বন্ধুক বহিবলৈ দি কি খুৱাম কি বনাম ভাবি ভাবি মিকুৱে জুইৰ ওপৰত চৰু এটা পাতি তাতে বহি থাকিল। বন্ধু বিকুৱে সকলো চাই থাকিল।গৰম পানীত বহি মিকুৱে কণী এটা পাৰি গৰমে গৰমে বিকুক খাবলৈ দিলে।বিকুৱে খাই বৰ ভাল পালে। পিছদিনা বিকুৱে মিকুক তাৰ ঘৰলৈ মাতি থৈ গ'ল।সময়মতে মিকু আহি বিকুৰ ঘৰ পালেহি।বন্ধুক বহিবলৈ দি সি জুইৰ ওপৰত চৰু এটা পাতি তাতে বহি থাকিল।বহু সময় বহি থাকিও কণী এটা পাৰি বন্ধুক খুৱাব নোৱাৰি সি বৰ লাজ ও দুখ পালে।ইফালে গৰম পানীত তাৰ টিকা পুৰি ৰঙা হৈ পৰিল।এই দৃশ্য দেখি মিকুৱে হাঁহি ৰখাব নোৱাৰি বাগৰি বাগৰি হাঁহিবলৈ ধৰিলে।

বন্ধু বান্দৰৰ টিকা জুইয়ে পুৰি ৰঙা হৈ থাকিল।সেয়ে বান্দৰৰ টিকা ৰঙা।ইফালে মিকু বনকুকুৰাই হাঁহি হাঁহি চকু ৰঙা হৈ থাকিল।সেয়ে কুকুঁৰাৰ চকু ৰঙা।এই দুই বন্ধুৰ সাধুটো সৰুতে আইতাই কৈছিল। আজি সকলোৰে আগত প্ৰকাশ কৰিলোঁ।


**শ্ৰীমতী তপস্যা ঠেঙাল**
**পূব চাউল ধোৱা প্ৰাথমিক বিদ্যালয়।**
**চতুৰ্থ শ্ৰেণী,ৰোল নং ১ ।**

# চিত্রাংকন





ভাগ্যশ্রী দত্ত
তৃতীয় শ্রেণী
১৫৪ নং বেঙেনা আটী সত্র প্রাথমিক
বিদ্যালয় ।




বিদ্যুৎ দেওৰী।
পূব চাউলধোৱা প্ৰাঃ বিঃ।
জিলা- ধেমাজি। খণ্ড- বৰদলনি



শ্ৰী অভিজ্ঞান বৰগোহাঁই (দ্বিতীয়)
জেৰাই ম'হমৰা প্ৰা:বি:(পানীতোলা,ডিব্ৰুগড় )



শ্ৰীমতী নিহাৰিকা গোহাঁই (তৃতীয়)
জেৰাই ম'হমৰা প্ৰা:বি:(পানীতোলা,ডিব্ৰুগড় )



শ্ৰীমতী দুৰ্বাঙ্গী বৰুৱা (দ্বিতীয়)
জেৰাই ম'হমৰা প্ৰা:বি:(পানীতোলা,ডিব্ৰুগড় )



শ্ৰীমতী প্ৰাপ্তী হাজৰিকা (দ্বিতীয়)
জেৰাই ম'হমৰা প্ৰা:বি:(পানীতোলা,ডিব্ৰুগড় )



শ্ৰীমতী শিল্পিকা গোঁহাই (পঞ্চম)
জেৰাই ম'হমৰা প্ৰা:বি:(পানীতোলা,ডিব্ৰুগড় )



শ্ৰী হিমাংশু বৰগোহাঁই (দ্বিতীয়)
জেৰাই ম'হমৰা প্ৰা:বি:(পানীতোলা,ডিব্ৰুগড় )



শ্ৰীমতী জিজ্ঞাসা বৰগোহাঁই (দ্বিতীয়)
জেৰাই ম'হমৰা প্ৰা:বি:(পানীতোলা,ডিব্ৰুগড় )



শ্ৰী কৈলাশ গোঁহাই (তৃতীয়)
জেৰাই ম'হমৰা প্ৰা:বি:(পানীতোলা,ডিব্ৰুগড় )




শ্ৰীমতী ৰশ্মিতা হাজৰিকা (প্ৰথম)
জেৰাই ম'হমৰা প্ৰা:বি:(পানীতোলা,ডিব্ৰুগড় )



শ্ৰীমতী ৰশ্মিতা হাজৰিকা (প্ৰথম)
জেৰাই ম'হমৰা প্ৰা:বি:(পানীতোলা,ডিব্ৰুগড় )



বৰ্ণালী সোণোৱাল।

মিছা ভূঞাপট্টি প্ৰাথমিক বিদ্যালয়
কলিয়াবৰ ব্লক



গীতাশ্রী শইকীয়া, পঞ্চম মান শ্রেণী,
১৫৪ নং বেঙেনা আটী সত্র প্রাথমিক
বিদ্যালয়। মাজুলী।

# ফকৰা- যোজনা

ফকৰা যোজনা

"পঢ়ে পঢ়াই ৰোৱে পাণ" এই তিনিয়ে নিচিন্তে আন ।

ইয়াৰ অৰ্থ হৈছে —

ছাত্ৰই পঢ়াৰ বাহিৰে বেলেগ একো চিন্তা নকৰে। শিক্ষকে পঢ়োৱাত মগ্ন থাকে। খেতিয়কে খেতিৰ বাহিৰে বেলেগ চিন্তা কৰিব নোৱাৰে । অৰ্থাৎ যাৰ যি কাম তেওঁলোক তাতে ব্যস্ত থকাৰ কথাকে বুজাইছে ।

ফকৰা যোজনা

" সোণৰ জেউতি অমান্য কৰিলে নকমে" ।

এই কথাষাৰে ইয়াকে বুজাব বিচাৰিছে, যে গুণী আৰু সন্মানিত লোকক কোনোবাই অৱজ্ঞা কৰিলেও সেই লোকজনৰ জ্ঞান গুণ তথা সন্মান কেতিয়াও কমি নাযায় । গুণী জ্ঞানী তথা সন্মানিত ব্যক্তিসকল চিৰকাল সোণৰ জেউতিৰ দৰে উজ্জ্বল হৈ জিলিকি থাকিব ।

ফকৰা যোজনা

" মানুহটোৱে প্ৰতি মনটো ধানটোৱে প্ৰতি কণটো" ।

এই বাক্যশাৰীয়ে বুজাইছে যে, প্ৰতিটো ধানৰ ভিতৰত একোটাকৈ কণ থাকে । ঠিক সেইদৰে প্ৰতিজন মানুহৰ নিজস্ব একোটা মন থাকে ।

অৰ্থাৎ এজনৰ মনৰ ভাৱধাৰা আনজনৰ লগত নিমিলিবও পাৰে ।

ফকৰা যোজনা

" চুঙা চাই সোপা দিয়া" —

এই বাক্যশাৰীৰ জৰিয়তে বুজাবলৈ বিচাৰিছে যে যেনে প্ৰশ্ন তেনে উত্তৰ । চুঙা মানে এটি বাহৰ দিঘলীয়া পাত্ৰ । ইয়াৰ মুখখনৰ জোখাৰে সোপা মাৰি চুঙাটোৰ ভিতৰত থকা বস্তু বাহিৰ হবলৈ দিয়া নহয় । সোপাটো যদি ঢিলা হয় তেনেহলে ভিতৰৰ বস্তুখিনি ওলাই পৰিব । ঠিক তেনেদৰে কোনো এজন মানুহৰ প্ৰশ্নৰ উত্তৰটো যদি ঠিকমতে নহয় সেই মানুহজনে সেই কথাত জিনিব নোৱাৰিব । এনে কথাত জিনিবৰ কাৰণে চুঙা চাই সোপা দিয়া ফকৰাশাৰী বুজাবলৈ চেষ্টা কৰা হৈছে ।

এই ফকৰাশাৰী অন্য এটা ফকৰাৰ লগতো মিলাব পাৰি। যেনে — যেনে কুকুৰ তেনে টাঙোন ।

সংগ্ৰাহক
শ্ৰী গুণদা দাস হাজৰিকা
লাওখোৱা বনগাঁও বিদ্যালয়
প্ৰধান শিক্ষয়িত্ৰী
শিক্ষা খণ্ডঃ - লাওখোৱা

তাং-৩১-০৫-২০২২

# কুইজ

কুইজ

১) অসম সাহিত্য সভাৰ প্ৰথম গৰাকী সভাপতি কোন ?

উত্তৰ ঃ- পদ্মনাথ গোঁহাই বৰুৱা ।

২) প্ৰথম অসমীয়া কথাছবি কি ?

উত্তৰ ঃ- জয়মতী

৩) প্ৰথম অসমীয়া মহিলা পাইলট কোন ?

উত্তৰ ঃ- ধীৰা হাজৰিকা

৪) প্ৰথম মাহেকীয়া আলোচনী খনৰ নাম কি ?

উত্তৰ ঃ- অৰুণোদয়

৫) প্ৰথম অসমীয়া জ্ঞানপীঠ বঁটা বিজয়ী পুথিখন কি ?

উত্তৰ ঃ- মৃত্যুঞ্জয়

৬) প্ৰথম অসমৰ আই চি এছ আৰু বেৰিষ্টাৰ জনৰ নাম কি ?

উত্তৰ ঃ- আনন্দৰাম বৰুৱা

৭) প্ৰথম মহাকাশচাৰী জনৰ নাম কি ?

উত্তৰ ঃ- ৰাকেশ শৰ্মা

৮) প্ৰথম অসমৰ তেল শোধানাগাৰটো ক'ত আছে ?

উত্তৰ ঃ- ডিগবৈ

৯) প্ৰথন নোবেল বঁটা বিজয়ী জনৰ নাম কি ?

উত্তৰ ঃ- ৰবীন্দ্ৰনাথ ঠাকুৰ

১০) প্ৰথম ভাৰতীয় "ভাৰতৰত্ন"ৰে সন্মানিত মহিলা গৰাকী কোন আছিল ?

উত্তৰ ঃ- ইন্দিৰা গান্ধী

সংগ্ৰাহক
শ্ৰী গুণদা দাস হাজৰিকা
লাওখোৱা বনগাঁও বিদ্যালয়
প্ৰধান শিক্ষয়িত্ৰী
শিক্ষা খণ্ডঃ - লাওখোৱা

তাং-৩১-০৫-২০২২







# বিদ্যালয়ৰ কথাৰে








শোণিতপুৰ জিলাৰ তেজপুৰ মহকুমাৰ বালিপৰা শিক্ষা খণ্ডৰ অন্তৰ্গত অকাবস্তি মিৰি প্ৰাথমিক বিদ্যালয় খন ১৯৮৮ চনত স্থানীয় কেইজনমান সমাজ সচেতন , দূৰদৰ্শী আৰু উৎসাহী ব্যক্তিৰ সহযোগত স্থাপন কৰা হৈছিল।

প্ৰতিষ্ঠাপক সহ- শিক্ষয়িত্ৰী হিচাপে মই যোগদান কৰোঁ ১৯৯০ চনত। প্ৰতিষ্ঠা কালত বিদ্যালয় খনৰ মুঠ ছাত্ৰ -ছাত্ৰী আছিল ৫৪ জন। অতি পিছপৰা আৰু অনুন্নত অঞ্চলত বিদ্যালয় খন প্ৰতিষ্ঠা কৰা হৈছিল যদিওঁ স্থানীয় ৰাইজৰ সহযোগত ২০১১ চনতেই ৰূপালী বৰ্ষ গৰকা বিদ্যালয় খনে গৌৰৱোজ্জ্বল ইতিহাস অক্ষুন্ন ৰাখি বৰ্তমান অকাবস্তি বঙালী ৰাজহ গাঁৱৰ এক বৃহৎ এলেকা সামৰি বালিপৰা শিক্ষাখণ্ডৰ ভিতৰত সৰ্বাধিক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ৰ তালিকাত নিজৰ স্থিতি অক্ষুণ্ন ৰাখিছে।

বিদ্যালয়খন অৱস্থিত গাওঁ খনৰ নাম হৈছে অকাবস্তি বঙালী গাওঁ। গাওঁ খনৰ বয়োজ্যেষ্ঠ ব্যক্তি সকলৰ পৰা জানিব পৰা মতে , আদিতে " অকা " নামৰ জনজাতীয় মিৰি লোকসকলৰ বসতিস্থান আছিল বাবে অকাবস্তি মিৰি নামেৰে বিদ্যালয়খনৰ নামাকৰণ কৰা হয়।
বৰ্তমান গাওঁ খনত বেংগলী আৰু ইছলাম ধৰ্মাৱলম্বী প্ৰায় ১৫০ শ মান লোকৰ বসতিস্থান।

১-১-১৯৯৫ তাৰিখে বিদ্যালয়খন প্ৰাদেশীকৃত হয়। ১৮-১-১৯৯৫ তাৰিখে মই প্ৰতিষ্ঠাপক সহ শিক্ষয়িত্ৰী হিচাপে নিযুক্তি পত্ৰ লাভ কৰোঁ। নিযুক্তি লাভ কৰাৰ এবছৰ পিছত অৰ্থাৎ ১-১-১৯৯৬ চনৰ পৰাই অস্থায়ী প্ৰধান শিক্ষকৰ দায়িত্ব পালন কৰিব লগা হয়। ১৯৯৬ চনৰ পৰা ২০০০ বৰ্ষ লৈকে বিদ্যালয়ত এজনীয়া শিক্ষয়িত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি যাওঁ। ২০০১ চনত এজন OBB শিক্ষক নিযুক্তি দিয়ে যদিও ২০১০ ত চাকৰি নিয়মীয়া কৰণৰ সূত্ৰে শিক্ষক জনে ঢেকিয়াজুলি শিক্ষা খণ্ডত যোগদান কৰে। ২০১০ চনৰ পৰা আকৌ এজনীয়া শিক্ষয়িত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিব লগা হয়। ২০১২ চনত দুটা পৰ্যায়ত টেটউত্তীৰ্ণ মুঠ তিনিগৰাকী নতুন শিক্ষয়িত্ৰী আৰু ২০১৬ চনত স্থায়ী পদত আন এগৰাকী শিক্ষয়িত্ৰী নিযুক্তি দিয়াৰ লগতে অস্থায়ী ভাৱে এজন শিক্ষকেও বিদ্যালয় খনত যোগদান কৰে। ২০১৭ চনৰ আগষ্ট মাহত এগৰাকী সহ শিক্ষয়িত্ৰীয়ে চাকৰি এৰি উচ্চ প্ৰাথমিকত নিজৰ জিলাত নিযুক্তি লাভ কৰে। একে বছৰতে অস্থায়ী শিক্ষক জনকো পূৰ্বৰ বিদ্যালয়ত আহৰাই লৈ যায়। বৰ্তমান আমাৰ বিদ্যালয়ত মুঠ চাৰিগৰাকী শিক্ষয়িত্ৰীয়ে অতি কষ্টৰ মাজেৰে পাঠদান কাৰ্য চলাই আছোঁ। শৈক্ষিক পৰিবেশৰ লগতে বিদ্যালয়ৰ যিকোনো কাম-কাজত সহ শিক্ষয়িত্ৰী সকলে যথেষ্ট উৎসাহ আৰু আগ্ৰহেৰে কাম কৰা পৰিলক্ষিত হয়। ২০০০/০১ বৰ্ষত কামৰূপ মিৰ্জাত বুনিয়াদী প্ৰশিক্ষণ লাভ কৰি ২০০১ৰ পৰা বৰ্তমানলৈকে এইখন বিদ্যালয়তে প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্বলৈ কাৰ্য্যনিৰ্বাহ কৰি আছোঁ।

বিদ্যালয়খনত এটা সৰু পুথিভঁৰালৰ ব্যৱস্থা আছে। ছাত্ৰ সংসদ আৰু সহকাৰী শিক্ষয়িত্ৰী সকলৰ সহযোগত পুথিভঁৰালৰ কাম-কাজ নিয়াৰিকৈ পালন কৰা হয়। পুথিভঁৰালৰ বাবে নিৰ্দিষ্ট কোনো কোঠালী নাই। অস্থায়ী কাৰ্যালয়ৰ ভিতৰতে পুথিভঁৰাল স্থাপন কৰা হৈছে। বৰ্তমান পুথিভঁৰাল খনত ৫১০ খন পুথি মজুত আছে।

আৰম্ভণিৰে পৰা জিলা আৰু খণ্ড মিচন কাৰ্যালয়ৰ পৰা পোৱা বিভিন্ন প্ৰশিক্ষণ যেনে, সমাজ জড়িত কৰণ, হিচাপ -নিকাচ সংৰক্ষণ ,বিদ্যালয়ৰ বিভিন্ন নথি-পত্ৰ আদিৰ সংৰক্ষণ সন্দৰ্ভত প্ৰশিক্ষণৰ জৰিয়তে যিখিনি প্ৰশিক্ষণ দিয়া হয়, সেইখিনিকে প্ৰশিক্ষণ হিচাবেই সীমাবদ্ধ নাৰাখি বাস্তৱ ক্ষেত্ৰত প্ৰয়োগ কৰাত সদায় ব্যৱস্থা গ্ৰহণ কৰি আহিছোঁ। বিদ্যালয় খনে ২০১৮ বৰ্ষৰ গুণোৎসৱত A grade আৰু ২০১৯ বৰ্ষৰ গুণোৎসৱত A + grade লাভ কৰে। ২০০৯ চনত বিদ্যায়তনিকj আৰু সহ- বিদ্যায়তনিক কাৰ্যাৱলীৰ স্বীকৃতি হিচাপে খণ্ড পৰ্যায়ত প্ৰশংসা পত্ৰ লাভ কৰোঁ। ২০২১ বৰ্ষত বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰশংসা পত্ৰ আৰু বঁটা লাভ কৰিবলৈ সক্ষম হওঁ। ২০০৭ /০৮ (নং - ১ ) বৰ্ষৰ পৰা ক্ৰমানুসাৰে ২০২২ / ২৩ ( নং ১৫ ) বৰ্ষ লৈকে অনুদান ব্যৱহাৰৰ হিচাপ বহী,পুঁজি জমা ৰেজিষ্টাৰ,খৰছৰ হিচাপ সংৰক্ষণ ,মজুত সামগ্ৰীৰ হিচাপ বহী ,ভাউচাৰ ফাইল আদি নিয়মিতৰূপে লিখাৰ লগতে যাৱতীয় ৰেজিষ্টাৰ আৰু তথ্য - পাতি সংৰক্ষণ কৰি আহিছোঁ আৰু বৰ্তমানেও মজুত আছে। ২০০৩ চনৰ পৰা বৰ্তমান লৈকে ছাত্ৰ -ছাত্ৰী আৰু শিক্ষকৰ তথ্য মজুত আছে। পৰিচালনা সমিতিৰ সভাত বিদ্যালয় বাৰ্ষিক উন্নয়ন পৰিকল্পনা আৰু আন্তঃগাঁথনি অনুদান ব্যৱহাৰৰ আগতীয়া খচৰা তৈয়াৰ কৰি সেইমতে আলোচনা মৰ্মে প্ৰয়োজনীয় দিশত ব্যৱহাৰ কৰি আহিছোঁ। বিদ্যালয়ৰ বিকাশমূলক কাম-কাজত পৰিকল্পনা যুগুত কৰাৰ লগতে আচঁনিসমূহৰ সফল ৰূপায়ণৰ বাবে বিদ্যালয় পৰিচালনা সমিতিয়ে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। ছাত্ৰ - ছাত্ৰীৰ নামভৰ্তিৰ হাৰ বৃদ্ধি কৰাৰ লগতে শিক্ষা বৰ্ষৰ আৰম্ভণিৰ পৰাই নিয়মীয়া উপস্থিতি নিশ্চিত কৰাৰ লক্ষ্যৰে ৰাইজৰ সহযোগিতা প্ৰশংসনীয়। মাতৃ গোটৰ সদস্যাসকলে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি নিৰীক্ষণ কৰা, মধ্যাহ্ন ভোজনৰ বিভিন্ন দিশ চোৱা-চিতা কৰা ,বিদ্যালয় চৌহদৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা নিশ্চিত কৰা শনিবৰীয়া চ'ৰা আদিৰ যোগেদি বিভিন্ন দিশত ছাত্ৰ-ছাত্ৰীক উৎসাহ আৰু অনুপ্ৰেৰণা যোগাই আহিছে। এজনো পুৰুষ শিক্ষক নথকা বিদ্যালয় খনৰ বাবে এনেধৰণৰ কাৰ্য বিদ্যালয় খনৰ সফলতা বুলি কব পাৰি। ২০০৯ /১০ বৰ্ষত ৰাইজৰ সহযোগত বিদ্যালয় খনত সৰুকৈ এটি অস্থায়ী কাৰ্যালয় নিৰ্মাণ কৰা হয়। ২০১১/১২ বৰ্ষত ৰাইজৰ সহযোগত এটি প্ৰস্ৰাৱগাৰ নিৰ্মাণ কৰা হয়। ৰাইজৰ সহযোগত ৰেম্পত টাইলচ লগোৱা আৰু ৰং কৰা হয়।

বিদ্যালয় পৰিচালনা সমিতি, মাতৃগোট আৰু স্থানীয় ৰাইজৰ সহযোগত বিদ্যালয় খনত তিনিখনৈ ফুলনি , শাক- পাচলি আৰু ঔষধি গছৰ বাগিছাৰ লগতে দেৱদাৰু , কৃষ্ণচূড়া , বকুল, নিম, আমলখি ,জলফাই আদি অন্যান্য গছ-গছনিও আছে। এৰেলগে আঠজন ছাত্ৰ-ছাত্ৰীয়ে মধ্যাহ্নভোজনৰ আগত আৰু পাছত চাবোনেৰে হাত ধুব পৰাকৈ ২০১৬ চনতেই পানীৰ টেংকি আৰু পাইপ সংযোগৰ ব্যৱস্থা কৰা হয়। ২০১২ চনত মোৰ পূৰ্ব অভিজ্ঞতাৰে শ্ৰেণী কক্ষৰ ভিতৰত নিজে মহৎ লোকৰ বাণী লিখা, স্বৰবৰ্ণ ,ব্যঞ্জন বৰ্ণৰ চাৰ্ট ,ভাৰতৰ মানচিত্ৰ অংকন কৰাৰ লগতে ২০২১/২২ বৰ্ষত ক' শ্ৰেণীৰ দেৱালত বিভিন্ন ধৰণৰ পখিলা, খেতিৰ সঁজুলি ,ছাত্ৰ -ছাত্ৰীৰ উচ্চতা পৰিমাপৰ বাবে স্কেল আদি অংকন কৰিছোঁ।

সহ শিক্ষয়িত্ৰী সকলৰ সহযোগত পাঠভিত্তিক বিভিন্ন শিক্ষণ-শিকন সামগ্ৰী ,চাৰ্ট,ছবি,গাণিতিক ধাৰণা , অলাগতিয়াল সামগ্ৰী যেনে ,প্লাষ্টিকৰ বটল,কাগজ,কণীৰ বাকচ আদিৰে বিভিন্ন বস্তু প্ৰস্তুত কৰি আহিছোঁ। সমাজ জড়িতকৰণৰ ক্ষেত্ৰত বিদ্যালয়ৰ বিভিন্ন ৰাজহুৱা সভাত স্থানীয় ৰাইজ আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে সাধ্যানুসৰি দান-বৰঙণি আগবাই আহিছে। তাৰ ভিতৰত গডৰেজ আলমিৰা,পানীৰ মটৰ, বুকচেল্ফ , চকী-টেবুল, ৱাল ঘড়ী, প্ৰায় ৬০ খন থাল, ৫০টামান গিলাচ, বাল্টি, পানীৰ মগ,চাবোন , কলম , কাঠ-পেঞ্চিল ইত্যাদি।

বিদ্যালয়ত অভিভাৱক সকলে নিজ ইচ্ছাত ফুল আৰু অন্যান্য গছ-গছনিৰ পুলি আনি ৰোপন কৰা কাৰ্য অতি প্ৰশংসনীয় বুলি কব পাৰি। বিদ্যালয় বন্ধ থকা সময়ত ওচৰ-চুবুৰীয়া ৰাইজে ফুলনি চোৰা-চিতা আৰু পানী দিয়া দেখা যায়। বিদ্যালয় খনত এজনো পুৰুষ শিক্ষক নথকা হেতুকে প্ৰয়োজনীয় কাম-কাজৰ বাবে ওচৰে-পাজৰে থকা অভিভাৱক সকলৰ সহায় সহযোগ আমাৰ বাবে পৰম সৌভাগ্যৰ কথা।

২০১১/১২ বৰ্ষৰ পৰা এতিয়ালৈকে বিনামূলীয়া পোচাক আৰু পাঠ্যপুথি বিতৰণ অনুষ্ঠানত স্থানীয় বিধায়ক তথা মন্ত্ৰী মহোদয়ক সময়- সুবিধা বুজি আমন্ত্ৰণ জনোৱা হয়। লগতে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, গাওঁবুঢ়া, গাওঁ সদস্য , অভিভাৱক আৰু স্থানীয় ৰাইজৰ উপস্থিতিত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত পোচাক আৰু পাঠ্যপুথি বিতৰণ কৰা হয়।

২০১৮ বৰ্ষত ৰঙাপাৰা বিধান সভা সমষ্টিৰ বিধায়ক তথা শক্তিমন্ত্ৰী সন্মানীয় পল্লৱলোচন দাস দেৱৰ দ্বাৰা বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ শুভাৰম্ভ কৰা হয়। বিদ্যালয়খন অৱস্থিত গাওঁখনত ২০১৮ চনলৈকে বিজুলি সংযোগৰ কোনো ব্যৱস্থা নাছিল, উক্ত সভাত মন্ত্ৰী মহোদয়ক অৱগত কৰাত মাত্ৰ দুমাহৰ ভিতৰতে গাওঁখনত বিজুলী সংযোগৰ ব্যৱস্থা কৰি দিয়ে। এই কাৰ্যত গাওঁবাসীয়ে তেখেতক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনায়। চলিত বৰ্ষত মূল বাটৰ পৰা বিদ্যালয়ৰ ৰেম্পলৈকে পকী ৰাস্তা বনোৱা হয়,যাৰ বাবে প্ৰবল বৰষুণতো ছাত্ৰ -ছাত্ৰী সকলে বোকা পানী গছকিব লগা নহয়।

২০১৬ চনত বিদ্যালয়ৰ এগৰাকী ছাত্ৰী Congenital Heart Disease ৰোগত আক্ৰান্ত হৈ মৃতপ্ৰায় অৱস্থা হৈ পৰিছিল। বালিপৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত প্ৰথমে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চৰকাৰী খৰছত " ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰম " আচঁনিৰ অধীনত প্ৰাৰম্ভিক পৰ্যায়ৰ পৰীক্ষা -নিৰীক্ষা কৰোৱা হয়। লগতে উন্নত চিকিৎসাৰ বাবে বাংগালুৰুৰ N. H.Narayana ৰ help চেন্টাৰলৈ যোৱাৰ ব্যৱস্থা কৰি দিয়ে। ছাত্ৰী গৰাকীৰ লগতে পিতৃ মহ : নিজাম উদ্দিন চৰকাৰী খৰছত বাংগালুৰুৰ নাৰায়ণ হস্পিতাললৈ যায়। সম্পূৰ্ণ বিনামূলীয়া আঁচনিখনৰ অধীনত ২০১৬ বৰ্ষৰ আগষ্ট মাহত অত্যধুনিক সা-সৰঞ্জামৰ সহায়ত সফলতাৰে ছাত্ৰীগৰাকীৰ হৃদৰোগৰ অস্ত্ৰোপচাৰ সম্পন্ন হয়। এই গোটেই প্ৰক্ৰিয়াটো আগবঢ়াই নিওঁতে মোক ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ সৈতে বিশেষ ভাৱে জড়িত অসমৰ শিশু বিশেষজ্ঞ ড• অনন্ত ভূঞা দেৱ আৰু বালিপৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক গোটে বিভিন্ন দিশত যোগাযোগ তথা দিশা পৰামৰ্শৰে সহায় কৰে। ড• অনন্ত ভূঞা দেৱ স্বাস্থ্য বিভাগৰ ফালৰ পৰা আমাৰ বিদ্যালয়ত অহাৰ পছত আকস্মিক ভাৱে ছাত্ৰী গৰাকীক দেখি ৰোগটো চিনাক্ত কৰে। সেই সময়ত শোণিতপুৰ জিলাৰ, জিলা মিচন সমন্বয়ক শ্ৰীযুতা বুলি গগৈ ভূঞা বাইদেৱে এই ক্ষেত্ৰত মোক বিশেষভাৱে সাহস যোগাইছিল।

অতি পিচপৰা অনুন্নত এই গাওঁখনৰ ছাত্ৰ -ছাত্ৰী সকলে অভাৱ অনাটনৰ মাজেৰে বহু কষ্ট কৰি শৈক্ষিক দিশত কিছু হলেওঁ আগবাঢ়ি যাব পাৰিছে । য'ত আজিৰ পৰা দুবছৰ আগতেও গাওঁখনে বিজুলী চাকিৰ পোহৰ দেখা নাছিল। মূখ্যমন্ত্ৰীৰ বিশেষ পাৰদৰ্শীতা পৰীক্ষাত ২০১৭ - ১৮ / ২০১৮ - ১৯ বৰ্ষত পাঁচজনকৈ ছাত্ৰ-ছাত্ৰীয়ে বৃত্তি লাভ কৰে। বিভিন্ন দিশত ছাত্ৰ - ছাত্ৰী সকলে মণ্ডল আৰু খণ্ড পৰ্যায়ত বিভিন্ন পাৰদৰ্শীতা লাভ কৰি আহিছে। শৈক্ষিক দিশত অনগ্ৰসৰ ছাত্ৰ - ছাত্ৰীক আবেলি সময়ত কেতিয়াবা বিদ্যালয় চৌহদত নাইবা কেতিয়াবা আমাৰ নিজা গৃহত আন্তৰিকতাৰে শিকোৱাৰ চেষ্টা কৰি আহিছোঁ আৰু আজিওঁ সেই চেষ্টা অব্যাহত ৰাখি বহুখিনি সফলো হৈছোঁ।

ছাত্ৰ সংসদ, প্ৰাক্তন ছাত্ৰ -ছাত্ৰী ,সহ-শিক্ষয়িত্ৰী বৃন্দৰ লগতে স্থানীয় গাওঁখনক সামৰি যুৱ আৰু পাৰিপাৰ্শ্বিক সংঘ গঠন কৰা হৈছে। এই ক্ষেত্ৰত প্ৰাক্তন ছাত্ৰ -ছাত্ৰী সকলে যথেষ্ট সহযোগিতাৰে জৈৱ-বৈচিত্ৰৰ সংৰক্ষণ , বৃক্ষৰোপন , বিদ্যালয়ত পৰিপুষ্টি বাগিছা তৈয়াৰ ,থলুৱা ভাৱে পোৱা ঔষধি গছ ৰোপন আৰু সংৰক্ষণ ,পৰিবেশ সুৰক্ষাৰ বাবে বিদ্যালয় চৌহদৰ বাহিৰত ৰাজহুৱা স্থানত ডাষ্টবিনৰ ব্যৱস্থা , অনাময় ব্যৱস্থাৰ প্ৰতি ৰাইজক সজাগ কৰা, সামূহিক চাফাই আদি বিভিন্ন ধৰণৰ কাৰ্যৰে বিদ্যালয়খনৰ সফলতা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

আৰম্ভণিৰ পৰাই বিদ্যালয় খনে শিক্ষকৰ অভাৱত ভূগিবলগা হৈ আহিছে আৰু আজিলৈকে সেই অভাৱ দূৰ হোৱা নাই। বৰ্তমান বিদ্যালয়খনত ২০১ জন ছাত্ৰ -ছাত্ৰীৰ বিপৰীতে আমি মাত্ৰ চাৰি গৰাকী শিক্ষয়িত্ৰীয়ে নানা সমস্যা আৰু অসুবিধাৰ মাজেৰে পাঠদান কাৰ্য চলাই আছোঁ। চলিত বৰ্ষত ইংৰাজী মাধ্যমৰ ছাত্ৰ -ছাত্ৰীৰ নামভৰ্তিৰ সোঁতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ মূল কাৰণ হৈ পৰিছে। বিদ্যালয় খনত কৰ্মৰত শিক্ষয়িত্ৰী হিচাপে ২০২০ বৰ্ষৰ ২৬ জানুৱাৰীত শোণিতপুৰ জিলাৰ উপায়ুক্ত মহোদয়ৰ কাৰ্যালয়ৰ পৰা বিদ্যালয়ৰ পৰিৱেশ, পৰিষ্কাৰ -পৰিচ্ছন্নতা, আন্তঃগাঁথনিৰ সঠিক ৰূপায়ণ আদিৰ স্বীকৃতি হিচাপে কৃতি শিক্ষকৰ বঁটা আৰু কিতাপৰ টোপোলা লাভ কৰোঁ। ২০২১ বৰ্ষত ৬০ সংখ্যক শিক্ষক দিৱসত জিলাকৃতি শিক্ষকৰ বঁটা পোৱাৰ সৌভাগ্য হয়। কৰ্মব্যস্ততাৰ মাজতে প্ৰথম লকডাউনৰ সময়খিনিত দুখনকৈ গ্ৰন্থ ক্ৰমে - কাব্য পুথি " বহ্নিমান নদীৰ দৰে" আৰু " বিভিন্ন প্ৰজাতিৰ ফুল আৰু ইয়াৰ পৰিচৰ্যা " লিখি ২০২১ ৰ মাৰ্চ মাহত প্ৰকাশ কৰি উলিয়াব পৰাটো মোৰ জীৱনৰ এক চৰম প্ৰাপ্তি। বৰ্তমান এখন গল্প পুথি আৰু এখন প্ৰৱন্ধ পুথি -- প্ৰকাশৰ পথত। সাহিত্য জগতত জিলা পৰ্যায়ৰ বাদেও ৰাষ্ট্ৰীয় পৰ্যায়ত তিনিটাকৈ বঁটা লাভ কৰাৰ সৌভাগ্য হৈছে।

বিদ্যালয় খনত ''ক'' ৰ পৰা পঞ্চম শ্ৰেণী লৈকে প্ৰতিটো শ্ৰেণী অনুযায়ী শিক্ষক নিযুক্তি দিলে বিদ্যালয় খনৰ শৈক্ষিক দিশটো মনে বিচৰাধৰণে আগবঢ়াই নিব পাৰিম বুলি মই আশাবাদী। বিদ্যালয়খনত ছাত্ৰ -ছাত্ৰীৰ জোখতকৈ ডেস্ক- বেঞ্চৰ সংখ্যা বহুত কম। ছাত্ৰ -ছাত্ৰী অনুযায়ী দুটাকৈ শ্ৰেণীকোঠাৰ অভাৱ হৈ আছে। পুৰনা গৃহটি মেৰামতিৰো প্ৰয়োজন আহি পৰিছে। বিদ্যালয়খনত স্বাস্থ্যসন্মত ৰান্ধনিঘৰৰ অভাৱ। মধ্যাহ্নভোজনৰ বাবে কোনো স্হায়ী ভোজনালয় নাই। ছাত্ৰ-ছাত্ৰী সকলক পুৰণা গৃহতে মধ্যাহ্নভোজন পৰিবেশন কৰা হয়। বিদ্যালয় খনত এটি স্থায়ী কাৰ্যালয় নাই। বাৰান্দা সংলগ্ন কৰি এটি অস্থায়ী কাৰ্যালয় স্থাপন কৰা হৈছিল যদিও বৰ্তমান মেৰামতিৰ প্ৰয়োজন হৈছে। বিশেষকৈ শিক্ষকৰ অভাৱেই বিদ্যালয় খনৰ প্ৰধান সমস্যা। প্ৰতিটো শ্ৰেণীত কমেও একোজনকৈ শিক্ষক নিযুক্তি দিলেও ছাত্ৰ -ছাত্ৰীৰ শৈক্ষিক দিশত যথেষ্ট সহায় হ'ব বুলি আশা কৰিব পাৰি।

যি সময়ত ছাত্ৰ -ছাত্ৰীৰ অভাৱত চৰকাৰ প্ৰাথমিক বিদ্যালয়বোৰ একত্ৰীকৰণ নাইবা বন্ধ হোৱাৰ দিশত ,তেনে সময়তে অকাবস্তি মিৰি প্ৰাথমিক বিদ্যালয় খনে স্থানীয় ৰাইজৰ সহযোগত নিজৰ স্থিতি অক্ষুণ্ণ ৰাখি পূৰ্বতকৈ অধিক ছাত্ৰ -ছাত্ৰীৰে ভৰি পৰাটো বিদ্যালয় খনৰ ইতিবাচক দিশটোকে সূচায়। সহ-শিক্ষয়িত্ৰী সকলৰ সুন্দৰ সহযোগত পূৰ্বৰে পৰাই অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি বিদ্যালয় খনৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ বাবে যি প্ৰচেষ্টা চলাই আহিছোঁ অদূৰ ভৱিষ্যতেও আৰু অধিক উৎসাহেৰে স্থানীয় ৰাইজ আৰু পৰিচালনা সমিতিৰ সহযোগত এই প্ৰচেষ্টা অব্যাহত ৰাখি অধিক ফলপ্ৰসূ হ'ম বুলি আমি আশাবাদী।

**প্ৰধান শিক্ষয়িত্ৰীৰ মেজৰ পৰা**

**আম্বিয়া বেগম প্ৰ:শি:**

**অকাবস্তি মিৰি প্ৰাথমিক বি:**

**শিক্ষা খণ্ড -- বালিপৰা**

**মহকুমা -- তেজপুৰ**

# শিক্ষকৰ কথাৰে

# শিক্ষকতা জীৱনৰ ডুখৰীয়া স্মৃতি

শিক্ষকতা এক মহান বৃত্তি। এই বৃত্তিৰ লগত জড়িত হোৱাৰে পৰা সময়ে সময়ে বিভিন্ন ধৰণৰ অভিজ্ঞতা আহৰণ কৰিব পাৰিছোঁ । এই বৃত্তিটোৰ লগত মই ১৯৯৫ চনৰ পৰাই জড়িত হৈ পৰিছিলোঁ এগৰাকী অনানুষ্ঠানিক শিক্ষাখণ্ডৰ শিক্ষয়িত্ৰী হিচাপে । সেই সময়ত অনানুষ্ঠানিক শিক্ষা বুলি চৰকা্ৰৰ এটা বিভাগ আছিল । সেই বিভাগটিতেই দুবছৰীয়া কাৰ্যকালৰ বাবে মাহিলী পাৰিতোষিক ২০০/- হিচাপত নিযুক্তি লাভ কৰিছিলোঁ । বিভাগটো প্ৰাথমিক বিদ্যালয়ৰ লগত সংলগ্ন আছিল বাবে ওচৰৰে এখন বিদ্যালয়ত নিয়োজিত হৈছিলোঁ । কিন্তু বিদ্যালয়খনৰ নিয়মীয়া শিক্ষকৰ সংখ্যা ছয়গৰাকীমান আছিল বাবে মোক নিয়মীয়াকৈ ছাত্ৰ-ছাত্ৰীসকলক পঢ়ুৱাব দিয়া নাছিল । সেইবাবে সপ্তাহত কেতিয়াবা দুদিন কেতিয়াবা তিনিদিনকৈ বিদ্যালয়লৈ গৈছিলোঁ । এনেকৈয়ে প্ৰথম দুবছৰীয়া শিক্ষকতা জীৱনৰ অন্ত পৰিছিল ।

কোনো ধৰণৰ জীৱিকা বা উপাৰ্জনৰ পথ বিচাৰি পোৱা নাছিলোঁ বাবেই পুণৰ সেই চাকৰিটোকে বিচাৰি আবেদন কৰি দ্বিতীয়বাৰো নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছিলোঁ ।

দ্বিতীয়বা্ৰৰ বাবে মই যিখন বিদ্যালয়ত যোগদান কৰিছিলোঁ (বৰ্তমান যত কৰ্মৰত) সেইখন বিদ্যালয়ত প্ৰয়াত যোগেন চহৰীয়া দেৱ আৰু মোৰ অতিকে শ্ৰদ্ধাৰ শ্ৰীযুতা বীনাপাণি দেৱী বাইদেউক লগ পাইছিলোঁ । তেওঁলোক দুয়োৰে মোক বৰ মৰম কৰিছিল । আনকি এটা চৰকাৰী চাকৰি দিব লাগে বুলি চাৰ আৰু বাইদেৱে ব্লক অফিচৰ দুজন বিষয়াক বৰকৈ খাতনিও ধৰিছিল । অবশ্যে তেওঁলোক দুয়োৰে আগ্ৰহক সহাৰি জনাই দিম বুলি প্ৰতিশ্ৰুতিও দিছিল । সেই সময়ত তেওঁলোকৰ হাতত দুই এজনক চাকৰি দিব পাৰা ক্ষমতা আছিল বাবেই চাৰ আৰু বাইদেৱে খাতনি ধৰিছিল ।

ইফালে দ্বিতীয়বাৰৰ বাবেও দুবছৰীয়া চাকৰিৰ কাৰ্যকাল প্ৰায় শেষ হওঁ হওঁ। তেনেতে চাৰ আৰু বাইদেৱে পৰিচালনা সমিতিয়ে নিযুক্তি দিব পাৰা প্ৰাক প্ৰাথমিক শিক্ষকৰ পদটো খালী হৈ আছে বাবে সেই পদটোকে দেখুৱাই বিদ্যালয়লৈ গৈ থাকিবলৈ উপদেশ দিছিল। তেওঁলোকৰ উপদেশ মানি ময়ো বিদ্যালয়লৈ গৈ আছিলোঁ। সেই সময়চোৱাত মোৰ এটা অভিজ্ঞতা হৈছিল। অভিজ্ঞতাটো এনে ধৰণৰ – অনানুষ্ঠানিক শিক্ষাখণ্ডৰ ছাত্ৰ- ছাত্ৰীৰ সংখ্যা নিচেই তাকৰ আছিল বাবে আনুষ্ঠানিক শিক্ষাৰ ছাত্ৰ -ছাত্ৰীসকলক পঢ়ুৱাবলৈ দিছিল । তাৰ সমান্তৰালকৈ বহীবোৰ নিৰীক্ষণ কৰিবলৈও দিছিল । কিন্তু কোনোধৰণৰ টিক চিন বা চহী কৰাৰ অনুমতি নাছিল। অবশ্যে এই বিষয়টো চাৰ আৰু বাইদেউৰ নহয়। উপৰিষ্ট বিষয়াৰহে । এই কথাটোৱে মোৰ অন্তৰত বৰকৈ আঘাত কৰিছিল। তেতিয়াই মই বুজি উঠিছিলোঁ সাধাৰণ চহীটোৰ কিমান অসাধাৰণ মূল্য।

এনেকৈয়ে পদৰ কোনো লিখিত আদেশ বা প্ৰমানপত্ৰ নথকাকৈয়েই বিদ্যালয়লৈ অহা-যোৱা কৰি আছিলোঁ, যদিও কি কৰিম কি নকৰিম ভাবি পাৰাপাৰ পোৱা নাছিলোঁ। এই আলি-দোমোজাত পৰি ককবকাই থকাৰ সময়তেই সীমাহীন চিন্তাৰ ওৰ পেলাই সেইসময়ৰ অসম চৰকাৰৰ ৰাজহ মন্ত্ৰী ড.জয়নাথ শৰ্মাদেৱে প্ৰাথমিক বিভাগৰ চৰকাৰী চাকৰি এটাত নিযুক্তি দিলে ।

সেয়া আছিল ১৯৯৮ চনৰ ডিচেম্বৰ মাহ। শীতৰ কুঁৱলী সনা এটি কোমল পুৱা। কুঁৱলীৰ জালফালি সূৰুযৰ কিৰণে যিদৰে পৃথিৱীখনক পোহৰেৰে উদ্ভাসিত কৰে, ঠিক তেনেকৈ মোৰ জীৱনলৈয়ো এচেৰেঙা পোহৰ নামি আহিছিল। সেই পোহৰত উদ্ভাসিত হৈ শিক্ষকতাৰ দৰে আকাংক্ষিত মহান বৃত্তিটোত আন্তৰিকতাৰে যোগদান কৰিছিলোঁ, ১৭৫নং ছিপাঝাৰ নিম্ন বুনিয়াদী বিদ্যালয়ত, তেতিয়াৰ প্ৰধান শিক্ষক সন্মানীয় শ্ৰী যুত ঘনস্যাম হাজৰিকা দেৱৰ উপস্থিতিত। শিক্ষকৰ উপস্থিতিৰ বহীটো উলিয়াই যেতিয়া তেওঁ মোক চহী কৰিবলৈ দিছিল সঁচাকৈয়ে সেই ক্ষণটি আছিল মোৰ জীৱনৰ এক বুজাব নোৱাৰা মধুৰ ক্ষণ। সেই যি মই যোগদান কৰিলোঁ লগে লগে ষ্টাফটোত শিক্ষক/শিক্ষয়িত্ৰীৰ সংখ্যা এঘাৰজনলৈ বৃদ্ধি পালে। য'ত সেই সময়ত প্ৰাথমিক বিদ্যালয়ৰ পাঠদান কাৰ্যবোৰ এজন বা দুজন শিক্ষকৰে চলি আহিছিল। তেনে ক্ষেত্ৰত এঘাৰজনকৈ শিক্ষক / শিক্ষয়িত্ৰীৰে অফিচৰুম ভৰি পৰা অৱস্থাটোৱে সকলোকে আচৰিত কৰি তুলিছিল। জেষ্ঠ শিক্ষয়িত্ৰী শ্ৰদ্ধাৰ হংসেশ্বৰী চহৰীয়া বাইদেৱে আমাৰ ষ্টাফটো ফুটবল টিমলৈ উন্নীত হ'লো বুলি অভিহিত কৰিছিল। কিন্তু দুখৰ বিষয় আমি ফুটবল খেলিবলৈ খেল পথাৰত পদাৰ্পণ কৰিবলৈ নৌপাওঁতেই আউট হ'বলগীয়া হ'ল। এজন এজনকৈ পাঁচজন শিক্ষক-শিক্ষয়িত্ৰীক ডেৰমাহ দুমাহৰ ভিতৰতে বদলি কৰিলে। সেই সূত্ৰে বদলিৰ লিষ্টত মোৰ নামো আহি গ'ল। আগতে অনানুষ্ঠানিক শিক্ষয়িত্ৰী হিচাবে কাম কৰি অহা ওচৰৰে বিদ্যালয় এখনলৈ বদলি কৰিলে। প্ৰথমে যোগদান কৰা বিদ্যালয়খন এৰিবলগীয়া হোৱাৰ বাবে অলপ দুখ পাইছিলোঁ যদিও বদলি কৰাত মনে প্ৰানে বৰ ভাল পাইছিলোঁ । কিয়নো এঘাৰ(১১) জনকৈ শিক্ষক -শিক্ষয়িত্ৰী হোৱা হেতুকে পাঁচজন শিক্ষক পাঁচটা শ্ৰেণীত সোমোৱাৰ পিছত বাকীকেইজনে অনাহকত সময়বোৰ বহি কটাবলগীয়া হয়। এনে পৰিস্থিতিৰ বাবে ময়ো শ্ৰেণীকোঠাত সোমাবলৈ ভাগতেই পোৱা নাছিলোঁ । বিদ্যালয়ত গৈ ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাব নাপালেযে বৰ বেয়া লাগে সেইটো ভালকৈ বুজিছিলোঁ । এই ধৰণৰ বিভিন্ন অভিজ্ঞতা আহৰণ কৰিৱ ২০০০ চনৰ ফেব্ৰুৱাৰি মাহত বৰ্তমান বিদ্যালয় ১৮২নং গোবিন্দধাম প্ৰাথমিক বিদ্যালয়ত বদলি সূত্ৰে যোগদান কৰোঁ । বিদ্যালয়খন ছিপাঝাৰ অঞ্চলৰ কেইগৰাকীমান বৰেণ্য ব্যক্তিৰ নেৰা নেপেৰা প্ৰচেষ্টাত ১৯৫৩চনত স্থাপিত হৈছিল। এই বিদ্যালয়খন ১৫নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা প্ৰায় ডেৰ দুই কিলোমিটাৰমান দূৰত অৱস্থিত হোৱা হেতুকে ঘাইপথৰ কাষৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাতকৈ তুলনামূলকভাৱে কিছু কম ।

# শিক্ষকৰ কথাৰে

এই দীৰ্ঘ সময়চোৱাত বহুতো ভাল ভাল ল'ৰা-ছোৱালীক লগ পাইছোঁ যিসকলক পঢ়ুৱাই সঁচাকৈয়ে বৰ ভাল লাগে। এবাৰ কৰ্তব্য পৰায়ণ ছাত্ৰী-এগৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা সাং কৰি উচ্চ শিক্ষাৰ বাবে যিখন বিদ্যালয়ত পঢ়িছিল, সেইখন বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ইংৰাজী বিষয়ৰ শিক্ষক গৰাকীয়ে পঢ়াই থকাৰ মাজতে e.g.ৰ সম্পূৰ্ণ নাম কি বুলি সকলোকে প্ৰশ্ন কৰিছিল। শ্ৰেণীটোৰ প্ৰায় পঞ্চাছ গৰাকী ছাত্ৰীৰ মাজত এগৰাকীয়ে Exemply gratia বুলি উত্তৰ দিছিল । যিগৰাকী আমাৰ বিদ্যালয়ৰ পৰা গৈছিল। লগে লগে শিক্ষকজন ডাইচৰ পৰা নামি আহি ছাত্ৰীগৰাকীক মৰমেৰে সুধিছিল, "তুমি পঢ়ি আহা বিদ্যালয়খনৰ নাম কি? তোমাক কোনে ইংৰাজী পঢ়ুৱাইছিল?" এই ধৰণৰ প্ৰশ্ন। উত্তৰত ছাত্ৰীগৰাকীয়ে স্কুলখনৰ নাম আৰু মোৰ নামটো কৈ দিছিল। তেতিয়া শিক্ষকজনে কৈছিল," তোমালোকৰ বাইদেৱে তোমালোকক বৰ ভালদৰে শিকাইছে। বৰ ভাল লাগিল। তুমিযে তৎক্ষণাত উত্তৰ দিব পাৰিছা বৰ ভাল ছোৱালী।" তেওঁ আৰু কৈছিলেযে Exemply gratia ৰ দৰে কথাবোৰ প্ৰাথমিক বিদ্যালয় প্ৰায় ভাল শিক্ষকে হেনো নিশিকায়। ইয়াৰ কাৰণ হৈছে শিক্ষকসকলৰ মনত থকা এক বিশেষ ধাৰণা যে, কণ কণ ছাত্ৰ-ছাত্ৰীসকলে Exmply gratia r দৰে কঠিন শব্দবোৰ সহজে আয়ত্ব কৰিব নোৱাৰে।

পিছদিনা ছাত্ৰীগৰাকীয়ে মোক খবৰটো দিবলৈ বিদ্যালয়লৈ আহিছে। মোক দেখা পায়েই বাইদেউ, বাইদেউ বুলি মাতি ওচৰলৈ গৈ আগদিনা ছাৰে শ্ৰেণীকোঠাত কোৱা কথাখিনি মোক বিবৰি ক'লে। ছাত্ৰীগৰাকীৰ মুখেৰে মোৰ গুণ বখনা ছাৰজনৰ কথা শুনি মনটো আনন্দৰে ভৰি পৰিছিল। কিয়নো এনেকুৱা কিছুমান সু-সংবাদে মোৰ দৰে শিক্ষক-শিক্ষয়িত্ৰীসকলক প্ৰাপ্তিৰ আনন্দ দিয়ে। ছাত্ৰ-ছাত্ৰীসকলক হয়তো প্ৰয়োজনীয় জ্ঞানখিনিও দিব পাৰা নাই, তথাপিতো কিঞ্চিত হ'লেওযে দিব পাৰিছোঁ সেইটো শুভাকাঙ্খীসকলৰ মুখেৰে শুনিলে বেছি আনন্দ পোৱা যায়।

এনেকুৱা আৰু কিছুমান ছাত্ৰ-ছাত্ৰীকো লগ পাইছোঁ যি নিজে উঠি গৈ প্ৰস্ৰাব কৰিব নোৱাৰি বহি থকা ঠাইতে কাপোৰে-কানিয়ে প্ৰস্ৰাব কৰি দিয়ে। তেনেকুৱা এগৰাকী ছাত্ৰক প্ৰতি ঘন্টাত এবাৰকৈ প্ৰস্ৰাব কৰাবলৈ নিয়াৰ দায়িত্ব আছিল শিক্ষক-শিক্ষয়িত্ৰী আৰু সহপাঠীসকলৰ। লগত লৈ গৈ প্ৰস্ৰাব কৰোৱাৰ ওপৰিও পিছলৈ সহপাঠী সকলে কণিষ্ঠ আঙুলি দেখুৱাই দিয়ো প্ৰস্ৰাব কৰোৱাইছিলে। ছাত্ৰজনৰ শাৰীৰিক গঠনো ঠিকে আছিলে, কথা-বাৰ্তাও ভালকৈ ক'ব পাৰিছিলে। কিন্তু কিয় জানো ক'ব নোৱাৰাকৈয়ে বহি থকা ঠাইতে প্ৰস্ৰাব কৰি দিয়ে। এই অভ্যাসটো নাইকিয়া কৰিবলৈ বিভিন্ন কৌশল অবলম্বন কৰিও সুফল পোৱা নাছিলোঁ, যদিও ক্ৰমান্বয়ে বহি থকা ঠাইতে প্ৰস্ৰাব কৰি দিয়া অভ্যাসটো কমি আহিছিল। এনেধৰণৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ ক্ষেত্ৰখনত আগুৱাই নিবলৈ যথেষ্ট কষ্ট কৰিবলগীয়া হোৱাৰ লগতে সময়ৰো প্ৰয়োজন হয়। ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক দিশত আগবঢ়াই নিয়াটোৱেই যিহেতু আমাৰ প্ৰধান কৰ্তব্য, সেয়ে কোনোধৰণৰ চেষ্টাৰ ক্ৰুটি নকৰাকৈ শিক্ষাদান কৰি আহিছোঁ ।

এই দীঘলীয়া সময়ছোৱাত যিসকল ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগ্ৰহণ কৰিছিল, সেইসকলৰ একাংশ ছাত্ৰ-ছাত্ৰী ইতিমধ্যে সমাজত প্ৰতিষ্ঠিত হ'ব পাৰিছে। সেই ছাত্ৰ-ছাত্ৰীসকল ভৱিষ্যত প্ৰজন্মৰ বাবে পথ প্ৰদৰ্শক হৈ ৰ'ব।

চন ২০০০। ছমহীয়া আৱাসিক বুনিয়াদী প্ৰশিক্ষণ ল'বলৈ নৰ্মাল স্কুল চতিয়ালৈ গৈছিলোঁ । সেই প্ৰশিক্ষণ কেন্দ্ৰত বিপিন বড়া নামৰ এগৰাকী অসাধাৰণ শিক্ষকক লগ পাইছিলোঁ । তেওঁৰ পৰা এটা ভাল অভিজ্ঞতা লাভ কৰিছিলোঁ। প্ৰায় এশ ডেৰশমান প্ৰশিক্ষাৰ্থীৰে গিজ-গিজাই থকা শ্ৰেণীকোঠাত বিপিন বড়া চাৰ সোমাই গৈছিল। সোমায়েই চাৰে শ্ৰেণীকোঠাটোৰ চাৰিওফালে ঘূৰিব ধৰিলে। লগে লগে পিছৰফালে বহি ফুচুৰি কথা পাতি থকা প্ৰশিক্ষাৰ্থীসকলেও বাধ্যছাত্ৰৰ দৰে মৌন হৈ চা্ৰৰ পাঠদান উপভোগ কৰিছিল। চাৰে সেইদিনা বিজ্ঞানৰ পাঠ এটি আৰম্ভ কৰিছিল। পাঠটিৰ নাম আছিল 'উদ্ভিদ'। পাঠৰ নাম ঘোষনা কৰাৰ লগে লগে একমিনিটৰ বাবে বাহিৰলৈ গৈ সৰু বনৰীয়া গছ এজোপা উভালি আনিছিল। সেই উদ্ভিদজোপা দেখুৱাই তেওঁ উদ্ভিদৰ বিভিন্ন অংশৰ নাম আৰু কোনটো অংশই কি কি কাম কৰে ইত্যাদি বিষয়ে সুন্দৰ উপস্হাপনেৰে প্ৰশিক্ষাৰ্থীসকলক ব্যৱহাৰিক জ্ঞান(practical) দিয়াৰ চেষ্টা কৰিছিল। যাতে প্ৰশিক্ষাৰ্থীসকল গৈ বিদ্যালয়সমূহৰ শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলৰ বাস্তৱ জীৱনত কামত অহাকৈ ব্যৱহাৰিক জ্ঞান প্ৰদান কৰিব পাৰে। তেতিয়াই শ্ৰেণীকোঠাৰ পিছৰফালে অমনোযোগী হৈ বহি থকা ছাত্ৰ-ছাত্ৰীৰ কেনেকৈ মনোযোগ বৃদ্ধি কৰি আকৰ্ষণীয় ৰূপত পাঠদান কৰিব পাৰি সেইবিষয়ে জানিব পাৰিছিলোঁ। সঁচাকৈয়েই তেখেতৰ আদৰ্শ পাঠদানটো বৰ সুন্দৰকৈ উপভোগ কৰিছিলোঁ। সেই কথা আজিও মনত পৰে।

ছা্ৰৰ পাঠদান অন্ত পৰাৰ লগে লগে তেওঁ ঘোষনা কৰিছিল দহ মিনিট পিছতেই মই পাঠদান কৰাৰ দৰে যিকোনো এগৰাকী শিক্ষাৰ্থীয়ে আদৰ্শ পাঠদান এটি কৰিব লাগিব। কথাষাৰ শুনাৰ লগে লগে সকলো প্ৰশিক্ষাৰ্থীয়ে অস্বস্তি অনুভৱ কৰিছিল। কাৰণ কোনেও আদৰ্শ পাঠদান কৰিব পৰাকৈ প্ৰস্ত্তত নাছিল। ময়ো তাৰ ব্যতিক্ৰম নাছিলোঁ। কোনো এগৰাকী প্ৰশিক্ষাৰ্থীয়ে সাহসেৰে পাঠদান কৰিবলৈ আগবাঢ়ি আহিব পৰা নাছিল। তাকে দেখি দৰং জিলাৰ অৰ্থাৎ আমাৰ জিলাৰ এগৰাকী বাইদেউ যাৰ নাম শান্তি দেৱী, তেওঁ কি ভাবি জানো লাহেকৈ মোৰ নামটো কেনেবাকৈ উচ্চাৰণ কৰিবলৈহে পালে, সকলোৱে গিৰ্জনি মাৰি উঠিল পাৰিব পাৰিব বুলি। তাৰ পিছৰ অৱস্থাটো কি হ'ব পাৰে সকলোৱে নিশ্চয় অনুমান কৰিব পাৰিছে।

যাহওক সকলোৰে আশীৰ্বাদ শিৰোধাৰ্য কৰি দহ মিনিটত সংগ্ৰহ কৰি লোৱা 'মাটি' পাঠটিৰ প্ৰদিপনসমূহ ব্যৱহাৰ কৰি ছাৰৰ আদৰ্শৰে নবহাকৈ সকলো প্ৰশিক্ষাৰ্থীয়ে যাতে মই কোৱা কথাবোৰ ভালদৰে শুনি বুজি পায় তাক নিশ্চিত কৰি পাঠটি উপস্থাপন কৰিছিলোঁ । ইয়াৰ জৰিয়তে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক কিদৰে ব্যৱহাৰিক জ্ঞান দিব পাৰি তাক এই পাঠদানটিৰ জৰিয়তে ডাঙি ধৰিবলৈ যত্ন কৰিছিলোঁ ।

এৰি অহা দিনবোৰত NISHTHA প্ৰশিক্ষণকে আদি কৰি আৰু বহুতো প্ৰশিক্ষণ লৈছিলোঁ । সেই আটাইবোৰ প্ৰশিক্ষণৰ পৰা মৌ-কোঁহ সংগ্ৰহ কৰি যিমান পাৰি শ্ৰেণী কোঠাৰ পাঠদান কাৰ্যত প্ৰয়োগ কৰিবলৈ যত্ন কৰি আহিছোঁ ।

এইখিনিতে বিদ্যালয়ৰ শ্ৰেণীকোঠাত আহৰণ কৰা মধুৰ স্মৃতি বিজৰিত মূহুৰ্ত্তৰ কথা এটি থোৰতে উনুকিয়াব খুজিছোঁ ।

শেহতীয়া ভাবে২০১৮বৰ্ষত অনুষ্ঠিত হোৱা গুনোৎসৱৰ সময়চোৱাত 'অপৰাধ অনুসন্ধান' বিভাগ' চমুকৈ(CID)ৰ আই-পি-এছ অফিচাৰ(IPS Officer) অতিকৈ শ্ৰদ্ধাৰ শ্ৰীযুত দেৱজিৎ হাজৰিকা দেৱ আমাৰ বিদ্যালয়লৈ(External) হৈ আহিছিল। সেইদিনা তেওঁক আদৰিবলৈ বিদ্যালয় চৌহদত বহুতো মানুহ গোট খাইছিল। এক আনন্দমুখৰ পৰিবেশৰ সৃষ্টি হৈছিল। সি যি কি নহওক, তেওঁ প্ৰথমতে পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক ইংৰাজী বিষয়ৰ পাঠ পঢ়িবলৈ দিছিল ।

এগৰাকী ছাত্ৰীয়ে এফালৰ পৰা পঢ়ি যাওঁতে মাজত পোৱা অটবায়গ্ৰাফী (autobiography) শব্দটো সলসলীয়াকৈ পঢ়ি গৈছিল। লগে লগে চাৰে শুনি আৰু পঢ়িব নালাগে বুলি ক'লে। ছোৱালীজনীয়ে অলপ ভয় খাইছিল। কিবা ভুল কৰা বুলি ভাবি। ইফালে শিক্ষক-শিক্ষয়িত্ৰী সকলো ওচৰতে আছিলে।চাৰে ক'লে, তুমি ইমান জটিল শব্দটো স্পষ্টকৈ মাতিব পাৰিছা যেতিয়া বাকীবোৰ নিশ্চয় সহজতে পাৰিবা। তেওঁ আৰু সুধিছিল, “তোমালোকক কোনে ইংৰাজী শিকায়”? ছাত্ৰীগৰাকীয়ে টপৰাই উত্তৰ দিছিল বাইদেৱে, অৰ্থাত মোক দেখুৱাই দিছিল। তাৰপিছতে External য়ে শিক্ষক শিক্ষয়িত্ৰীসকলক উদ্দ্যেশি কৈছিল, ছাত্ৰ-ছাত্ৰীসকলৰ গুণগত মান আছে। আপোনালোকে ছাত্ৰ ছাত্ৰীসকলক বহুত উন্নতমানৰ শিক্ষা প্ৰদান কৰিছে। External ৰ এনে মন্তব্যই শিক্ষক-শিক্ষয়িত্ৰীসকলক সঁচাকৈয়ে বৰ আপ্লুত কৰি তুলিছিল। এগৰাকী ভাৰতীয় পুলিচ বিভাগৰ চমুকৈ(IPS) অফিচা্ৰৰ মুখেৰে শুনা মধুৰ শব্দকেইটাৰ বাবে সেইদিনাৰ পৰিবেশটো আমাৰ বাবে আৰু মধুৰ হৈ পৰিছিল। ইয়াৰ পিছত গুণোৎসৱৰ ৰিজাল্টত A+ আহিবনে নাই চিন্তা কৰাৰ কোনো অৱকাশ থাকিব নোৱাৰে।

ছাৰ যিহেতু CID অফিচাৰ। তেনেক্ষেত্ৰত আমাক investigate নকৰাকৈ গুণোৎসৱৰ মূল্যায়ন কৰিব জানো? আমি গম নোপোৱাকৈ কিদৰে আমাৰ investigate কৰিছিল সেই বিষয়ে পঢ়ুৱৈ সমাজক নক'লে ভাল নালাগিব।

ছাত্ৰ-ছাত্ৰীসকলৰ যেতিয়া পৰীক্ষা লিখা শেষ হৈছিল, তেতিয়া চাৰে অৰ্থাত তেওঁৰ সহায়কাৰী গৰাকীয়ে বহীবোৰ সামৰি আনি এটা এটাকৈ ভালদৰে নিৰীক্ষণ কৰিছিল। সেই কথা মই দুৰৰ পৰা লক্ষ্য কৰি আছিলোঁ। তাৰ পিছত তেওঁ আমাক নম্বৰবোৰ দিবলৈ কৈছিল। নম্বৰবোৰ দিয়াৰ পিছত তেওঁ পুনৰ বহীকেইটা নিৰীক্ষণ কৰিছিল। শিক্ষক-শিক্ষয়িত্ৰীসকলে নম্বৰবোৰ ঠিকমতে দিছোনে নাই তাক পৰীক্ষা কৰিছিল। এইটো চাৰৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ওপৰত কৰা সৰু investigation। এই কথা চাৰৰ লগত অহা সতীৰ্থ এগৰাকীৰ পৰা পিছত গম পাওঁ। তেওঁ সতীৰ্থগৰাকীৰ আগত হেনো কৈছিল, চাৰ-বাইদেউ ঠিক। Mission success. কথাটো শুনি আমি বৰ আমোদ পাইছিলোঁ। Mission successৰ বাবে। সঁচাকৈয়েই সেইদিনা শিক্ষকতা জীৱন সাৰ্থক হোৱা বুলি অনুভৱ কৰিছিলোঁ।

আজি প্ৰায় দুই বছৰে হ'ল- কৰোণা মহামা্ৰীৰ বাবে বিদ্যালয়, মহাবিদ্যালয়, উৎসৱ-পাৰ্বন, দোকান-বজাৰ, যান-বাহনৰ চলাচল আদিকে ধৰি সকলোবোৰ স্তব্ধ হৈ পৰিছে। এনে ক্ষেত্ৰত প্ৰাথমিক বিদ্যালয়ৰ কণ-কণ ছাত্ৰ-ছাত্ৰীসকল আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। কিয়নো প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীৰ ঘৰত Android মোবাইল নাই। দুই এগৰাকীৰ ঘৰত এটা মোবাইল আছে যদিও শৈক্ষিক সমল বিচাৰি উলিয়াব নোৱাৰে। নতুবা অভিভাবকেও কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ হাতত মোবাইলটো তুলি দিবলৈ আগ্ৰহী নহয়। পাঠ্যপুথিবোৰো নিজে পঢ়িব নাজানে। এনে এশ এবুৰি সমস্যাৰ বাবেই বেছি ভাগ ছাত্ৰ-ছাত্ৰীয়ে Online ত পঢ়াটো দুৰৰে কথা Online পাঠদান কি সেইবিষয়েই জ্ঞাত নহয় ।

এই বৃহৎ ক্ষতিৰ জোৰা মাৰিবলৈ চৰকাৰৰ ফালৰ পৰাও বিভিন্ন ধৰণৰ ব্যৱস্থা লোৱা দেখা গৈছে। তাৰ ভিতৰত বিশ্ব বিদ্যা, দীক্ষা আদি হ'ল এনে আঁচনিৰ অংশ বিশেষ। এইবাৰ দূৰদৰ্শন , ৰেডিঅ' আদি মাধ্যমৰ যোগেৰে প্ৰচাৰ কৰি আহিছে।

এই দীঘলীয়া বন্ধৰ সময়চোৱাত এগৰাকী শিক্ষয়িত্ৰী হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ অপূৰণীয় ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি পাঠ সমূহৰ আলোচনা, প্ৰশ্নৰ উত্তৰ, সাধুকথা আদিৰ অডিঅ', ভিডিঅ', ওৱাটচআপ যোগে শিকন ব্যৱধান(learning gap) দূৰ কৰিবলৈ প্ৰয়াস কৰি আহিছোঁ। বৰ্তমান সময়ত Covid নীতি নিয়ম মানি ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰলৈ গৈয়ো শিকন ঘাটি পূৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছোঁ। বৰ্তমান সময়ত অভিভাবক সকলো আগতকৈ কিছু সজাগ আৰু সচেতন হোৱা যেন অনুমান কৰিব পাৰিছোঁ। সেয়ে কিছু সংখ্যক ভিডিঅ' ছাত্ৰ-ছাত্ৰীৰ উপকাৰ হোৱাৰ উপৰিও ভৱিষ্যতৰ সমল হিচাপেও সংৰক্ষণ কৰিবলৈ Youtube Channel যোগেও প্ৰচাৰ কৰি আহিছোঁ। মবাইলত অডিঅ', ভিডিঅ' প্ৰস্তুত কৰি কঠিন পৰিস্থিতিৰ সময়চোৱাত ছাত্ৰ-ছাত্ৰীক শৈক্ষিক সমল যোগান ধৰিব পৰাটোতকৈ আৰু আনন্দৰ কথা কি হ'ব পাৰে? ইমানবোৰ অভিজ্ঞতা আহৰণ কৰিব পাৰিছোঁ একমাত্ৰ শিক্ষকতাৰ দৰে মহান বৃত্তিটোৰ সৈতে জড়িত হোৱাৰ বাবে।

বিগত সময়চোৱাত বিভিন্ন দিশত সততে সহায় কৰি অহা বৰ্তমানৰ প্ৰধান শিক্ষক শ্ৰদ্ধাৰ শ্ৰীযুত যতীন চৌধুৰী দেৱ, অভিভাৱকসকল, প্ৰশিক্ষক, প্ৰশিক্ষাৰ্থীসকল আৰু মোৰ অতিকে মৰমৰ কণ-কণ ছাত্ৰ-ছাত্ৰীসকলৰ লগত যি বৰ্ণিল অভিজ্ঞতা আহৰণ কৰিব পাৰিলোঁ, সেই আটাইবোৰ সুন্দৰ স্মৃতি জড়িত মুহুৰ্তবোৰ সুঁৱৰি তেতিয়াহে ভাল লাগিব, যেতিয়া ছাত্ৰ-ছাত্ৰীসকল শুদ্ধ আৰু সঠিক পথেৰে আগুৱাই গৈ দেশৰ এগৰাকী সু-সন্তানৰূপে সমাজত প্ৰতিষ্ঠিত হ'ব পাৰিব।


**বেফুলা ডেকা শইকীয়া**
**সহকাৰী শিক্ষয়িত্ৰী**
**১৮২ নং গোবিন্দধাম প্ৰাথমিক বিদ্যালয়**

# বা-বাতৰি ১

## আত্মহনন কোনো কাৰণতে গ্ৰহণযোগ্য নহয়

## সন্মিলনীৰ শোক।





বিগত এমাহত দুজন শিক্ষকৰ আত্মহত্যাই শিক্ষক সমাজক শোক দি গ'ল । যোৱা ২৭ এপ্ৰিল তাৰিখে লক্ষীমপুৰ জিলাৰ বিহপুৰীয়া শিক্ষাখণ্ডৰ অন্তৰ্গত কলাবিল মৰনৈ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গোপাল চন্দ্ৰ শৰ্মা আৰু যোৱা ২০ মে তাৰিখে কামৰূপৰ বকো শিক্ষাখণ্ডৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নকুল দাসৰ অস্বাভাৱিক মৃত্যুত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰিছে। গুণোৎসৱৰ ভীতিয়ে এনে ঘটনা সংঘটিত কৰাত উদগনি দিয়া বুলি কৰা পৰিয়াল পৰিজনৰ অভিযোগে বিষয়টো গভীৰ কৰি তুলিছে। দীৰ্ঘদিন ধৰি সৰ্বশিক্ষা অভিযান মিচনৰ পৰা চলাই অহা আদেশৰ সন্ত্ৰাসে বিপদ সৃষ্টি কৰাৰ সন্দেহ প্ৰকাশ কৰি সন্মিলনীৰ তৰফৰ পৰা বিভাগীয় বিষয়াক অৱগত কৰি অহা হৈছিল। শেহতীয়াভাবে ২৭ এপ্ৰিল তাৰিখে প্ৰাথমিক শিক্ষা সঞ্চালকৰ সৈতে সন্মিলনীয়ে কৰা আলোচনা কালত সৰ্বশিক্ষা বুলি দুয়ো সভাপতি আৰু সম্পাদকদ্বয়ে মন্তব্য কৰে।

# বা-বাতৰি ২

## প্ৰাথমিক শিক্ষা সঞ্চালকৰ সৈতে সন্মিলনীৰ আনুষ্ঠানিক আলোচনা সম্পন্ন।



যোৱা ২৭ এপ্ৰিল তাৰিখে অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকৰ কাৰ্যালয়ত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সৈতে এক আনুষ্ঠানিক আলোচনা অনুষ্ঠিত হয়। সৰ্বমুঠ তেইশটা ভিন্ন সমস্যাৰ ওপৰত প্ৰায় দুঘণ্টাজোৰা আলোচনাত ভালেখিনি বিষয়ৰ প্ৰস্তাৱ ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰাৰ বাবে সিদ্ধান্ত হয় আৰু সঞ্চালকালয়ৰ আওতাত পৰা  বিষয়সমূহ শীঘ্ৰে নিস্পত্তি কৰাৰ বাবে সহমত পোষণ হয়। সন্মিলনীয়ে আলোচনাকালত শিক্ষক বিহীন আৰু এজনীয়া বিদ্যালয় কমেও দুজনীয়া কৰিহে গুণোৎসৱ অনুষ্ঠিত কৰাৰ বাবে দাবী জনাও।আলোচনাৰ সূচীপত্ৰ দাঙি ধৰা মুখ্যমন্ত্ৰীৰ বৃত্তি পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে জনোৱা দাবী সন্দৰ্ভত ৰাজ্য চৰকাৰলৈ পত্ৰ লিখাৰ প্ৰতিশ্ৰুতি দিয়ে। আনহাতে ছাত্ৰ-ছাত্ৰী অভ্যাসন বহী আৰু মূল্যায়ন বহী পৃথক কৰা আৰু প্ৰতি বিষয়ত কমেও দুখনকৈ অভ্যাসন বহী যোগান দিয়া,প্ৰধান শিক্ষক আৰু দুজনীয়া বিদ্যালয়ৰ পৰা নিয়োগ কৰা সমল কেন্দ্ৰ সমন্বয়কক বিদ্যালয়লৈ ঘূৰাই নিয়া আৰু এখন জিলাৰ শিক্ষকে বেলেগ জিলাত সমন্বয়ক হৈ থকা সকলকো নিজ জিলালৈ ঘূৰাই পঠোৱাৰ বাবে সৰ্বশিক্ষা অভিযান মিচনলৈ পত্ৰ লিখাৰ বাবে সন্মিলনীয়ে জনোৱা আহ্বানৰ প্ৰতি সঞ্চালকে সন্মতি প্ৰদান কৰে। আলোচনাত সন্মিলনীৰ তৰফৰ পৰা ঠিকা ভিত্তিক শিক্ষকসকলক প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনলৈ অনাৰ বাবে চৰকাৰলৈ ইতিমধ্যে সঞ্চালক কাৰ্যালয়ে প্ৰেৰণ কৰাৰ প্ৰস্তাৱ শীঘ্ৰে কাৰ্যকৰী কৰাৰ বাবে পুনৰাই এক প্ৰস্তাৱ প্ৰেৰণ কৰা,ঠিকা ভিত্তিক শিক্ষক সকলৰ প্ৰাপ্য মৰগীয়া বানচ ৩৪ শতাংশলৈ বৃদ্ধি কৰাৰ বাবে আজিৰ আলোচনাৰ সিদ্ধান্তমৰ্মে এক প্ৰস্তাৱ প্ৰেৰণ কৰা,ইতিমধ্যে প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ পদ সৃষ্টিৰ বাবে লোৱা সিদ্ধান্ত শীঘ্ৰে কাৰ্যকৰী কৰাৰ বাবে আজিৰ আলোচনাৰ প্ৰস্তাৱ ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰা বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়।আনহাতে আৰ্জিত চুটি ত্ৰিশ দিনলৈ বৃদ্ধি কৰাৰ বাবে চৰকাৰৰ পৰা বিচৰা তথ্য শীঘ্ৰে সঞ্চালকে উত্তৰ দিয়াৰ বাবে আলোচনা সহমত  প্ৰকাশ হয়। আলোচনাত স্নাতক শিক্ষকৰ পৰা কাঢ়ি নিয়া গ্ৰেড পেৰ ফাইল পুনৰ মুকলি কৰাৰ বাবে এক প্ৰস্তাৱ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। নতুন নিযুক্তি পূৰ্বে বুজাবুজিৰ বদলিৰ সম্পন্ন কৰা,২০১৬ চনত নিযুক্ত শিক্ষকৰ দৰমহাৰ বৈষম্য  দূৰ কৰা ,টিউটৰ সকলক শিক্ষকৰ মৰ্যদা প্ৰদান কৰা আদি বিষয়ৰ ওপৰতো বিষদ আলোচনা হয়। সন্মিলনীৰ তৰফৰ পৰা ৰাজহুৱা প্ৰাথমিক বিদ্যালয়  থকা এলেকাৰ এক কিলোমিটাৰৰ ভিতৰত থকা প্ৰাথমিক শিক্ষাৰ সকলো ব্যক্তিগত প্ৰতিষ্ঠানৰ অনুজ্ঞাপত্ৰ শীঘ্ৰে বাতিল কৰাৰ দাবী জনায়।আনহাতে সকলো পৰ্যায়ৰ শিক্ষা বিষয়াৰ কাৰ্যালয়ত দৰ্শনাৰ্থীৰ স্বাক্ষৰ সংগ্ৰহ বাধ্যতামূলক কৰা,বছৰৰ পাছত বছৰ ধৰি একেস্থানতে কৰ্মৰত সহ পৰিদৰ্শক আৰু কায্যালয় সহায়কক ৰদ বদল কৰা ,আদেশৰ ওপৰত আদেশ জাপি দি শৈক্ষিক পৰিৱেশ বিঘ্নিত কৰা পৰিৱেশ ৰোধ কৰা বাবে আহ্বান জনায়। সন্মিলনীৰ তৰফৰ পৰা সকলো শিক্ষককে অৱসৰ দিনাই প্ৰাপ্য সুবিধা আদায় দিয়া আৰু পাবলৈ বাকী থকা সকলো বকয়াৰ ধন আদায়ৰ বাবে যাৱতীয় তথ্য সংগ্ৰহ কৰাৰ বাবে শীঘ্ৰে এক নিৰ্দেশনা প্ৰকাশৰ বাবে সন্মিলনীয়ে কৰা অনুৰোধ সঞ্চালকে ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আলোচনাত প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিৰ উপৰিও উপ - সঞ্চালক হেম শইকীয়া ,অতিৰিক্ত সঞ্চালক ৰাজীৱ লোচন বৰুৱা আৰু সন্মিলনীৰ হৈ সভাপতি অখিল চন্দ্ৰ নাথ ,উপ সভাপতি ক্ৰমে ভৈৰৱ মহন্ত,নীলাক্ষী গগৈ,উৎপল কোঁৱৰ ,প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামী,উপ- সম্পাদক শৈলেন কলিতা আৰু সৰ্বভাৰতীয় সদস্য মোহন হালৈ উপস্থিত থাকে।

# বা-বাতৰি ৩

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী

ASSAM STATE PRIMARY TEACHERS' ASSOCIATION

স্থাপিত : ১৯৪৯ চন

Regd. No. 65 of 1968 - 69 vide Memo No. 77 (S) (68-69/013/FS)
Dated : Shillong, the 17th Nov. 1968
(Recognised by the Govt. of Assam, Vide Memo No. PSB. 83/49/64-90 dt. 31-01-1951)

কাৰ্যালয় : শিক্ষক ভৱন, ... চান্দমাৰি, গুৱাহাটী - ৩

[illegible]

মাননীয়,

সচিব মহোদয়া, প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ।
দিছপুৰ, গুৱাহাটী-০৬

বিষয় : প্ৰথম সাময়িকী মূল্যায়ন সন্দৰ্ভত স্পষ্ট নিৰ্দেশনা প্ৰদানৰ লগতে মূল্যায়ন আৰু অভ্যাসন বহী যোগান ধৰাৰ দাবী পত্ৰ।

মহোদয়া,

[illegible]

মহোদয়া, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ তৰফৰ পৰা অতি শীঘ্ৰে প্ৰথম সাময়িকী মূল্যায়ন সন্দৰ্ভত এক স্পষ্ট নিৰ্দেশনা প্ৰদান কৰাৰ লগতে অতি শীঘ্ৰে প্ৰতি বিদ্যালয়ত ... অভ্যাসন আৰু মূল্যায়ন বহী যোগান দিয়াৰ বাবে দাবী জনালোঁ।

প্ৰতিলিপি : জ্ঞাতাৰ্থে আৰু বিহিত ব্যৱস্থা গ্ৰহণাৰ্থে—
মাননীয়া মিছন সঞ্চালক মহোদয়া,
অসম সৰ্বশিক্ষা অভিযান মিছন,
কাহিলীপাৰা, গুৱাহাটী।

সভাপতি

সাধাৰণ সম্পাদক

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী।

---

EED-15011/226/2022-PLANNING-EED-Elementary Education

1/35466/2022

GOVERNMENT OF ASSAM
ELEMENTARY EDUCATION DEPARTMENT
DISPUR, GUWAHATI-6

E-File No. 2089814

From : Dr. Bijoya Choudhury, ACS
Secretary to the Govt. of Assam

To : The Executive Director, Samagra Siksha, Assam
Kahilipara, Guwahati-19

Sub : Regarding 1st Unit Evaluation 2022-23

Ref : (i) Your letter No. SSA/TT/Evaluation/544/2007/Pt/879 dated 06/06/2022

(ii) Assam State Primary Teachers' Association's Memorandum dated 04/06/2022.

Sir,

With reference to the above, I am directed to state that the process of arrangements to be made in schools for 1st Unit Evaluation is already delayed. Since recently conducted Gunotsav 2022 covered all schools (except few flood affected schools where it is deferred) which is proposed to be considered as 1st Unit Evaluation.

In view of the above, Government in Elementary Education Department has no objection for considering Gunotsav 2022 as 1st Unit Evaluation.

However, I am directed to request you to cause a verification to ascertain the reason requested to explain the reason behind such lapse in planning the mandatory activities like Unit Evaluation in schools which is very essential for the students and also the level at which such lapses occurred and furnish a report to this Department, at the earliest.

This has the approval of Hon'ble Minister, Education.

Yours faithfully,

**Signed by Bijoya Choudhury**
**Date: 16-06-2022 16:44:46**

Secretary to the Govt. of Assam
Elementary Education Department

Copy for information to :

1. The Director, SCERT, Assam, Kahilipara, Guwahati-19.
2. PS to Minister Education, Assam for kind appraisal of the Hon'ble Minister.
3. The President/Secretary, Assam State Primary Teachers' Association, Chandmari, Guwahati-3.

---

**প্ৰথম সাময়িকী মূল্যায়ন সন্দৰ্ভত স্পষ্ট নিৰ্দেশনা প্ৰদান আৰু মূল্যায়ন বহী শীঘ্ৰে বিদ্যালয়সমুহক যোগান দিয়াৰ বাবে প্ৰাথমিক শিক্ষা সচিবলৈ স্মাৰক পত্ৰ প্ৰেৰণ।**

# বা-বাতৰি 4

## ধেমাজিৰ পেহিয়াতি প্ৰাথমিক বিদ্যালয়ত প্ৰশংসনীয় পদক্ষেপ ।





যোৱা ১৫ জুন তাৰিখে ধেমাজি জিলাৰ ধেমাজি শিক্ষাখণ্ডৰ পেহিয়াতি প্ৰাথমিক বিদ্যালয়ত “পিতৃ-মাতৃ ভক্তি সেৱা আৰু সম্প্ৰীতি ভোজন” শীৰ্ষক অনুষ্ঠান এটিৰ আয়োজন কৰা হয় । পৰিচালনা সমিতি, মাতৃ গোট, য়ুথ ক্লাব, অভিভাৱকৰ সহযোগত অনুষ্ঠানটি গাম্ভীৰ্যপূৰ্ণ হৈ উঠে । অনুষ্ঠানত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ সম্পাদক দীপাংকৰ শৰ্মা অতিথি হিচাপে উপস্থিত থাকে । পিতৃমাতৃ সেৱা’ এই বিষয়টি ভৱিষ্যত প্ৰজন্মক নীতি শিক্ষাৰ পাঠ দিয়াত এনে অনুষ্ঠানে সহায় কৰিব বুলি দীপাংকৰ শৰ্মাই ভাষণত মন্তব্য কৰে । আৰু বিদ্যালয়ৰ প্ৰধানে কয় যে এনে অনুষ্ঠানৰ লক্ষ্য হ’ল ৰাইজক বিদ্যালয়ৰ লগত সংযোগ কৰা । ইয়াৰোপৰি অনুষ্ঠানত উপস্থিত সকলোৱে ই এক আদৰণীয় পদক্ষেপ বুলি মন্তব্য কৰে ।

# বা-বাতৰি ৫

## মাজুলীত নৱ নিযুক্ত শিক্ষক শিক্ষয়িত্ৰীক আদৰণি





**১৮ জুন তাৰিখে মাজুলী জিলা প্ৰাথমিক শিক্ষক সম্মিলনীৰ উদ্যোগত আৰু মধ্য ইংৰাজী বিদ্যালয় শিক্ষক সন্থা , মজলীয়া বিদ্যালয় শিক্ষক সন্থা আৰু মাজুলী প্ৰাথমিক শিক্ষা বিভাগৰ সহযোগত মাজুলীত নৱ নিযুক্ত শিক্ষক -শিক্ষয়িত্ৰী সকলক আদৰণি আৰু মত বিনিময় অনুষ্ঠান আয়োজন কৰা হয়। এই সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহন কৰে জিলা উপায়ুক্ত আৰু অতিৰিক্ত উপায়ুক্ত মহোদয় (শিক্ষা বিভাগ) আৰু উপ পৰিদৰ্শক মহোদয় আৰু খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মহোদয়ে সভাত অংশগ্ৰহন কৰি নৱ নিযুক্ত শিক্ষক-শিক্ষয়িত্ৰী সকলক অভিনন্দন জনাই।**

## বা-বাতৰি ৬

**যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বাৰা অনুষ্ঠিত কৰা শিক্ষক প্ৰাণ তৰুণ চন্দ্ৰ চাংকাকতি আৰু শিক্ষক বন্ধু কমল দুৱৰা ন্যাস বৃত্তি পৰীক্ষা ২০২২ ৰ ফলাফল ঘোষণা।**

যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বাৰা আয়োজিত

### শিক্ষক প্ৰাণ তৰুণ চন্দ্ৰ চাংকাকতি আৰু শিক্ষক বন্ধু কমল দুৱৰা ন্যাস বৃত্তি পৰীক্ষা ২০২২

### স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীৰ তালিকা

| স্থান | নাম-বিদ্যালয়ৰ নাম | প্ৰাপ্ত নম্বৰ | খণ্ড |
|---|---|---|---|
| প্ৰথম স্থান ঃ | স্বাস্বতী ভৰালী<br>*ভাস্কৰ নগৰ প্ৰাথমিক বিদ্যালয়* | ৯৭ | উত্তৰ পশ্চিম |
| দ্বিতীয় স্থান ঃ | সাগৰ পাঠক<br>*৪ নং বাৰ্ড প্ৰাইমাৰী স্কুল* | ৯৫ | যোৰহাট নগৰ |
| তৃতীয় স্থান ঃ | দৃষ্টি ভূঞা<br>*১২৫ নং ভকতগাঁও প্ৰাথমিক বিদ্যালয়* | ৯৪ | মধ্য যোৰহাট |
| চতুৰ্থ স্থান ঃ | বিপ্লৱ জ্যোতি বৰুৱা<br>*দ কুকুৰাচোৱা প্ৰাথমিক বিদ্যালয়* | ৯০ | মধ্য যোৰহাট |
| | ডিম্পল দোলাকাষৰীয়া<br>*৩২৮ নং মুদৈজান ভৰলুৱা প্ৰাথমিক বিদ্যালয়* | ৯০ | মধ্য যোৰহাট |
| | ৰিম্পী শইকীয়া<br>*জকাইচুক গাঁও প্ৰাথমিক বিদ্যালয়* | ৯০ | যোৰহাট |
| | ভায়লিনা বৰকাকতি<br>*সাহপুৰীয়া কোঁচৰচুক প্ৰাথমিক বিদ্যালয়* | ৯০ | উত্তৰ পশ্চিম |
| পঞ্চম স্থান ঃ | অঞ্জনজ্যোতি হাজৰিকা<br>*৪০ নং বনাই প্ৰাথমিক বিদ্যালয়* | ৮৯ | পূব যোৰহাট |

| | | | |
|---|---|---|---|
| ষষ্ঠ স্থান ঃ | জাহ্নৱী বৰা | | |
| | *পুষ্পবন শিশু নিকেতন প্ৰাথমিক বিদ্যালয়* | ৮৮ | মধ্য যোৰহাট |
| সপ্তম স্থান ঃ | প্ৰিয়া জ্যোতি বৰা | | |
| | *৬৫২ নং বীণাপানী প্ৰাথমিক বিদ্যালয়* | ৮৭ | যোৰহাট |
| | মৃগাংক বৰা | | |
| | *১৫৪ নং শংকৰদেৱ প্ৰাথমিক বিদ্যালয়* | ৮৭ | উত্তৰ পশ্চিম |
| অষ্টম স্থান ঃ | অম্বালিকা হাজৰিকা | | |
| | *ফুকনবাৰী প্ৰাথমিক বিদ্যালয়* | ৮৬ | মধ্য যোৰহাট |
| | আকাংক্ষা বৰা | | |
| | *কছাৰীগাঁও প্ৰাথমিক বিদ্যালয়* | ৮৬ | যোৰহাট |
| নৱম স্থান ঃ | কৰিশ্মা কৌশিক | | |
| | *মঘাই ওজা শিশু নিকেতন প্ৰাথমিক বিদ্যালয়* | ৮৫ | মধ্য যোৰহাট |
| | কৃষ্ণাক্ষী শইকীয়া | | |
| | *৮ নং কলাখোৱা প্ৰাথমিক বিদ্যালয়* | ৮৫ | উত্তৰ পশ্চিম |
| দশম স্থান ঃ | আদিত্য বৰদলৈ | | |
| | *৪৩ নং দ গএগ্রা ন পমুৰা প্ৰাথমিক বিদ্যালয়* | ৮৪ | পূব যোৰহাট |

.ফলাফল সম্পৰ্কীয় ঘোষণা ঃ

ক) স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক অহা ০৫ ছেপ্তেম্বৰ, ২০২২ তাৰিখে অনুষ্ঠিত হ'ব লগা শিক্ষক দিৱসত পুৰস্কৃত কৰা হ'ব।

খ) ছাত্ৰ-ছাত্ৰীৰ নম্বৰ তালিকা (মাৰ্কশ্বীট)ৰ বাবে বিদ্যালয়ৰ প্ৰধান শিক্ষকে সংশ্লিষ্ট শাখা সম্পাদকৰ যোগেদি জিলা সম্পাদকৰ লগত যোগাযোগ কৰিব।

গ) কোনো ছাত্ৰ-ছাত্ৰীয়ে বহী পুণৰীক্ষণ কৰিব বিচাৰিলে দুশ টকা (২০০) মাচুলসহ সংশ্লিষ্ট শাখাৰ যোগেদি ফলাফল ঘোষণা কৰাৰ সাতদিনৰ ভিতৰত আবেদন কৰিব পাৰিব।

# বা-বাতৰি ৭

**অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্থাৰ বাৰ্তালোচনী "শিক্ষাজ্যোতি" ৰ প্ৰথম সংখ্যাৰ উন্মোচনীৰ মুহূৰ্ত ।**





# বিভিন্ন বিদ্যালয়ত ৫ জুন পৰিৱেশ দিৱস উদযাপনৰ কিছু আলোকচিত্ৰ









**লেখা পঠাবৰ বাবেঃ-**
**email- asptaassam22@gmail.com**
**Whatsapp No- 7002867240, 87209 25805**